Content includes AI-generated material

www.newsnextone.com

e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, JANUARY 28, 2025 ■ মঙলবাৰ, ১৪ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৩১ Guwahati, Assam ।। মূল্যঃ এটকা

## প্ৰেমিকৰ কোঠাত প্ৰেমিকাৰ আত্মহত্যা!

ই-সংবাদ, ২৭ জানুৱাৰীঃ ৰাজ্যৰ ৰাজধানী গুৱাহাটীত সঘনাই সংঘটিত হৈছে একেই ধৰণৰ ঘটনা। ৮ পৃষ্ঠাত

## এখন মোনা, বিস্ফোৰণৰ শব্দক লৈ আতংক

### আলফাৰ দায়িত্ব স্বীকাৰ!

ই-সংবাদ, ২৭ জানুৱাৰীঃ কটকটীয়া নিৰাপত্তা গঢ়ি তোলাৰ পিছতো গণৰাজ্য দিৱসৰ দিনটোত গুৱাহাটীত বোমা বিস্ফোৰণৰ ঘটনা সংঘটিত হোৱাৰ সন্দেহে তীব্ৰ চাঞ্চল্যৰ শেষাংশ ৭ পৃষ্ঠাত

# সমীৰণ ফুকন আছুৰ সাধাৰণ সম্পাদক নিৰ্বাচিত



### উদুলি-মুদুলি তলাতল ঘৰৰ বাকৰি

ই-সংবাদ, শিৱসাগৰ, ২৭ জানুৱাৰীঃ চৰ্চা চলা ধৰণেই সদৌ অসম ছাত্ৰ সন্থাৰ স্থায়ী সাধাৰণ সম্পাদক নিৰ্বাচিত হ'ল সমীৰণ ফুকন। ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ ৩ পৃষ্ঠাত চাওক

## অৰুণাচলত দুৰ্ঘটনাত ৪জনৰ কৰুণ মৃত্যু



ই-সংবাদ, ডুমডুমা, ২৭ জানুৱাৰীঃ গণৰাজ্য দিৱসৰ দিনাই চুবুৰীয়া ৰাজ্য ৩ পৃষ্ঠাত

### লোকচানৰ সন্মুখীন দেশৰ চৰকাৰী-বেচৰকাৰী খণ্ডৰ বেংক

# পানীত পৰিল ১৪লাখ কোটি

■ আৰটিআইত পোহৰলৈ আহিছে এক ভয়ংকৰ তথ্য ■ ডলাৰৰ বিপৰীতে টকাৰ পতন অব্যাহত, অস্থিৰ অৰ্থনীতি!

ই-সংবাদ বিশেষ, ২৭ জানুৱাৰীঃ মোদী চৰকাৰৰ দহ বছৰীয়া কাৰ্যকালত উদ্যোগপতিৰ ১৬ লাখৰো অধিক কোটি টকাৰ ঋণ মাফ কৰিছে ভাৰতীয় বেংকে। শেষাংশ ২ পৃষ্ঠাত

## ডিজিপিৰ অতিৰিক্ত দায়িত্ব হৰমিৎ সিঙক



বিতং বাতৰি ৭ পৃষ্ঠাত



গণৰাজ্য দিৱসৰ অনুষ্ঠানৰ এটি মুহূৰ্ত


## এইবাৰ এক দেশ এক সময়, বাজিব ১৩!

নতুন দিল্লী, ২৭ জানুৱাৰীঃ এতিয়াৰে পৰা দেশত বাধ্যতামূলক হ'ব এক সময় নিয়ম। ৩ পৃষ্ঠাত চাওক

## ৰাজীৱ ভৱনত গণৰাজ্য দিৱসত বিশেষ সম্বৰ্ধনা

গুৱাহাটী, ২৭ জানুৱাৰীঃ গণতন্ত্ৰৰ সুৰক্ষা আৰু দেশৰ সংবিধানৰ মৰ্যাদা আৰু ত্ৰিৰংগা পতাকা নীলিম ৭ পৃষ্ঠাত চাওক

## ওভতি ধৰিলে কংগ্ৰেছে আম্বেদকাৰক লৈ ভুল মন্তব্য হিমন্তৰ!



ই-সংবাদ, ডিব্ৰুগড়, ২৭ জানুৱাৰীঃ পূৰ্বৰ পৰম্পৰা ভংগ কৰি প্ৰথমবাৰৰ বাবে অসমৰ কোনো মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ৰাজধানীৰ বাহিৰত গণৰাজ্য ২ পৃষ্ঠাত চাওক

## উত্তৰাখণ্ডত ইউচিচি প্ৰযোজ্য

ডেৰাডুন, ২৭ জানুৱাৰীঃ সোমবাৰৰ পৰা উত্তৰাখণ্ডত কাৰ্যকৰী হ'ল ইউনিফৰ্ম চিভিল কোড। দেশৰ ৫ পৃষ্ঠাত চাওক

## ইণ্ডোনেছিয়াত ভাৰতীয় ডিএনএ!

নতুন দিল্লী, ২৭ জানুৱাৰীঃ ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবো ছুবিয়ানটোৰ শেষাংশ ৬ পৃষ্ঠাত

## ডিমা হাছাওত এতিয়াও চলিয়েই আছে অবৈধ কয়লাৰ খনন! অজাপ দলৰ দাবী



ই-সংবাদ, ২৭ জানুৱাৰীঃ অসমৰ কয়লৰ অবৈধ ৰেট হোল মাইনিংক লৈ বিৰোধী দল অসম জাতীয় পৰিষদে সৰৱ ভূমিকা পালন কৰা দেখা গৈছে। ডিমা শেষাংশ ৬ পৃষ্ঠাত

## দেশত এবছৰত সাম্প্ৰদায়িক সংঘৰ্ষ ৮৪ শতাংশ বৃদ্ধি

### প্ৰতিবেদনত উদ্বেগজনক তথ্য

নতুন দিল্লী, ২৭ জানুৱাৰীঃ ভাৰতত ভয়ংকৰভাৱে বৃদ্ধি পাইছে সাম্প্ৰদায়িক সংঘৰ্ষৰ ঘটনা। পূৰ্বৰ বছৰৰ তুলনাত যোৱা এটা বছৰত ভাৰতত ৮৪ শতাংশ বৃদ্ধি শেষাংশ ৪ পৃষ্ঠাত

### বিশেষ সাফল্য, ধৰা পেলাব ক্ষতিকাৰক ধাতু

## নেন'মেটেৰিয়েল প্ৰযুক্তি উদ্ভাৱন আইআইটি গুৱাহাটীৰ

ই-সংবাদ, উত্তৰ গুৱাহাটী, ২৭ জানুৱাৰীঃ আই আই টি গুৱাহাটীয়ে কোষ আৰু পৰিৱেশত পাৱা ধৰা পেলোৱাৰ ৫ পৃষ্ঠাত





### বিৰোধীৰ তীব্ৰ আপত্তি

## জেপিচিত গৃহীত বিতৰ্কিত ৱাকফ বিল

নতুন দিল্লী, ২৭ জানুৱাৰীঃ অৱশেষত যুটীয়া সংসদীয় সমিতিত গৃহীত হ'ল বহু বিতৰ্কিত ৱাকফ ৪ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পানীত পৰিল ১৪লাখ কোটি

শেহতীয়াকৈ এক আৰটিআইৰ উত্তৰত পোহৰলৈ আহিছে এই তথ্য। নাগৰিক অধিকাৰ কৰ্মী প্ৰফুল্ল পি সাৰদাই দাখিল কৰা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ আৰটিআইৰ জৰিয়তে পোহৰলৈ অহা তথ্য অনুসৰি, ২০১৪ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৪ চনৰ ৩০ ছেপ্টেম্বৰলৈকে ভাৰতীয় বেংকসমূহে মুঠ ১৬,৬১,৩১০ কোটি টকাৰ ঋণ মাফ কৰিছে। কিন্তু এই বৃহৎ পৰিমাণৰ ঋণৰ ভিতৰত মাত্ৰ ২,৬৯,৭৯৫ কোটি টকাহে আদায় কৰা হৈছে। বেংক ভিত্তিক ৰেহাইৰ হিচাব আৰটিআইৰ উত্তৰত প্ৰকাশ কৰা হৈছে। আৰবিআইৰ তথ্য অনুসৰি, ৰাজহুৱা খণ্ডৰ বেংকসমূহে সৰ্বোচ্চ ১২,০৮,৬২১ কোটি টকাৰ ঋণ ৰেহাই দিছে। ইয়াৰ পিছতে ব্যক্তিগত খণ্ডৰ বেংকে ৪,৪৬,৬৬৯ কোটি টকা আৰু আৰ্বান কো-অপাৰেটিভ বেংকে ৬,০২০ কোটি টকাৰ ঋণ মাফ কৰিছে বিভিন্ন উদ্যোগপতিৰ। অৱশ্যে ঋণ আদায়ৰ পৰিসংখ্যাইও একেধৰণৰ ছবি দাঙি ধৰিছে। ৰাজহুৱা খণ্ডৰ বেংকসমূহে মাত্ৰ ২,১৬,৫৪৭ কোটি টকা আৰু ব্যক্তিগত খণ্ডৰ বেংকসমূহে ৫৩,২৪৮ কোটি টকা আদায় কৰিছে। ইফালে আৰ্বান কো-অপাৰেটিভ বেংকৰ ক্ষেত্ৰত আদায়ৰ তথ্য প্ৰকাশ কৰা হোৱা নাই। আৰটিআইৰ উত্তৰত ৰিজাৰ্ভ বেংকে সদৰী কৰা মতে, মুঠ ১৩,৯১,৫১৫ কোটি টকাৰ ঋণ এতিয়াও আদায় কৰিবলৈ সক্ষম হোৱা নাই বেংকসমূহে, আৰু এনে পৰিপ্ৰেক্ষিতত আদায়ৰ হাৰ হৈছে মাত্ৰ ১৬ শতাংশ। উল্লেখ্য যে, ২০২৪ চনৰ নৱেম্বৰ মাহত বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰীয়ে লোকসভাত এক প্ৰশ্নৰ উত্তৰত কৈছিল যে ২০২৩-২৪ বিত্তীয় বৰ্ষত বেংক ৰেহাইৰ পৰিমাণ ১.৭ লাখ কোটি টকা। বিগত পাঁচ বছৰৰ ভিতৰত এয়াই সৰ্বনিম্ন বুলি জনাইছিল চৌধুৰীয়ে। এই ধনৰাশি ২০১৯-২০ বিত্তীয় বৰ্ষত সৰ্বোচ্চ ২.৩৪ লাখ কোটি টকা আছিল। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ ভিতৰত পঞ্জাব নেচনেল বেংক, ইউনিয়ন বেংক অৱ ইণ্ডিয়া আৰু ষ্টেট বেংক অৱ ইণ্ডিয়াই সৰ্বাধিক ঋণ মাফ কৰিছে। ব্যক্তিগত খণ্ডত এইচডিএফচি বেংক, এক্সিছ বেংক আৰু আইচিআইচিআই বেংক শীৰ্ষত আছে। অন্যহাতে, ২০২৩-২৪ বিত্তীয় বৰ্ষত সামগ্ৰিকভাৱে ঋণ ৰেহাইৰ পৰিমাণ হ্ৰাস পাইছে যদিও ২০ শতাংশতকৈ অধিক বেংকে পূৰ্বৰ বছৰৰ তুলনাত অধিক ঋণ ৰেহাই দিয়া পৰিলক্ষিত হয়। আৰবিআইয়ে কয় যে বেছিভাগ ৰেহাই হয় কাৰিকৰী বা বিচক্ষণ কাৰণত কৰা হয়। ই মূলতঃ হিচাপ-নিকাচৰ এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে বেলেন্স শ্বীট পৰিচালনা আৰু কৰ সুবিধা লোৱা হয়। কিন্তু ঋণ মাফৰ অৰ্থ এইটো নহয় যে ঋণ লোৱাসকলে আৰু সেই ধন ঘূৰাই দিব নালাগে। ঋণ মাফৰ পিছতো বেংকে ঋণ আদায় কৰাৰ অধিকাৰ অক্ষুণ্ণ ৰাখে। ইফালে, এক সুকীয়া আৰটিআইৰ উত্তৰত প্ৰকাশ পাইছে যে বেংকসমূহে বিগত পাঁচ বছৰত মুঠ ঋণ ৰেহাইৰ মাত্ৰ ১৮.৭ শতাংশহে আদায় কৰিবলৈ সক্ষম হৈছে। বেংকৰ পৰা অহা অফছাইট ৰিপৰ্টৰ ভিত্তিত এই সকলো তথ্য প্ৰকাশ কৰিছে আৰবিআইয়ে। ইফালে, এই তথ্য পোহৰলৈ অহাৰ পিছতে চৰকাৰক সমালোচনাৰে থকা-সৰকা কৰিছে বিৰোধীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আম্বেদকাৰক লৈ ভুল মন্তব্য হিমন্তৰ!

দিৱসৰ পতাকা উন্মোচন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইবাৰ গণতন্ত্ৰ দিৱসত জাতীয় পতাকা উন্মোচন কৰে উজনিৰ ডিব্ৰুগড় জিলাত। ২০০২ চনৰ পূৰ্বে আলফাৰ দপদপনিৰ ফলত উজনিৰ বহু ঠাইত ভালকৈ গণৰাজ্য, স্বাধীনতা দিৱস পালন কৰাটোৱে সম্ভৱ হোৱা নাছিল। কিন্তু তৰুণ গগৈৰ ১৫ বছৰীয়া শাসনকালৰ সময়ছোৱাত দুই-এক কুটাঘাতৰ বাহিৰে আলফাৰ প্ৰভাৱ কমি অহাত ক্ৰমে স্থিতাৱস্থা বাহাল হোৱাত উজনিৰ সকলো ঠাইতে শান্তিপূৰ্ণভাৱে গণৰাজ্য দিৱস, স্বাধীনতা পালন কৰিবলৈ সক্ষম হৈছিল। তাৰ মাজতে এইবাৰ উজনিত মুখ্যমন্ত্ৰীৰ উপস্থিতিত প্ৰথমবাৰ গণৰাজ্য দিৱস পালন কৰা হৈছে। সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ অধীনত অশান্ত অঞ্চল হিচাপে জাননী দিয়া অসমৰ চাৰি এলেকাৰ ভিতৰত এটা এলেকাত গণৰাজ্য দিৱস আয়োজন কৰাত মুখ্যমন্ত্ৰীয়ে অসম স্বাভাৱিকতা আৰু উন্নয়নৰ দিশত আগবাঢ়িছে বুলি কয়। ডিব্ৰুগড়ৰ খনিকৰ পেৰেড গ্ৰাউণ্ড দেওবাৰে গণতন্ত্ৰ দিৱস উদযাপনৰ কেন্দ্ৰ বিন্দু হৈ পৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২৫ জানুৱাৰীৰ নিশা বিদেশ ভ্ৰমণ সামৰি পোনে পোনে ডিব্ৰুগড়ত উপস্থিত হয়। পুৱা কেইবা হাজাৰ লোকৰ উপস্থিতিত খনিকৰ পেৰেড গ্ৰাউণ্ডত মুখ্যমন্ত্ৰীয়ে পতাকা উন্মোচন কৰে। পতাকা উন্মোচনৰ পিছতে অৰ্ধসামৰিক বাহিনী, আৰক্ষী, এনচিচি কেডেটৰ পেৰেডৰ উপভোগ কৰাৰ লগতে অভিবাদন গ্ৰহণ কৰে। গণতন্ত্ৰ দিৱস উপলক্ষে হিমন্ত বিশ্ব শৰ্মাই খনিকৰ পেৰেড গ্ৰাউণ্ডত ভাষণ প্ৰদান কৰি আম্বেদকাৰ সন্দৰ্ভত এক বিতৰ্কিত মন্তব্য প্ৰদান কৰে। সংবিধান প্ৰণেতা বাবাচাহেব ভীমৰাও ৰামজী আম্বেদকাৰক পণ্ডিত জৱহাৰলাল নেহৰুৱে সংবিধানসভাত প্ৰথমে স্থান দিয়া নাছিল বুলি কয়। পণ্ডিত নেহৰুৰ দৰে নেতাৰ বিৰোধিতা স্বত্বেও মহাত্মা গান্ধীয়ে আম্বেদকাৰৰ বৌদ্ধিক সামৰ্থ্যৰ সমৰ্থন কৰিছিল। হিমন্ত বিশ্ব শৰ্মাৰ এই মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। লগে লগে কংগ্ৰেছে প্ৰত্যুত্তৰ দিয়ে হিমন্ত বিশ্ব শৰ্মাক। বাবাচাহেব আম্বেদকাৰ বেংগল এছেম্বলীৰ যিখন আসনৰ পৰা জয়ী হৈছিল সেই আসনখন দেশ বিভাজনৰ পিছত পাকিস্তানলৈ গৈছিল। সেই সময়ত পুণে আসনখনৰ পৰা জয়ী কংগ্ৰেছৰ সাংসদে পদত্যাগ কৰি পুনৰ সংসদলৈ বাবাচাবেহক সংসদলৈ যাবলৈ বাট মুকলি কৰি দিয়াত তেতিয়া সংবিধানসভালৈ পণ্ডিত জৱহাৰলাল নেহৰুৱে বাবাচাহেব আম্বেদকাৰৰ নামটো প্ৰস্তাৱ কৰিছিল বুলি কয় বিৰোধীয়ে। কংগ্ৰেছে মুখ্যমন্ত্ৰীক ইতিহাস বিকৃত নকৰিবলৈকো সকীয়াই দিয়ে।ইফালে, চাহনগৰী ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস পালনৰ তাৎপৰ্য সন্দৰ্ভত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে "এয়া নতুন সময়। 'কাৰ্ফিউ-বয়কট' আদি শব্দৰে পূৰ্ণ সময়ৰ ক'লীয়া ডাৱৰ আঁতৰাই নতুনৰ আৱাহনী বাৰ্তাৰে ডিব্ৰুগড় আজি গৌৰৱেৰে অসমৰ গণৰাজ্য দিৱস উদযাপনৰ কেন্দ্ৰস্থল ৰূপে উদ্ভাসিত হৈছে। এই অসাধাৰণ যাত্ৰাই বিশ্বৰ সৰ্বশ্ৰেষ্ঠ গণৰাজ্য- ভাৰতৰ শক্তি আৰু সহনশীলতাক প্ৰতিফলিত কৰি ডিব্ৰুগড় এসময়ত কেইবা দশক ধৰি বিদ্ৰোহ আৰু উগ্ৰবাদৰ মূল কেন্দ্ৰ আছিল। বন্ধৰ নিয়ম আহ্বানে নিশ্চিত কৰিছিল যে গণৰাজ্য দিৱস আৰু স্বাধীনতা দিৱসত চহৰখন আক্ষৰিক ভাৱে লকডাউনত আছিল। ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ সফল সমাপ্তিয়ে প্ৰমাণ যে অসম এতিয়া বিনিয়োগকাৰী, পৰ্যটক, দৰ্শনাৰ্থী আৰু ইয়াৰ নাগৰিকৰ বাবে এখন সুৰক্ষিত ৰাজ্য। মুখ্যমন্ত্ৰীয়ে ভাষণত চাৰিটা মূল বিষয় উপস্থাপন কৰে। প্ৰথমে, ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে ঘোষণা কৰা। ২০২৭ চনৰ ভিতৰত অসম বিধান সভাৰ এক নতুন পৰিসৰ সাজু কৰা হ'ব আৰু এতিয়াৰ পৰা ডিব্ৰুগড়ত বিধানসভাৰ এখন বৈঠক অনুষ্ঠিত হ'ব। দ্বিতীয়তে, ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে পেঞ্চন সম্পৰ্কীয় বিশেষ ঘোষণা কৰা হৈছে। ২০২৫ চনৰ আগৰ কৰ্মচাৰীসকলক একত্ৰিত পেঞ্চন আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰা হ'ব, য'ত অন্যান্য লাভালাভৰ ভিতৰত শেহতীয়া প্ৰাপ্ত দৰমহাৰ ৫০% অন্তৰ্ভুক্ত থাকিব। তাৰ পাছত কৰ্মচাৰীসকল পুৰণি পেঞ্চন আঁচনিৰ অধীনত থাকিব। নতুন পেঞ্চন আঁচনিখন এতিয়া বাতিলকৰা হৈছে। তৃতীয়তে ৰাজ্যখনত অৱস্থিত উদ্যোগীসকলক উদগনি, সমৰ্থন আৰু শক্তিশালী কৰাৰ বাবে ষ্টাৰ্টআপ বিভাগ এটা স্থাপন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে তেওঁৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰে যে ষ্টাৰ্ট আপবোৰ অসমৰ অৰ্থনৈতিক নৱজাগৰণৰ মেৰুদণ্ড হ'ব। চতুৰ্থতে, কিতাপৰ বৰ্ষ উদযাপন কৰিবলৈ ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক কিতাপ ক্ৰয় কৰিবলৈ মাহে ১০০০ টকালৈকে আগবঢ়োৱা হ'ব। তদুপৰি, অসমৰ সভ্যতা-ঐতিহ্য সুৰক্ষিত কৰাৰ পদক্ষেপত মুখ্যমন্ত্ৰীয়ে উদাসীন ভকত সকলক ১৫০০ টকাৰ মাহিলি সমৰ্থনৰ লগতে ৰাজ্যখনৰ ২৫,০০০ নামঘৰৰ বাবে ৩ লাখ টকাকৈ বিত্তীয় সাহায্যৰ কাৰ্যসূচী ঘোষণা কৰে। খনিকৰ খেলপথাৰৰ গণৰাজ্য দিৱস উদযাপনৰ পাছত মুখ্যমন্ত্ৰীয়ে চহৰখনত ৪খন নতুন উৰণসেতুৰ শিলান্যাস কৰে। ৪.৪ কিল'মিটাৰ মুঠ দৈৰ্ঘ্যৰ চাৰিখন উৰণসেতুক মুঠ ৩৭৭ কোটি টকাব্যয়েৰে নিৰ্মাণ কৰা হ'ব। ডিব্ৰুগড় অসমৰ দ্বিতীয় ৰাজধানী হ'বলৈ সাজু হোৱাৰ ক্ষণত মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে যে চহৰখনৰ আন্তঃগাঁথনিৰ বিকাশ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সমীৰণ ফুকন আছুৰ সাধাৰণ সম্পাদক

দায়িত্বত থকা চৰ্জুন হাঙ্গে উপ-সভাপতি নিৰ্বাচিত হয়। সমৰজ্যোতি গোহাঁইয়ে লাভ কৰে সহকাৰী সম্পাদকৰ দায়িত্ব। শিৱসাগৰ জিলাৰ ঐতিহাসিক ৰংপুৰৰ তলাতল ঘৰৰ বাকৰিত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ নিশা অনুষ্ঠিত প্ৰতিনিধি সভাত এই সিদ্ধান্ত চূড়ান্ত কৰা হয়। এই সাধাৰণ সভাক লৈ উদুলি মুদুলি হৈ পৰিছে তলাতল ঘৰৰ বাকৰি। পাঁচ সহস্ৰাধিক আছুৰ প্ৰতিনিধি, কেইবা শতাধিক সৰ্বসাধাৰণ ৰাইজৰ উপস্থিতিৰে জীপাল হৈ পৰিছে তলাতল ঘৰৰ বাকৰিৰ স্বৰ্গদেউ চাওলুং চ্যুকাফা সমন্বয়ক্ষেত্ৰ। সদৌ অসম ছাত্ৰ সন্থাৰ স্থায়ী সম্পাদক শংকৰজ্যোতি বৰুৱাৰ পদত্যাগৰ পাছত চৰ্জুন হাঞ্চেই ভাৰপ্ৰাপ্ত সম্পাদকৰূপে দায়িত্ব চলাই আছিল যদিও এজন স্থায়ী সম্পাদক নিযুক্তিৰ কুচকাৱাজ ছাত্ৰ সন্থাৰ মজিয়াত চলি আছিল। এজন স্থায়ী সম্পাদক নিযুক্তিৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ বিভিন্ন কৰ্মসূচীৰ ওপৰত গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ বাবে এই সাধাৰণ সভাৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আয়োজন কৰা সাধাৰণ সভাৰ পতাকা উত্তোলন কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, "যিখিনি সময়ত এটা চিন্তাৰে গণতন্ত্ৰক মষিমূৰ কৰি শাসন কৰাৰ চেষ্টা চলিছিল সেই সময়ত সমিলমিলেৰে নিজৰ ঐতিহ্য অক্ষুন্ন ৰাখি আনৰ ঐতিহ্যক আকোৱালি লৈ বৃহত্তৰ অসমীয়া জাতি গঠনৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰিছিল আহোম স্বৰ্গদেউসকলে। কিন্তু আজিৰ সময়ত জাতিটো ভাঙোনমুখী হৈছে। জাতিটোৰ প্ৰতি সংকট আহিছে। শৈক্ষিক-সামাজিক-আৰ্থিক আদি সকলো দিশত বিপৰ্যয়ৰ ছবি। অসমীয়া জাতিটো এতিয়া হিতাধিকাৰী জাতিত পৰিণত হৈছে বুলি তেওঁ উল্লেখ কৰে। অসম আন্দোলনৰ সময়তে ছাত্ৰ সন্থাৰ লগতে অসমীয়া সমাজে কৈছিল 'Save Assam today, save India tomorrow. কিন্তু তেতিয়াৰ আৰু পৰৱৰ্তী সময়ৰ ৰাজ্য-কেন্দ্ৰীয় চৰকাৰে এই কথা নুশুনাৰ ফলত এতিয়া অবৈধ বাংলাদেশীৰ সমস্যা কেৱল অসম তথা উত্তৰ পূৰ্বৰ সমস্যা হৈ থকা নাই। দেশৰ বিভিন্ন প্ৰান্তত এই সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে বুলি তেওঁ চৰকাৰক কটাক্ষ কৰে। চৰকাৰক সমালোচনা কৰি উৎপল শৰ্মাই কয়, এতিয়া চৰকাৰে অসমৰ জনগাঁঠনি সলনি হোৱা বুলি আস্ফালন কৰিছে। আমাৰ জিলাবোৰ বোলে খিলঞ্জীয়া মানুহৰ হাতৰ পৰা গুচি গৈছে। কেনেকৈ খিলঞ্জীয়াৰ অধিকাৰ খৰ্ব হৈছে বুলি সভাপতিগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰি বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন কাৰ্যকৰী নকৰাক লৈ ক্ষোভ প্ৰকাশ কৰে? তেওঁ কয়, চল্লিশ বছৰৰ আগতে সমাধান সূত্ৰ দিয়া আছে। সেইয়া এতিয়াও কাৰ্যকৰী হোৱা নাই। এতিয়াও কিয় বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন কাৰ্যকৰী কৰা নহ'ল? অহা এপ্ৰিল মাহৰ ভিতৰত অসমৰ চৰকাৰৰ হাতত থকা চল্লিশটা বিষয় নিষ্পত্তি কৰাৰ ঘোষণা কৰিছিলে। এই চল্লিশটা বিষয় নিষ্পত্তি কৰাৰ বাবে চৰকাৰক প্ৰত্যাহ্বান জনায় সভাপতি শৰ্মাই। সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক চাৰ্জুন হাঞ্চেই ছহিদ তৰ্পন কৰে। নিজ বক্তব্যত হাঞ্চেই বৰ্তমানৰ চৰকাৰ খিলঞ্জীয়াৰ চৰকাৰ নহয় বুলি মন্তব্য কৰি এই চৰকাৰে খিলঞ্জীয়াৰ সলনি বহিৰাগতৰ হৈ কাম কৰাৰ অভিযোগ উত্থাপন কৰে। তেওঁ আৰু কয় যে এইখন চৰকাৰে জাতিটোৰ নামত আঁচনিৰ পয়োভৰ কৰিছে, কিন্তু এই আঁচনিৰ ফলত লাভ হোৱা নাই। সমাজ-শিক্ষা-অৰ্থনৈতিক দিশত এইখন চৰকাৰৰ কোনো ফলপ্ৰসূ পৰিকল্পনা নাই বুলিও তেওঁ সমালোচনা কৰে। পতাকা উত্তোলনৰ পিছতে শ্বহীদ তৰ্পন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক চৰ্জুন হাঙ্গেয়ে। মুখ্য উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্যই সাংস্কৃতিক অভিবাদন গ্ৰহণ কৰি শিৱসাগৰ সাধাৰণ সভাৰ প্ৰয়োজনীয়তা উল্লেখ কৰে। স্বভাৱসুলভ ভংগীৰে সভাপতিগৰাকীয়ে অসমত অসমীয়াৰ প্ৰভুত্ব বৰ্তি থাকিব লাগিব বুলি ঘোষণা কৰি ইয়াৰ বাবে সাংবিধানিক ৰক্ষা কৱচৰ প্ৰয়োজনীয়তা উল্লেখ কৰে। তেওঁ কয় যে অসমত এতিয়া চাৰিও দিশে অৱক্ষয় আৰু এই অৱক্ষয় ৰোধৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই অহৰহ চেষ্টা কৰিছে। শৈক্ষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক পুনৰ জাগৰণৰ পোষকতা কৰি তেওঁ কয় যে অঞ্চলে অঞ্চলে উৎপাদন আৰু ঘৰে ঘৰে উপাৰ্জন হ'ব আছুৰ নতুন চিন্তা। শিৱসাগৰ সাধাৰণ সভাই এই বিষয়বোৰৰ ওপৰত গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব বুলিও তেওঁ উল্লেখ কৰে। ভট্টাচাৰ্যই বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন কাৰ্যকৰী কৰিবৰ বাবে ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰো বাধ্য বুলি সকিয়াই দিয়ে। চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰ নাম দিয়া সভাথলীৰ দ্বাৰ মুকলি কৰে শ্ৰীশ্ৰী উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই। সাধাৰণ সভাৰ উপলক্ষে আজি সদৌ অসম ভিত্তিত কুইজ,বক্তৃতা আৰু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি গড়গাঁও মহাবিদ্যালয়ত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনুষ্ঠিত হোৱাৰ পাছত সন্ধিয়াৰ পৰা অনুষ্ঠিত হৈছে প্ৰতিনিধি সভা। শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° প্ৰফুল্ল কলিতাই পৰাগ চলিহা ষ্টেডিয়ামত ফিটা কাটি মুকলি কৰা প্ৰতিনিধি সভাত সন্থাৰ কেইবা সহস্ৰাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। গড়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অভ্যৰ্থনা সমিতিৰ সভাপতি ড° সব্যসাঁচী মহন্তই আদৰণি ভাষণ প্ৰদান কৰা প্ৰতিনিধি সভা সঞ্চালনা কৰিছে আছুৰ কেন্দ্ৰীয় সভাপতি উৎপল শৰ্মাই। এই প্ৰতিনিধি সভাতেই সদৌ অসম ছাত্ৰ সন্থাৰ স্থায়ী সম্পাদক মনোনীত কৰাৰ লগতে সন্থাৰ পৰৱৰ্তী কৰ্ম সূচী সন্দৰ্ভতো আলোচনা কৰা হয়। তদুপৰি বিভিন্ন জিলা ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলে দাঙি ধৰে গত সময়ছোৱাৰ খতিয়ান। ইপিনে আজিৰ প্ৰতিনিধি সভাৰ পাছত সাংস্কৃতিক অনুষ্ঠানত অংশ লব মানস ৰবীন, আচুৰ্য বৰপাত্ৰ আৰু দীপলিনা ডেকাই। আনহাতে কাইলৈ অৰ্থাৎ সাধাৰণ সভাৰ অন্তিম দিনা নৱনিযুক্ত সম্পাদকৰ নাম ছাত্ৰ সন্থাৰ তৰফৰ পৰা ঘোষণা কৰাৰ লগতে স্মৃতিগ্ৰন্থ উন্মোচন আৰু বিশাল সাংস্কৃতিক শোভাযাত্ৰা কাৰ্যসূচী ৰূপায়ন কৰিব। উল্লেখ্য যে, কাইলৈ অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব কণ্ঠশিল্পী জুবিন গাৰ্গে। ইফালে, সমীৰণ ফুকন সাধাৰণ সম্পাদক নিৰ্বাচিত হোৱাত ছাত্ৰ নেতাজনৰ গৃহ জিলা শিৱসাগৰত বৈছে আনন্দৰ বন্যা। ভিন্ন দল-সংগঠনে নিশাই ছাত্ৰ নেতাজনক উষ্ম অভিনন্দন জনোৱা দেখা গৈছে। ১৯৮৯ চনৰ ১৯ ছেপ্তেম্বৰত জন্মগ্ৰহণ কৰা সমীৰণে ছাত্ৰবস্থাৰে পৰা আছুৰ সৈতে জড়িত হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলত দুৰ্ঘটনাত ৪জনৰ কৰুণ

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত সংঘটিত হোৱা এক শোকাৱহ তথা ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী মহিলাসহ চাৰিজন লোক থিতাতে নিহত হয়। প্ৰাপ্ত তথ্য অনুসৰি, গোলাঘাট জিলাৰ নুমলীগড়ৰ ৰজাবাৰী ঔগুৰি চাপৰিৰ পৰা অৰুণাচল প্ৰদেশৰ দিবাং ভেলী জিলাৰ মায়'ডিয়ালৈ ফুৰিবলৈ বুলি এ এছ ২২ এফ ১৮১১ নম্বৰৰ স্ক'ৰপিঅ' বাহনেৰে অহা দুটা পৰিয়ালৰ ৬ জনীয়া লোকে কালি ৰয়িঙৰ নিলগৰ মায়'ডিয়ালৈ ফুৰিবলৈ গৈ উভতি অহাৰ পথত সন্ধিয়া প্ৰায় ৪ মান বজাত ৰয়িং আৰু মায়'ডিয়াৰ মাজত দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাৰ ফলত পথৰ পৰা প্ৰায় ৫০০ ফুট তলৰ দ' খাৰৈত পৰেগৈ স্ক'ৰপিঅ' বাহনখন। বাহনখনত এটি কণমানি শিশুসহ মুঠ ৬ গৰাকী লোক আছিল। ঘটনাৰ ফলত এগৰাকী মহিলাৰ উপৰিও আন তিনিগৰাকী যাত্ৰীৰ থিতাতে মৃত্যু হয়। আনহাতে দুগৰাকী যাত্ৰী ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। ঘটনাৰ ফলত থিতাতে নিহত হয় সুৰজ ছেত্ৰী (৪৩), পত্নী মীনা ছেত্ৰী (৪০), সুৰজ ছেত্ৰীৰ ভায়েক ৰঞ্জিত ছেত্ৰী (৩৯) ৰ লগতে দুৰ্ঘটনাগ্ৰস্ত স্ক'ৰপিঅ' বাহনখনৰ গৰাকী তথা মাহীয়েকৰ ল'ৰা অজয় ছেত্ৰী ওৰফে মনোজ (৩২)। নিহত ৰঞ্জিত ছেত্ৰীৰ পত্নী হৰিমায়া ছেত্ৰী (৩৬) আৰু কন্যা ৰৌচনী ছেত্ৰী (৯) বৰ্তমান এ এম চি এইচ ত জীৱন-মৃত্যুৰে যুঁজি আছে। ৰয়িং আৰক্ষীয়ে দুৰ্ঘটনাগ্ৰস্ত গাড়ীখন উদ্ধাৰ কৰাৰ লগতে ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে দুৰ্ঘটনাৰ ফলত স্ক'ৰপিঅ' বাহনখন সম্পূৰ্ণৰূপে নষ্ট হৈ পৰে। উল্লেখ্য যে, চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ ৰয়িঙৰ মায়'ডিয়াত বৰ্তমান বৰফ পৰি থকাৰ পৰিপ্ৰেক্ষিতত প্ৰতিদিনে মায়'ডিয়ালৈ অসংখ্য পৰ্যটকৰ আগমন ঘটে। অৰুণাচলৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰাৰ উদ্দেশ্যেৰে যোৱা পৰিয়ালদুটিয়ে পাহাৰৰ বিপদসংকুল পথ আৰু বৰফৰ মাজত বাহনখনৰ চালকজনে নিয়ন্ত্ৰণ হেৰুৱাৰ ফলতেই উক্ত ভয়াবহ দুৰ্ঘটনাটি সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। ঘটনাটোৱে গভীৰ শোকৰ ছাঁ পেলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবাৰ মোদী চৰকাৰৰ এক দেশ এক

এক দেশ এন নিৰ্বাচনৰ পিছত এইবাৰ দেশত 'এক দেশ, এক সময়' ব্যৱস্থা প্ৰৱৰ্তনৰ উদ্যোগ লৈছে মোদী চৰকাৰে। চৰকাৰী আৰু বাণিজ্যিক সকলো মঞ্চত ভাৰতীয় মানক সময় (আইএছটি) বাধ্যতামূলক কৰিবলৈ চৰকাৰে আইনী পৰিমাপ (ভাৰতীয় মানক সময়) নিয়ম, ২০২৫ৰ খচৰা প্ৰস্তুত কৰিছে। এই খচৰা সন্দৰ্ভত ১৪ ফেব্ৰুৱাৰীলৈকে ৰাজহুৱা মন্তব্য বিচৰা হৈছে। উল্লেখ্য যে আইএছটি ব্যৱহাৰৰ বাবে এই নিয়ম অনুসৰি আইএছটিৰ বাহিৰে আন কোনো সময়ৰ মানকে অনুমোদন কৰা নহ'ব। চৰকাৰী আৰু ব্যক্তিগত সকলো কাম-কাজ, নথি-পত্ৰ আৰু বিত্তীয় লেনদেনত ভাৰতীয় মানক সময় ব্যৱহাৰ কৰাটো বাধ্যতামূলক হ'ব। অন্যহাতে নতুন নিয়ম উলংঘা কৰিলে আৰ্থিক জৰিমনা বিহা হ'ব বুলিও স্পষ্ট কৰা হৈছে। মন কৰিবলগীয়া যে, চৰকাৰৰ দাবী অনুসৰি, এই নিয়মে দেশলৈ সময়ৰ নিৰ্দিষ্টতা আনিবলৈ সময়-সমন্বয় ব্যৱস্থা প্ৰৱৰ্তন কৰিব, যিয়ে চাইবাৰ সুৰক্ষা আৰু নিৰ্ভৰযোগ্যতাও নিশ্চিত কৰিব। ইয়াৰ উপৰিও টেলিকমিউনিকেচন, বেংকিং, প্ৰতিৰক্ষা, ৫জি প্ৰযুক্তি, আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সময়ৰ জটিল প্ৰকৃতিৰ বাবে আইএছটিৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে। দেশত এক সময়ৰ প্ৰয়োজনীয়তা সন্দৰ্ভত চৰকাৰী সূত্ৰই কয় যে একাধিক টাইম জ'নৰ বাবে সময়ৰ ক্ষেত্ৰত বিভ্ৰান্তিৰ সৃষ্টি হ'ব পাৰে, যাৰ ফলত বৃহৎ দুৰ্ঘটনা সংঘটিত হ'ব পাৰে। কিন্তু কিছুমান বিজ্ঞানীৰ মতে দুটা টাইম জ'ন থাকিলে দিনৰ পোহৰৰ সঠিক ব্যৱহাৰ হ'ব আৰু শক্তি ৰাহি হ'ব। উল্লেখ্য যে, বৰ্তমান ভাৰতৰ এটা টাইম জ'ন গ্ৰীণউইচ মিন টাইমতকৈ চাৰে পাঁচ ঘণ্টা আগুৱাই আছে। এই মানক সময় ১৯০৬ চনত নিৰ্ধাৰণ কৰা হৈছিল। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ এই নতুন পদক্ষেপে দেশৰ সময় ব্যৱস্থাপনাত নিখুঁততা আৰু সামঞ্জস্যতা অনাত সহায় কৰিব বুলি আশা কৰা হৈছে। ইফালে, মোদী চৰকাৰৰ এই সিদ্ধান্তৰ পিছতে ছ'চিয়েল মিডিয়াত মিশ্ৰিত প্ৰতিক্ৰিয়া দেখা গৈছে। বহু নেটিজেনে চৰকাৰৰ কৰিবলৈ একো কাম নাই বাবে এইধৰণৰ কাম কৰি আছে বুলি মন্তব্য কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশত এবছৰত সাম্প্ৰদায়িক সংঘৰ্ষ

পাইছে সাম্প্ৰদায়িক সংঘৰ্ষৰ ঘটনা। শেহতীয়াকৈ প্ৰকাশ পোৱা এক প্ৰতিবেদন অনুসৰি, ভাৰতত ২০২৪ চনত সংঘটিত হৈছে ৫৯টা সাম্প্ৰদায়িক সংঘৰ্ষ। আনহাতে ২০২৩ চনত এনে ধৰণৰ ঘটনা সংঘটিত হৈছিল মাত্ৰ ৩২টা। মানৱ অধিকাৰ কৰ্মী ইৰফান ইঞ্জিনিয়াৰ, নেহা দাবাড়ে আৰু মিথিলা ৰাউতে প্ৰস্তুত কৰা "চেণ্টাৰ ফৰ ষ্টাডি অৱ ছ'চাইটি এণ্ড চেকুলাৰিজম"ৰ 'হেজমানি এণ্ড ডিম'লেচনঃ দ্য টেল অৱ কমিউনেল ৰায়'টছ ইন ইণ্ডিয়া ইন ২০২৪' শীৰ্ষক প্ৰতিবেদনত পোহৰলৈ আহিছে এই উদ্বেগজনক তথ্য। পাঁচখন বাতৰি কাকতৰ আধাৰত সংস্থাটোৱে প্ৰকাশ কৰা প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি, ২০২৪ চনত সংঘটিত ৫৯টা সাম্প্ৰদায়িক সংঘৰ্ষৰ ৪৯টাই সংঘটিত হৈছে বিজেপি শাসিত ৰাজ্যত। এনে সংঘৰ্ষ সৰ্বাধিক সংঘটিত হৈছে মহাৰাষ্ট্ৰত। প্ৰতিবেদন অনুসৰি, মহাৰাষ্ট্ৰত ২০২৪ বৰ্ষত ১২টা সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হোৱাৰ বিপৰীতে বিহাৰ আৰু উত্তৰ প্ৰদেশত সংঘটিত হৈছে সাতটাকৈ ঘটনা। ইফালে এটা বছৰত এনে সংঘৰ্ষৰ ফলত মৃত্যু ঘটিছে ১৩ জন লোকৰ, যাৰ ভিতৰত আছে ১০ জন মুছলমান আৰু ৩ জন হিন্দু। প্ৰতিবেদনত দাবী কৰা অনুসৰি, এনে সাম্প্ৰদায়িক সংঘৰ্ষৰ বৃদ্ধি ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। প্ৰতিবেদনত কোৱা হৈছে যে ৫৯টা সংঘৰ্ষৰ ভিতৰত ২৬টা সংঘৰ্ষ ধৰ্মীয় উৎসৱ আৰু শোভাযাত্ৰাৰ সময়ত সংঘটিত হৈছে। জানুৱাৰী মাহত ৰাম মন্দিৰ নিৰ্মাণৰ সময়ত অযোধ্যাত চাৰিটাকৈ সংঘৰ্ষ সংঘটিত হৈছিল। একেদৰে সৰস্বতী পূজা, গণেশ চতুৰ্থী, বকৰি ঈদৰ সময়তো যথেষ্ট সংখ্যক সংঘৰ্ষ সংঘটিত হৈছে। ইয়াৰ উপৰিও ধৰ্মীয় স্থানক লৈ হোৱা বিবাদক লৈও কেইবাটাও সংঘৰ্ষ সংঘটিত হৈছে ২০২৪ বৰ্ষটোত। একাংশ হিন্দুত্ববাদী সংগঠনে হিন্দু মন্দিৰ ধ্বংস কৰি মছজিদ আৰু দৰগাহ নিৰ্মাণ কৰা বুলি দাবী কৰিছে। বাৰাণসীৰ জ্ঞানবাপী মছজিদ, মথুৰাৰ শ্বাহী ঈদগাহ মছজিদ, জৌনপুৰৰ আতলা মছজিদ সন্দৰ্ভত বৰ্তমান কমেও ১৮টা গোচৰ চলি আছে। সাম্প্ৰদায়িক সংঘৰ্ষত মুছলমান সম্প্ৰদায়ক বিশেষভাৱে লক্ষ্য কৰি লোৱা হৈছে বুলিও প্ৰতিবেদনত উল্লেখ কৰা হৈছে। চৰকাৰৰ ভূমিকাক সমালোচনা কৰি প্ৰতিবেদনত এই দাবীও কৰা হয় যে বুলডজাৰ ব্যৱহাৰ কৰি মুছলমান সম্পত্তি ধ্বংস কৰা হৈছিল। কেৱল ২০২৪ চনত ১৯ টা ঠাইত মুছলমানৰ ঘৰ, মছজিদ, আৰু অন্যান্য সা-সম্পত্তি ভাঙি পেলোৱা হৈছিল। তদুপৰি দেশত মব লিঞ্চিঙৰ ঘটনাও চিন্তনীয়। ২০২৪ চনত এনে ১৩টা ঘটনাত ১১ জন লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। নিহতসকলৰ ভিতৰত ৯ জন মুছলমান, এজন হিন্দু আৰু এজন খ্ৰীষ্টান আছে। অৱশ্যে ২০২৩ চনত সংঘটিত হোৱা ২১টা ঘটনাতকৈ ২০২৪ত মব লিঞ্চিঙৰ ঘটনা কিছু হ্ৰাস পোৱা পৰিলক্ষিত হয়। গো সৰবৰাহ বা গো-বধৰ অভিযোগৰ পৰা আৰম্ভ কৰি ধৰ্মীয় সম্পৰ্কৰ ভিত্তিত সংঘটিত হোৱা ঘটনালৈকে এনে ঘটনা সংঘটিত হোৱা বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেপিচিত গৃহীত বিতৰ্কিত ৱাকফ বিল

বিধেয়ক। যোৱা বছৰৰ আগষ্টত সংসদত বিধেয়কখন উত্থাপন হোৱাৰ পিছৰে পৰা বিৰোধীৰ তীব্ৰ বিৰোধিতাৰ সন্মুখীন হ'বলগীয়া হৈছিল চৰকাৰ। বিৰোধীয়ে অভিযোগ কৰিছে যে এই বিধেয়কখন কেৱল ধৰ্মীয় সংখ্যালঘুসকলক নিয়ন্ত্ৰণ কৰিবলৈহে অনা হৈছে। কিন্তু চৰকাৰে দাবী কৰিছে যে সংখ্যালঘুৰ স্বাৰ্থ ৰক্ষাৰ বাবে এই বিধেয়কখন উত্থাপন কৰা হৈছে। চৰকাৰৰ দাবী অনুসৰি বিধেয়কখনৰ ওপৰত আলোচনা কৰিবলৈ এখন যুটীয়া সংসদীয় সমিতি গঠন কৰা হয়। প্ৰথম অৱস্থাত কমিটীৰ কাৰ্যকাল শীতকালীন অধিৱেশনৰ প্ৰথম সপ্তাহলৈকে নিৰ্ধাৰণ কৰা হৈছিল। কিন্তু সময়সীমাৰ ভিতৰত প্ৰতিবেদন প্ৰস্তুত নোহোৱাত বাজেট অধিবেশনৰ অন্তিম দিনটোলৈ সময় বৃদ্ধি কৰা হয়। ১৪টা সংশোধনীৰে এই বিধেয়কখনে সেই সময়সীমা শেষ হোৱাৰ পূৰ্বেই সেউজ সংকেত লাভ কৰিছে। বিৰোধীয়ে কমিটীলৈ ৪৪টা সংশোধনীৰ প্ৰস্তাৱ আগবঢ়ায়। কিন্তু সেই সকলোবোৰ প্ৰস্তাৱ নাকচ কৰা কৰে জেপিচিয়ে। তীব্ৰ উত্তেজনাৰ মাজতে শুকুৰবাৰ আৰু শনিবাৰে সমিতিৰ বৈঠক অব্যাহত থাকে। বৈঠকৰ সময়ত তৃণমূলৰ সাংসদ কল্যাণ বেনাৰ্জী আৰু বিজেপিৰ সাংসদ নিশিকান্ত ডুবেৰ মাজত তৰ্ক-বিতৰ্কৰ সৃষ্টি হয়। কমিটীৰ অধ্যক্ষ জগদম্বিকা পালে অতি খৰখেদাকৈ প্ৰতিবেদন প্ৰস্তুত কৰা বুলি অভিযোগ উত্থাপন কৰে বিৰোধীয়ে। তেওঁলোকৰ মতে, বিধেয়কখনৰ ওপৰত অধিক বিশদ আলোচনাৰ প্ৰয়োজন আৰু অধিক ভিন্ন মতামত বিচৰা উচিত আছিল। পৰিস্থিতি উত্তপ্ত হোৱাৰ পিছতে শুকুৰবাৰৰ বৈঠকৰ পৰা নিলম্বন কৰা হয় বিৰোধী দলৰ ১০জন সাংসদক। বিধেয়কখন গৃহীত হোৱাৰ পাছত কমিটীৰ অধ্যক্ষ জগদম্বিকা পালে কয় যে বিজেপিয়ে অনা ২৩টা সংশোধনীৰ ভিতৰত ১৪টা সংশোধনী মানি লোৱা হৈছে। কিন্তু বিৰোধীয়ে অনা ৪৪টা সংশোধনীৰ সপক্ষে মাত্ৰ ১০টা ভোটহে পৰিছে। সূত্ৰ অনুসৰি এই ১৪টা সংশোধনীৰ ওপৰত ২৯ জানুৱাৰীত পুনৰ ভোটদান কৰা হ'ব। অহা ৩১ জানুৱাৰীৰ ভিতৰত সমিতিখনে চূড়ান্ত প্ৰতিবেদন দাখিল কৰাৰ সম্ভাৱনা আছে। ইফালে, বিধেয়কখন গৃহীত কৰিবলৈ চৰকাৰে অপ্ৰয়োজনীয় খৰখেদা লগোৱা বুলি এতিয়াও দাবী কৰি আছে বিৰোধীয়ে। ইয়াৰ উপৰিও দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই বিধেয়কখন গৃহীত কৰি চৰকাৰে ৰাজনৈতিক উদ্দেশ্য পূৰণৰ চেষ্টা চলাইছে বুলি বিৰোধীয়ে অভিযোগ কৰে। বিধেয়কক লৈ বৰ্তমানো বিতৰ্ক অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নেন'মেটেৰিয়েল প্ৰযুক্তি উদ্ভাৱন

ধৰা পেলোৱাৰ বাবে এক অত্যাধুনিক নেন'মেটেৰিয়েল প্ৰযুক্তি প্ৰস্তুত কৰি উলিয়াইছে। দূষিত খাদ্য, পানী, বায়ু বা ছালৰ সংস্পৰ্শৰ জৰিয়তে পাৰাৰ সংস্পৰ্শলৈ আহিলে স্নায়ুতন্ত্ৰৰ ক্ষতি, অংগ বিকলতা, জ্ঞানশক্তিৰ অৱনতি আদি গুৰুতৰ স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি হ'ব পাৰে। মেটাল হেলাইড পেৰ'ভস্কাইট নেন'স্ফটিক যিয়ে জীৱিত কোষৰ ক্ষতি নকৰাকৈ পাৰাৰ দৰে বিষাক্ত ধাতু ধৰা পেলাব পাৰে, গৱেষকসকলে সেই প্ৰযুক্তিৰ চমকপ্ৰদ বিকাশ সাধন কৰিছে। জীৱিত কোষ আৰু পৰিৱেশত থকা ক্ষতিকাৰক ধাতু ধৰা পেলোৱাৰ এই অভিনৱ পদ্ধতি উদ্ভাৱন কৰিছে পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক সৈকত ভৌমিকৰ নেতৃত্বত তথা সহযোগী অধ্যাপক চন্দন গোস্বামী সহিতে এটা গৱেষকৰ দলে। এই দলটোৱে মানৱ কোষত থকা পাৰাৰ দৰে বিষাক্ত ধাতু চিনাক্তকৰণৰ বাবে ব্যয়বহুল পদ্ধতি প্ৰৱৰ্তন কৰিছে। এই উদ্ভাৱনে জৈৱিক ব্যৱস্থাত ধাতুৰ বিষক্ৰিয়া ধৰা পেলোৱা আৰু পৰিচালনাৰ উন্নতি সাধন কৰি ৰোগ নিৰ্ণয় আৰু পৰিৱেশ নিৰীক্ষণত এক বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰে। এই গৱেষণাৰ কেন্দ্ৰীয় বিষয় হৈছে পেৰ'ভস্কাইট নেন'স্ফটিক, যি ইয়াৰ ব্যতিক্ৰমী ধৰ্মৰ বাবে জনাজাত এক অত্যাধুনিক পদাৰ্থ, যাৰ বাবে ইয়াক ধাতুৰ আয়ন ধৰা পেলোৱাৰ বাবে এক উপযোগী আদৰ্শ কৰি তোলা হৈছে। মানুহৰ চুলিতকৈ প্ৰায় এক লাখ গুণ সৰু এই নেন'স্ফটিকবোৰে পোহৰৰ সৈতে উল্লেখযোগ্যভাৱে ক্ৰিয়া কৰে, যাৰ ফলত ইহঁতে জীৱিত কোষৰ ভিতৰত ফ্লু'ৰেচেণ্ট প্ৰ'ব হিচাপে কাম কৰিবলৈ সক্ষম হয়। কিন্তু পানীত ইহঁতৰ দ্ৰুত অৱক্ষয়ৰ ফলত পূৰ্বতে ইহঁতৰ প্ৰয়োগ সীমিত হৈ পৰিছিল। ইয়াৰ সমাধানৰ বাবে গৱেষকসকলে পেৰ'ভস্কাইট নেন'স্ফটিকবোৰ চিলিকা আৰু পলিমাৰ আৱৰণত আবদ্ধ কৰি ৰাখিছিল, যাৰ ফলত পানীত ইয়াৰ স্থিৰতা আৰু লুমিনেচেণ্ট তীব্ৰতা যথেষ্ট বৃদ্ধি পাইছিল। এই পৰিৱৰ্তনৰ দ্বাৰা নেন'স্ফটিকসমূহে দীৰ্ঘ সময়ৰ বাবে নিজৰ কাৰ্য্যক্ষমতা বজাই ৰখাটো নিশ্চিত হয়, যাৰ ফলত ইহঁত ব্যৱহাৰিক দিশত অতি ফলপ্ৰসূ হয়। বৰ্ধিত নেন'স্ফটিকবোৰে নিৰ্দিষ্ট তৰংগ দৈৰ্ঘ্যৰ অধীনত উজ্জ্বল সেউজীয়া পোহৰ নিৰ্গত কৰে, যাৰ ফলত পাৰা আয়ন সঠিকভাৱে ধৰা পেলাব পৰা যায়, যিবোৰ ক্ষুদ্ৰ ঘনত্বতো বিপজ্জনক। ইয়াৰ উপৰিও দূষিত খাদ্য, পানী, শ্বাস-প্ৰশ্বাস বা ছালে পাৰাৰ সংস্পৰ্শৰ দ্বাৰা স্বাস্থ্যৰ বাবে গুৰুতৰ বিপদৰ সৃষ্টি কৰে, য'ত স্নায়ুতন্ত্ৰৰ ক্ষতি, অংগৰ বিসংগতি, জ্ঞানশক্তিৰ অক্ষমতা আদিও অন্তৰ্ভুক্ত। দলটোৰ দ্বাৰা উদ্ভাৱিত নেন'স্ফটিকসমূহে উল্লেখযোগ্য সংবেদনশীলতা প্ৰদৰ্শন কৰি কেইটামান নেন'মোলাৰ ঘনত্বৰ দৰে কম পাৰাৰ মাত্ৰা ধৰা পেলাইছিল। তদুপৰি জীৱিত স্তন্যপায়ী প্ৰাণীৰ কোষত পৰীক্ষা কৰিলে নেন'স্ফটিকবোৰ বিষাক্ত নহয়, ই কোষৰ কাৰ্য্যক্ষমতা ৰক্ষা কৰাৰ লগতে পাৰাৰ আয়নক ফলপ্ৰসূভাৱে নিৰীক্ষণ কৰে। এই অগ্ৰগতি সন্দৰ্ভত মন্তব্য কৰি গুৱাহাটী আইআইটিৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক সৈকত ভৌমিকে কয়, "এই পেৰ'ভস্কাইট নেন'স্ফটিকবোৰৰ এটা স্বকীয় বৈশিষ্ট্য হ'ল ইয়াৰ সংকীৰ্ণ নিৰ্গমন প্ৰণালী, যিটো ধাতু ধৰা পেলোৱাৰ ক্ষেত্ৰত উচ্চ সংকেত-শব্দ অনুপাতৰ সংবেদনশীলতা উন্নত কৰাৰ বাবে উপযোগী। পৰম্পৰাগত ইমেজিং পদ্ধতিয়ে প্ৰায়ে পোহৰৰ বিকিৰণৰ সৈতে সংগ্ৰাম কৰে, যাৰ ফলত গভীৰ কোষ স্তৰৰ পৰা স্পষ্ট ছবি ধৰাটো কঠিন হৈ পৰে। কিন্তু পেৰ'ভস্কাইট নেন'স্ফটিকসমূহৰ মাল্টিফ'টন শোষণৰ ক্ষমতাই এই সীমাবদ্ধতা অতিক্ৰম কৰে, যাৰ ফলত স্পষ্ট আৰু অধিক বিশদ ইমেজিঙৰ সুবিধা হয়। এই গুণসমূহে ইহঁতক চিকিৎসা আৰু জৈৱিক গৱেষণাৰ উন্নত প্ৰতিসৰণ ইমেজিঙৰ বাবে আদৰ্শ কৰি তুলিছে।" এই গৱেষণাৰ সম্ভাব্য প্ৰয়োগৰ ক্ষেত্ৰখন বিষাক্ত পাৰা ধৰা পেলোৱাৰ উপৰিও আৰু অধিক বিস্তৃত। এই নেন'স্ফটিকসমূহে জৈৱিক ব্যৱস্থাত অন্যান্য বিষাক্ত ধাতু চিনাক্তকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে আৰু ঔষধ প্ৰদানৰ বাবেও ইয়াক খাপ খুৱাব পাৰি, যাৰ ফলত চিকিৎসাৰ কাৰ্যকাৰিতা প্ৰকৃত সময়ত নিৰীক্ষণ কৰিব পৰা যাব। এই গৱেষণাৰ তথ্যসমূহ "জাৰ্নেল অৱ মেটেৰিয়েলছ কেমিষ্ট্ৰি" আৰু "মেটেৰিয়েলছ টুডে কেমিষ্ট্ৰি"কে ধৰি আগশাৰীৰ গৱেষণামূলক আলোচনীসমূহত প্ৰকাশ পাইছে। এই প্ৰবন্ধসমূহ প্ৰকাশ কৰি উলিয়াইছে অধ্যাপক সৈকত ভৌমিক আৰু তেওঁৰ গৱেষণা দলৰ অন্যান্য সহযোগী অধ্যাপক ক্ৰমে চন্দন গোস্বামী, আশুতোষ মহাপাত্ৰ, কাজল চাহু, তুষাৰ কান্ত আচাৰ্য, সতীশ কুমাৰ আৰু নিশান্ত কুমাৰ ডুবেই। আইআইটি গুৱাহাটীৰ এই অত্যাধুনিক গৱেষণাৰ অভিনৱ বিকাশে দীৰ্ঘদিন ধৰি চলি থকা বিশ্বজনীন প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ সম্ভাৱনাক আৰু অধিক উজ্জ্বল কৰি তুলিছে, যাৰ ফলত স্বাস্থ্যসেৱা আৰু পৰিৱেশ বহনক্ষমতা উভয় ক্ষেত্ৰতে সুদূৰ প্ৰসাৰী পৰিৱৰ্তন সাধন হ'ব বুলি আশা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰাখণ্ডত ইউচিচি প্ৰযোজ্য

ৰাজনৈতিক আৰু সামাজিক মহলত যথেষ্ট বিতৰ্কৰ সৃষ্টি কৰা ইউচিচি কাৰ্যকৰী কৰা দেশৰ প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে উত্তৰাখণ্ড। উল্লেখ্য যে, এই ঐতিহাসিক বিধেয়কখন ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত উত্তৰাখণ্ড বিধানসভাত গৃহীত হৈছিল। প্ৰায় এবছৰৰ অন্তত মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামী নেতৃত্বাধীন বিজেপি চৰকাৰে এই আইন কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লয়। এই নিয়ম কাৰ্যকৰী কৰাৰ বাবে সোমবাৰে বিয়লি মুখ্যমন্ত্ৰী ধামীয়ে আনুষ্ঠানিক অধিসূচনা জাৰি কৰে। ইতিমধ্যে এই নিয়ম কাৰ্যকৰী কৰিবলৈ এটা বিশেষ পৰ্টেল আৰু মোবাইল এপ মুকলি কৰাৰ পৰিকল্পনা কৰা হৈছে। নাগৰিকৰ সুবিধাৰ বাবে আবেদনৰ পৰা পঞ্জীয়নলৈকে সমগ্ৰ প্ৰক্ৰিয়াটো অনলাইনযোগে সম্পূৰ্ণ কৰা হ'ব। সোমবাৰে আনুষ্ঠানিকভাৱে মুকলি কৰা হয় পৰ্টেল আৰু এপটো। তদুপৰি নতুন আইনখনৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে ইয়াৰ সঠিক ৰূপায়ণৰ বাবে চৰকাৰী বিষয়াসকলক প্ৰশিক্ষণ দিয়াৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কাৰ্যকৰী হোৱা এই নতুন আইনখনে উত্তৰাখণ্ডৰ সামাজিক আৰু আইনী গাঁথনিত বৃহৎ পৰিৱৰ্তন আনিবলৈ সাজু হৈছে। বিবাহৰ বাবে পঞ্জীয়ন বাধ্যতামূলক কৰা হৈছে। যদিও পঞ্জীয়ন অবিহনে বিবাহ বৈধ হৈ থাকিব, তথাপিও আইনী স্বীকৃতি আৰু চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হ'ব। বিয়া হৈ থকাৰ সময়ত দ্বিতীয়বাৰ বিয়া কৰিব নোৱাৰিব। বিবাহৰ ন্যূনতম বয়স পুৰুষৰ ২১ বছৰ আৰু মহিলাৰ ১৮ বছৰ নিৰ্ধাৰণ কৰা হৈছে। এই নিয়ম সকলো ধৰ্মৰ নাগৰিকৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। সামাজিক বিবাহৰ পিছত ছমাহৰ ভিতৰত পঞ্জীয়ন বাধ্যতামূলক কৰা হৈছে। ইফালে, লিভ-ইন ৰিলেচনত এই আইন অধিক কঠোৰ পৰিলক্ষিত হয়। আনুষ্ঠানিকভাৱে লিভ-ইন সম্পৰ্ক পঞ্জীয়ন নকৰিলে সৰ্বোচ্চ তিনি মাহৰ কাৰাদণ্ড আৰু ১০ হাজাৰ টকা জৰিমনা বিহা হ'ব পাৰে। যদি কোনো ব্যক্তিয়ে তথ্য লুকুৱাই ৰাখে তেন্তে ছমাহৰ কাৰাদণ্ড আৰু ২৫ হাজাৰ টকা জৰিমনা হ'ব পাৰে। ঘৰ ভাড়ালৈ দিওঁতে লিভ-ইন দম্পতীৰ তথ্য লুকুৱাই ৰাখিলেও শাস্তি পাব পাৰে। অন্যহাতে, ইউনিফৰ্ম চিভিল কোড ৰূপায়ণে সামাজিক শৃংখলা বজাই ৰাখিব বুলি চৰকাৰে দাবী কৰিলেও বিৰোধীসকলে কয় যে এই আইনখন ব্যক্তিগত স্বাধীনতাত হস্তক্ষেপ। আইনখন কাৰ্যকৰী কৰাৰ সন্দৰ্ভত বিভিন্ন স্তৰত বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অনেকৰ মতে ইয়ে আইনী কাঠামোক আৰু অধিক সংগঠিত কৰিব, আনহাতে আন একাংশৰ মতে এই আইন ৰূপায়ণৰ ফলত মানুহৰ ব্যক্তিগত অধিকাৰ হ্ৰাস পাব পাৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিমা হাছাওত এতিয়াও চলিয়েই আছে

হাচাওৰ তিনি কিলোত অবৈধ কয়লাখনিত কয়লা খনন কৰি থকাৰ সময়তে ৯জনকৈ শ্ৰমিক সুৰংগ আৱদ্ধ হৈ পৰিছে। ইয়াৰে চাৰিটা মৃতদেহ উদ্ধাৰ হৈছে দিও ৫টা মৃতদেহ আজিও সুৰংগতে সোমাই আছে। এই কাণ্ডত শাসকীয় বিজেপি দলৰ লোক জড়িত আছিল। খোদ ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাই জড়িত আছিল। যিটো ৯ শ্ৰমিকে প্ৰাণ হেৰুৱাই সেই খনিটো অসম খনিজ উন্নয়ন নিগমে কণিকা হোজাইক খনন কৰিবলৈ অনুমতি দিছিল। সেই খনিটোতে ৯ শ্ৰমিকে প্ৰাণ হেৰুৱাই। এই ঘটনা সংঘটিত হৈছিল ৬ জানুৱাৰীত। ৬ জানুৱাৰীৰ পিছতে অসমৰ বিৰোধী দলসমূহে সৰৱ হৈছিল। ঘটনাৰ উচিত তদন্ত কৰিবলৈ দাবী জনোৱাত মুখ্যমন্ত্ৰীয়ে ন্যায়িক তদন্ত ঘোষণা কৰাৰ লগতে ৰেট হোল মাইনিং তথা সকলো অবৈধ কয়লাৰ বন্ধ কৰিবলৈ কঠোৰ নিৰ্দেশ দিছিল। তাৰ পিছতে চৰকাৰ, আৰক্ষী, প্ৰশাসন ৰেট হোল মাইনিং বন্ধ কৰিবলৈ উঠি-পৰি লাগিছিল। ১৮ জানুৱাৰীৰ পৰা তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত ৰেট হোল মাইনিং বন্ধ কৰিবলৈ অভিযান চলিছিল। আৰক্ষী প্ৰশাসনে মাৰ্ঘেৰিটাত অবৈধ ৰেট হোল মাইনিং বন্ধ কৰি দিয়ে। বিদ্যুৎ সংযোগ ব্যাহত কৰাৰ লগতে খনন সঁজুলি জব্দ কৰা হৈছিল। ১৯ জানুৱাৰীত উজনি অসম ভ্ৰমণ কৰি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এই লৈ প্ৰতিক্ৰিয়া দিছিল। অসম-অৰুণাচল সীমান্তৱৰ্তী এলেকা ভ্ৰমণৰত জি.পি সিঙে কয় যে মুখ্যমন্ত্ৰী জ্ঞাত হৈছে যে মাৰ্ঘেৰিটা, লিডু, লেখাপানী আদি এলেকাত ৰেট হোল মাইনিং চলি আছে। স্থানীয় প্ৰশাসন, কোল ইণ্ডিয়াকে ধৰি বিভিন্ন স্থানীয় সংস্থাক এক সপ্তাহৰ ভিতৰত সকলো ৰেট হোল মাইনিং বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তাৰ লগতে ডিজিপিয়ে কৈছিল উমৰাংছুত আজি অভিযান চলোৱা হৈছে। উমৰাংছুৰ খনন চলি থকা খনি পোৱা হোৱা নাই। ডিজিপি সিঙে উমৰাংছুত খনন চলি থকা নাই বুলি কোৱা হৈছিল। দিও আজিও ডিমা হাচাওৰ উমৰাংছু এলেকাত অবৈধ কয়লাৰ খনন চলি আছে। এই দাবী সংবাদমাধ্যমে কৰা নাই। এই দাবী কৰিছে অসম জাতীয় পৰিষদে। বিৰোধী দলৰ ভূমিকা পালন কৰি অবৈধ খনন চলি থকাৰ তথ্য জাহিৰ কৰি আৰু এই অবৈধ খননত বিজেপিৰ লোক জড়িত থকাৰ কথা কথা বাৰে বাৰে উল্লেখ কৰিছে। অসম জাতীয় পৰিষদে গুৱাহাটীত সংবাদমেল পাতি অবৈধ কয়লাৰ খনন চলি থকাৰ দাবী কৰিছে। কিন্তু এইবাৰ গুৱাহাটীত নহয় চৰজমিন তদন্ত কৰিছে অসম জাতীয় পৰিষদে। অল পাৰ্টি হিলছ লিডাৰ্ছ কনফাৰেন্স আৰু অসম জাতীয় পৰিষদৰ নেতাৰ নেতৃত্বত এটা সঁজাতী দলে চৰজমিন তদন্ত কৰে। উমৰাংছুৰ কেইবাখনো পাহাৰত সঁজাতী দলে দলে-বলে উপস্থিত হৈ যি দেখিলে সেয়া আছিল ভয়ংকৰ। আজিও উমৰাংছুত খনন চলি থকাৰ ভয়াবহ সত্য উদঘাটন কৰিছে। এই সঁজাতী দলটোক আছিল অসম জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি জগদীশ ভূঞা। জগদীশ ভূঞা আৰু জনছ ইংতি কাথাৰে উমৰাংছুৰ পাহৰৰ পৰাই কমেও কুৰিখন ফটো তেওঁওলোকৰ নিজ ফেচবুক একাউন্টত শ্বেয়াৰ কৰিছে। ফটোসমূহত দেখা যায় যে পাহাৰৰ ওপৰতে সদ্য খনন কৰা কয়লা দম দম কৰি থোৱা আছে। ৰেট হোল মাইনিং কৰা বহু গাত উদ্ধাৰ হয়। যিসমূহ শেহতীয়াকৈ খনন কৰা গাত। এই দৃশ্য দেখি আঁচৰিত হৈ পৰে সঁজাতীয় দলটো। জগদীশ ভঞাই তিনিটা ফেচবুক পোষ্টত উমৰাংছুৰ খনন চলি থকাৰ কথা দাবী কৰিছে। তিনিটা 'স্নেপশ্বট' যোগে তিনিটা পোষ্ট শ্বেয়াৰ কৰি তথ্যসমূহ প্ৰকাশ কৰিছে। স্নেপশ্বট-১ত জগদীশ ভঞাই কয় যে আজি কাৰ্বি আংলং জিলাৰ কয়লাৰ ক'লা সাম্ৰাজ্যলৈ আহিলো। প্ৰকৃতি ধ্বংসৰ কি ভয়াবহ দৃশ্য! পৃথিৱীৰ কোনো সু-সভ্য দেশত চৰকাৰৰ পৃষ্ঠপোষকতাত এইদৰে প্ৰকৃতি ধ্বংস চলিব পাৰে নে? ইখনৰ পিছত সিখন পাহাৰৰ ধ্বংসযজ্ঞ নিজ চকুৰে দেখিলো। এই ধৰণে চলি থকা প্ৰকৃতিৰ নিদাৰুণ সংহাৰ চৰকাৰে নাজানে নেকি? যদি নাজানে, ইমান অদক্ষ আৰু অকৰ্মণ্য চৰকাৰৰ ক্ষমতাত থকাৰ অধিকাৰ নাই আৰু যদি জানে, এই কাম চৰকাৰৰ আশীৰ্বাদত চলি আছে। চৰকাৰে যদি নাজানে, এয়া আমি দেখুৱাই দিলো। এতিয়া চৰকাৰে এইসমূহ বন্ধ কৰক। যিসকলে এইসমূহ অবৈধ কাম কৰি আছিল সেইসকলক গ্ৰেপ্তাৰ কৰি আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰক। ভূগৰ্ভ লুণ্ঠন কৰা এই দিন ডকাইতসকলক সহায় কৰাৰা বাবে জিলা প্ৰশাসন, আৰক্ষী, পৰিবহন, বন বিভাগৰ সংশ্লিষ্ট বিষয়াসকলকো গ্ৰেপ্তাৰ কৰক। যিসকলে এই অবৈধ কয়লা ক্ৰয় কৰিছিল সেইসকলৰ বিৰুদ্ধে তদন্ত কৰক। এই অবৈধ কয়লাসমূহ সৰবৰাহ কৰিবৰ বাবে চৰকাৰী ভাবে সুবিধা কৰি দিয়া এএমডিচিৰ পৰিচালন সঞ্চালক আনন্দ নটৰাজনক গ্ৰেপ্তাৰ কৰক। যেতিয়ালৈকে এই ক'লা সাম্ৰাজ্য বন্ধ নহয় তেতিয়ালৈকে আমাৰ যুঁজ চলাই নিম। স্নেপশ্বট-১ত জগদীশ ভঞাই কয় যে অবৈধ ভাবে ভূগৰ্ভ লুণ্ঠন কৰি খনন কৰা কয়লা ভাণ্ডাৰৰ দৃশ্যাংশ। এয়া চৰকাৰ বাহাদুৰৰৰ আৰক্ষী, প্ৰশাসন, বন বিভাগে নাই দেখা যদি দেখুৱাই দিলো। ব্যৱস্থা ল'ব নে? স্নেপশ্বট-১ত জগদীশ ভঞাই কয় যে কাৰ্বি আংলং জিলাৰ কয়লাৰ ক'লা সাম্ৰাজ্য। এয়া ৰেট-হ'ল মাইনিঙৰ দৃশ্য। কয়লাজান অঞ্চলৰ এইসমূহ অবৈধ ৰেট-হ'ল মাইনিং। মোৰ লগত এই যাত্ৰাত এপিএইচএলচিৰ মুৰব্বী জন ইংতি কাথাৰ ডাঙৰীয়াৰ লগতে বহু সাংবাদিক বন্ধুৱে সহযোগ কৰিছিল। ভয়াবহ ৰূপত অবৈধ ৰেট-হ'ল মাইনিং চলি আছে। চৰকাৰ বাহাদুৰে, জিলা প্ৰশাসনে, আৰক্ষীয়ে, বন বিভাগে, পৰিবহন বিভাগে নাজানে! বিশ্বাশযোগ্য নে? প্ৰকৃতি প্ৰেমী সংগঠন, ব্যক্তি, সকলো ৰাজনৈতিক, অ-ৰাজনৈতিক দল আৰু সংগঠনক এই প্ৰকৃতি আৰু ভূগৰ্ভ লুণ্ঠন কৰা কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আহ্বান জনালো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইণ্ডোনেছিয়াত ভাৰতীয় ডিএনএ!

দেহত আছে ভাৰতীয় ডিএনএ। গণৰাজ্য দিৱস উপলক্ষে দেওবাৰে ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত ভোজমেলত ভাৰতৰ সৈতে ঐতিহাসিক সম্পৰ্কৰ কথা ক'বলৈ গৈ এই মন্তব্য কৰে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে। তেওঁ ৰসিকতাৰে কয় যে ভাৰতীয় গীত শুনিলেই তেওঁ নাচিবলৈ আৰম্ভ কৰে। তেওঁৰ এই মন্তব্যই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপস্থিত অতিথিসকলৰ মাজত হাঁহিৰ খোৰাক যোগায়। উল্লেখ্য যে, ৰাষ্ট্ৰপতি ছুবিয়ানটোৱে এই বিশেষ গণৰাজ্য দিৱস অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত নৈশ ভোজত প্ৰধানমন্ত্ৰী, উপ-ৰাষ্ট্ৰপতি, কেন্দ্ৰীয় মন্ত্ৰী আৰু শীৰ্ষ সামৰিক বিষয়াসকল উপস্থিত থাকে। সেই নৈশ ভোজতে ছুবিয়ানোৱে কয়, "কেইদিনমান আগতে মোৰ ডিএনএ পৰীক্ষা কৰা হৈছিল। দেখা গ'ল যে মোৰ শৰীৰত ভাৰতীয় ডিএনএ আছে। ভাৰতীয় গীত শুনিলেই মই নাচিবলৈ আৰম্ভ কৰোঁ, কাৰণ ভাৰতৰ মোৰ হৃদয়ত আছে।" এই মন্তব্যৰ সমান্তৰালকৈ ছুবিয়ানটোৱে ইণ্ডোনেছিয়া আৰু ভাৰতৰ সভ্যতা আৰু সংস্কৃতিৰ প্ৰাচীন সংযোগৰ কথা মনত পেলাই দিয়ে। তেওঁ কয় যে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সম্পৰ্ক গভীৰ আৰু ঐতিহাসিক। তেওঁ কয়, "আমাৰ ভাষাৰ এক বৃহৎ অংশ সংস্কৃতৰ পৰাই আহিছে। আমাৰ নামৰ পৰা আৰম্ভ কৰি আমাৰ অস্তিত্বলৈকে আমাৰ সংস্কৃতিৰ বহু দিশ ভাৰতীয় প্ৰভাৱৰ সৈতে জড়িত। মোৰ বিশ্বাস ভাৰত আমাৰ জিনত আছে।" অন্যহাতে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে ছুবিয়ানটোৰ ভ্ৰমণৰ সময়ত কেইবাটাও গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হয়। সামুদ্ৰিক নিৰাপত্তাৰ ক্ষেত্ৰত সমন্বয় বৃদ্ধিৰ বাবে দুয়োখন দেশৰ সহমতত উপনীত হৈছে। মালাকা জলদ্বীপ আৰু ছিংগাপুৰ জলদ্বীপৰ মাজেৰে নিৰাপদে যাত্ৰাৰ বাবে সহযোগিতা বৃদ্ধিৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। ইণ্ডোনেছিয়াই ভাৰতত নিৰ্মিত প্ৰতিৰক্ষা সঁজুলি ক্ৰয়ৰ বাবেও আগ্ৰহ প্ৰকাশ কৰিছে। এই ভ্ৰমণে দুয়োখন দেশৰ কূটনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এখন মোনা, বিস্ফোৰণৰ শব্দক লৈ

সৃষ্টি কৰে। গণৰাজ্য দিৱসৰ কেইবাটাও দিন পূৰ্বৰ পৰা গুৱাহাটীত আৰক্ষীয়ে ব্যাপক তালাচী, পৰিত্যক্ত এলেকাত মেটেল ডিটেকক্টৰ লৈ পৰীক্ষা কৰি থকা পৰিলক্ষিত হৈছিল। তাৰ মাজতো আলফা স্বাধীনে বোমা স্থাপন কৰাৰ সন্দেহ কৰা হৈছে। স্বাধীনতা দিৱসৰ দৰেই গণৰাজ্য দিৱসটো গুৱাহাটীৰ কেইবা ঠাইত বোমাতংকৰ ঘটনা সংঘটিত হয়। মহানগৰীৰ লালমাটি ব্ৰহ্মপুত্ৰ পাচলি বজাৰ, আইএছবিটি, বেহাৰবাৰীত বোমাতংকৰ সৃষ্টি হয়। বিস্ফোৰণৰ শব্দও শুনা যায়। ৰহস্যজনক বিস্ফোৰণৰ পিছতে বোম স্কোৱাড, স্নিফাৰ ডগ লৈ বৃহৎ আৰক্ষীৰ দল উপস্থিত হৈ ঘটনাৰ তদন্ত কৰিছিল। মহানগৰীৰ লালমাটিৰ ব্ৰহ্মপুত্ৰ পাচলি বজাৰত বিস্ফোৰণৰ শব্দ গৈছিল। প্ৰচণ্ড শব্দত লালমাটিৰ ব্ৰহ্মপুত্ৰ পাৰ্কিং আৰু বজাৰ কঁপি উঠিছিল। তীব্ৰ আতংকৰ সৃষ্টি হৈছিল। কিন্তু আৰক্ষীয়ে গাড়ীৰ গ্লাছ ফটা বুলি দাবী কৰিছিল। দ্বিতীয়টো বিস্ফোৰণৰ সন্দেহ কৰা হয় মহানগৰীৰ সদাব্যস্ত আইএছবিটিত। আইএছবিটিত বিস্ফোৰণৰ প্ৰচণ্ড শব্দ শুনিছিল তাত উপস্থিত থাকে লোকসকলে। মুখ্য পথ বন্ধ কৰি অভিযান চলাইছিল আৰক্ষীয়ে। আজি গণৰাজ্য দিৱসৰ পুৱাই মহানগৰীৰ আন কেইবাটাও ঠাইত বোমাতংকৰ পৰিৱেশৰ সূচনা হৈছিল। বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰে আলফা স্বাধীন। বিদ্ৰোহী সংগঠনটোৱে কয় যে সশস্ত্ৰ প্ৰতিবাদ অসমৰ থলগিৰি জনগণৰ বিৰুদ্ধে তথা জনগণৰ জীৱনৰ ক্ষতি-বিঘিনিৰ বাবে নহয়। ই কেৱল ঔপনিৱেশিক শাসকৰ বাবে এক বাৰ্তা। আলফা স্বাধীনে বিবৃতি যোগে কয় যে আমাৰ সংগঠনক বিভিন্ন বিশেষ্য-বিশেষণেৰে তুচ্ছ-তাচ্ছিল্য কৰি ঔপনিৱেশিক ৰাষ্ট্ৰৰ ১৫ আগষ্টৰ তথা-কথিত স্বাধীনতা দিৱস আৰু ২৬ জানুৱাৰীৰ তথা-কথিত গণৰাজ্য দিৱস জাকজমকতাৰে উদযাপন কৰি থলগিৰি জনগণৰ মনৰ পৰা অসমৰ গৌৰৱোজ্জ্বল স্বাধীনতাৰ চিন্তা-চেতনাক নিঃশেষ কৰাৰ যি অভিষন্ধি সেয়া কেতিয়া আমি মানি লব নোৱাৰো। ই কেতিয়াও সম্ভৱ নহয়। সেয়েহে আমাৰ এই সশস্ত্ৰ প্ৰতিবাদ। অসমৰ হেৰুৱা স্বাধীনতা যেতিয়ালৈকে পুনৰ প্ৰতিষ্ঠা নহয় তেতিয়ালৈকে ঔপনিৱেশিক ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে এনে প্ৰতিবাদ অব্যাহত থাকিব। যিদিনাই ভাৰতীয়ই অসমক অসমৰ স্বাধীনতা ফিৰাই দিব সিদিনা পৰা আমিও ভাৰতীয়সকলৰ স্বাধীনতা আৰু গণতন্ত্ৰক স-সন্মানেৰে স্বীকৃতি প্ৰদান কৰিম। আনহাতে ঔপনিৱেশিক ৰাষ্ট্ৰ সামৰিক কোষ বিলাকে আমাৰ প্ৰতিবাদ ৰোধ কৰিবলৈ যিমানেই নিছিদ্ৰ নিৰাপত্তাৰ আৱৰণ গঢ়ি নোতোলক কিয়, আমাৰ প্ৰয়োজন অনুসৰি আমি অসমৰ যিকোনো প্ৰান্তত আমাৰ সশস্ত্ৰ কাৰ্যসূচী ৰূপায়ন কৰিব পাৰো। যিহেতু গুৱাহাটী অসমৰ প্ৰাণকেন্দ্ৰ, সেয়েহে সাধাৰণ জনগণৰ কোনো হানি-বিঘিনি নোহোৱাকৈ জনগণলৈ এক বাৰ্তা প্ৰেৰণ কৰা হৈছে যাতে অনাগত দিনত ঔপনিৱেশিক ৰাষ্ট্ৰৰ ওপৰত উল্লিখিত দুই কাৰ্য্যসূচীত অংশ লোৱাৰ পৰা বিৰত থাকে। কিয়নো, যোৱা ১৫ আগষ্ট আৰু আজিৰ ২৬ জানুৱাৰীত আমি জনগণৰ জীৱনৰ নিৰাপত্তাৰ কথা চিন্তা কৰি সমীত কাৰ্য্যসূচী ৰূপায়ণ কৰিলো। বিপৰীতে অনাগত দিনত এনে কাৰ্য্যসূচী সৰ্বাত্মক ৰূপত ৰূপায়ন কৰা হ'ব পাৰে- কয় আলফা স্বাধীনে। স্বাধীনতা দিৱসৰ দৰে যাতে গুৱাহাটীত বিদ্ৰোহী সংগঠনে কুটাঘাট সংঘটিত কৰিব নোৱাৰে তাৰ বাবে গুৱাহাটী আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। তাৰ পাছতো গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত বিদ্ৰোহী গোটে মহানগৰীত প্ৰৱেশ কৰি কুটাঘাত সংঘটিত কৰাৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিজিপিৰ অতিৰিক্ত দায়িত্ব হৰমিৎ

**ই-সংবাদ, ২৭ জানুৱাৰীঃ** তদানীন্তন অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙৰ স্থলাভিষিক্ত হ'ব আইপিএছ তথা বৰ্তমান বিশেষ আৰক্ষী সঞ্চালক প্ৰধান হিচাপে দায়িত্ব পালন কৰি অহা হৰমিৎ সিং। আজি ৰাজ্য চৰকাৰৰ গৃহ বিভাগে অসম আৰক্ষীৰ ভাৰপ্ৰাপ্ত সঞ্চালক প্ৰধান নিযুক্তি দিছে হৰমিৎ সিঙক। বিশেষ ডিজিপি হৰমিৎ সিঙক ডিজিপিৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। জি.পি সিঙে বিশেষ ডিজিপি হৰমিৎ সিঙক দায়িত্ব কেতিয়া হস্তান্তৰ কৰিব সেই কথা জানিব পৰা হোৱা নাই। গৃহ বিভাগে এক নিৰ্দেশনা যোগে কৈছে যে স্থায়ী ডিজিপি নিযুক্তি নিদিয়া পৰ্যন্ত বিশেষ ডিজিপি হৰমিত সিঙক পূৰ্বৰ দায়িত্বৰ লগতে ডিজিপিৰ কৰ্তব্যসমূহ চোৱাচিতা কৰিবলৈ অনুমতি দিয়া হৈছে। ইপিনে অসম এৰিবলৈ সাজু হৈছে তদানীন্তন অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিং। গৃহ আৰু ৰাজনৈতিক আয়ুক্ত আৰু সচিব বিশ্বজিৎ পেগুৱে এক জাননীত কয় যে দায়িত্ব হস্তান্তৰৰ তাৰিখৰ পৰা জি.পি সিঙক মুকলি কৰি দিয়া হৈছে। অসমৰ আৰক্ষী সঞ্চালক প্ৰধান হিচাপে দুবছৰীয়া কাৰ্যকাল সমাপ্তি কৰিছে জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙে। ১৯৯১ চনৰ অসম-মেঘালয় কেডাৰৰ আইপিএছ জি.পি সিঙে ২০২৩ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৈ আছিল। ২৭ জানুৱাৰীত কেন্দ্ৰীয় ৰিজাৰ্ভ আৰক্ষী বাহিনীত সঞ্চালক প্ৰধান হিচাপে যোগদান কৰিব। ডিজিপি সিং ২০২৭ চনৰ নৱেম্বৰ পৰ্যন্ত অৱসৰ লৈকে বা পৰৱৰ্তী আদেশ লৈকে চিআৰপিএফৰ ডিজি হ'ব। সিঙে ২০১৯ চনৰ ডিচেম্বৰত ৰাজ্যখনত নাগৰিকত্ব বিৰোধী সংশোধনী আইন বিৰোধী আন্দোলনৰ সময়ত অতিৰিক্ত ডিজিপি (আইন-শৃংখলা) হিচাপে অসমলৈ কেন্দ্ৰীয় ডেপুটেচনত উভতি আহিছিল। নাগৰিকত্ব আইনৰ বিৰুদ্ধে হিংসাত্মক আন্দোলন দমন কৰিবলৈ ৰাজ্যলৈ ঘূৰাই পঠোৱাৰ পূৰ্বে নতুন দিল্লীত এনআইএৰ আইজিপি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ ভৱনত গণৰাজ্য দিৱসত বিশেষ

আকাশত উৰি থকাৰ বাবে কংগ্ৰেছ দলে নিৰৱচ্ছিন্নভাৱে কাম কৰাৰ সময়। কংগ্ৰেছে অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে যুঁজ দিয়াটো অসমৰ ৰাইজে বিচাৰিছে। আজি ৰাজীৱ ভৱনলৈ আহি মই তাৰ সুগন্ধি লাভ কৰিছো। এই মন্তব্য বিশিষ্ট গান্ধীবাদী নেতা হেম ভাইৰ। ৰাজীৱ ভৱনত দেশৰ ৭৬ সংখ্যক গণতন্ত্ৰ দিৱস উপলক্ষে পতাকা উন্মোচনৰ পিছত বৈষ্ণৱ পণ্ডিত হেমভাইয়ে ৰাজীৱ ভৱনত সম্বৰ্ধনা গ্ৰহণ কৰি কংগ্ৰেছেহে অন্যায়-অবিচাৰৰ বিৰুদ্ধে যুঁজ দি সুশাসন আনিব পাৰিব বুলি উল্লেখ কৰে। স্বাধীনতা সংগ্ৰামী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ কন্যা সত্যশ্ৰী দাসে সম্বৰ্ধনা গ্ৰহণ কৰি কৰি কয় যে কংগ্ৰেছৰ প্ৰতি মানুহৰ আস্থা, বিশ্বাস আছে। মহাত্মা গান্ধীয়ে অহিংসাৰ বাণী লৈ কংগ্ৰেছক শক্তিশালী কৰিছিল, সেই কংগ্ৰেছেহে দেশৰ সংবিধান আৰু পতাকা সুৰক্ষিত কৰিব পাৰিব। দীঘলীয়া ভাষণত গান্ধীবাদী নেতা হেমভাইয়ে বিনোভা ভাৱেৰ সৈতে কৰা কামৰ, সৰ্বোদয় আন্দোলনৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে গান্ধীৰ আদৰ্শ আৰু নীতি মানুহৰ মাজলৈ নিবলৈ আৰু ডেকা শক্তিক এনেদৰে দেখি মন আন্দোলিত হোৱা বুলি কয়। ইয়াৰ পূৰ্বে ৰাজীৱ ভৱনত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই জাতীয় পতাকা উন্মোচন কৰে। জনগণৰ সন্মুখত আহি পৰা প্ৰত্যাহ্বানসমূহ সাহসেৰে যুঁজ দিবলৈ, দেশৰ সংবিধান, গণতন্ত্ৰক শক্তিশালী কৰাৰ স্বাৰ্থত আজিৰে পৰা অধিক সুদৃঢ়ভাৱে কাম কৰি যাবলৈ সকলো কংগ্ৰেছ কৰ্মীক কাম কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত প্ৰাক্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ বোৱাৰী প্ৰিয়ম চলিহাকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। প্ৰদেশ কংগ্ৰেছৰ সেৱা দলে সুশৃংখলিতভাৱে আয়োজন কৰা গণতান্ত্ৰিক দিৱসৰ কাৰ্যসূচীত কেইবাশ লোকে অংশগ্ৰহণ কৰে আৰু জ্যেষ্ঠ কংগ্ৰেছ নেতাসকলৰ লগতে কংগ্ৰেছ দলৰ সকলো শাখাৰ মুৰব্বীসকল উপস্থিত থাকে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, প্ৰাক্তন ৰাজ্যিক সভাপতি ৰিপুণ বৰা, প্ৰাক্তন সাংসদ কিৰিপ চলিহা, প্ৰাক্তন সাংসদ বলিন কুলী, বিধায়িকা নন্দিতা দাস, লাহৰীঘাটৰ বিধায়ক আছিফ মহম্মদ নাজৰ, কংগ্ৰেছৰ উপ-সভাপতি নৃপেন ঠাকুৰীয়া, ৰূপা দেউৰী, ৰামান্না বৰুৱা, গুণকান্ত গগৈ, শৈলেন সোণোৱালকে ধৰি কংগ্ৰেছৰ সকলো নেতা গণৰাজ্য দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে। কাৰ্যসূচী পৰিচালনা কৰে প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সম্পাদক বিপুল গগৈয়ে। সম্বৰ্ধনাৰ শেষত সভাপতি ভূপেন বৰা আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ উপস্থিতিত ৰাজীৱ ভৱনত কংগ্ৰেছৰ সেৱা দলৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰেমিকৰ কোঠাত প্ৰেমিকাৰ আত্মহত্যা!

গুৱাহাটীৰ চুকে-কোণে বাৰে বাৰে ৰহস্যজনক অৱস্থাত যুৱতীৰ মৃতদেহ উদ্ধাৰ হৈ গৈছে। আপদীয়া খবৰে কেৱল গুৱাহাটীবাসীকে নহয়, সমগ্ৰ ৰাজ্যবাসীক চিন্তিত কৰিছে। ইগৰাকীৰ পিছত সিগৰাকী যুৱতীৰ ৰহস্যজনক অৱস্থাত মৃতদেহ উদ্ধাৰৰ ঘটনা ঘটিয়েই আছে যদিও এই ঘটনা থমকি ৰোৱাৰ নাম লোৱা নাই। বিগত প্ৰায় এটা মাহৰ ভিতৰত প্ৰায় সাত গৰাকী যুৱতৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছে। নতুন বছৰৰ প্ৰথমটো মাহ সমাপ্ত হোৱাৰ দিশে আগবাঢ়িছে যদিও মৃতদেহ উদ্ধাৰ হৈ গৈয়ে আছে। এইবাৰ মহানগৰীত উদ্ধাৰ হৈছে এগৰাকী জনজাতীয় যুৱতীৰ মৃতদেহ। সেয়াও ৰহস্যজনক অৱস্থাত। যুৱতীগৰাকী ২১ বছৰীয়া জন্মেশ্বৰী বসুমতাৰী বুলি জানিব পৰা গৈছে। চানমাৰি আৰক্ষী থানা এলেকাৰ গান্ধীবস্তিৰ প্ৰেমিক ইন্দ্ৰজিৎ পাইটৰ ভাড়াঘৰত উদ্ধাৰ হয় মৃতদেহটো। ইতিমধ্যে চানমাৰি আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। মৃতদেহ উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে প্ৰেমিক ইন্দ্ৰজিৎ পাইটক গ্ৰেপ্তাৰ কৰিছে। জন্মেশ্বৰী বসুমতাৰী আৰু ইন্দ্ৰজিৎ পাইটৰ ঘৰ হৈছে ধেমাজিৰ চিমেনচাপৰিত। জানিব পৰা মতে, ২৬ জানুৱাৰীত ইন্দ্ৰজিৎ পাইটৰ আহ্বানত গুৱাহাটীৰ ভাড়াঘৰলৈ লৈ আহিছিল জন্মেশ্বৰী। গুৱাহাটীলৈ অহাৰ পিছতে জন্মেশ্বৰীয়ে ইন্দ্ৰজিৎ পাইটক বিয়াৰ প্ৰস্তাৱ দিছিল। বিয়া পতাৰ প্ৰস্তাৱ প্ৰত্যাখানৰ বাবেই যুৱতীগৰাকীয়ে চৰম সিদ্ধান্ত লোৱাৰ সন্দেহ কৰা হৈছে। ইয়াৰে পূৰ্বে ১৮ জানুৱাৰীত গীতানগৰৰ মনালিছা পথৰ ভাড়াঘৰত জ্যোতিস্মিতা গগৈ নামৰ যুৱতীৰ মৃতদেহ উদ্ধাৰ হয়। ব্যক্তিগত কোম্পানীত কৰ্মৰত লখিমপুৰৰ জ্যোতিস্মিতা গগৈৰ মৃতদেহ ভাৰাঘৰৰ কোঠাত চিপ লোৱা অৱস্থাত উদ্ধাৰ হয়। ইয়াৰ পূৰ্বে ৯ জানুৱাৰীত তৰুণ নগৰত উদ্ধাৰ হৈছিল প্ৰতীক্ষা শৰ্মা নামৰ যুৱতীৰ মৃতদেহ। ১০ জানুৱাৰীত ৰুক্মিণীগাঁও ৰংগমঞ্চ পথৰ ৮নং ঘৰটোৰ ভাড়াতীয়া বিপ্লৱী নাথৰ মৃতদেহ উদ্ধাৰ হৈছিল। ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত ৰাজগড়ত পায়েল শইকীয়াৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছিল।

# ৰাজীৱ শদিয়াৰ পৰিয়াললৈ ৫ লাখৰ সাহায্য চৰকাৰৰ

**ই-সংবাদ, ২৭ জানুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন জাতীয় দল-সংগঠনৰ লগতে প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ পৰিয়ালক ৫ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিছে ৰাজ্য চৰকাৰে। বিভিন্ন দল-সংগঠনে ৰাজীৱ শদিয়াৰ পত্নীক চাকৰি প্ৰদানৰ দাবী উত্থাপন কৰি আহিছে যদিও ৰাজীৱ শদিয়াক আৰ্থিক সাহায্য প্ৰদানৰ সিদ্ধান্ত লয় ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজীৱ শদিয়াৰ পৰিয়ালক ৫ লাখ টকাৰ আৰ্থিক অনুদানৰ ঘোষণা কৰে। ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশ লোৱাৰ মাজতে শিল্পীগৰাকীৰ মৃত্যুত দুখ প্ৰকাশ কৰি ভৱিষ্যতে যাতে কোনো শিল্পীৰ পৰিয়াল বিপদত পৰিব নালাগে, তাৰ ব্যৱস্থাৰ গ্ৰহণ কৰা হ'ব বুলি কয়। সংস্থাপনৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কয় যে কোনো শিল্পীৰ মৃত্যু হ'লে পৰিয়ালক কেনেকৈ সংস্থাপন দিব তাক লৈ আজিলৈ চৰকাৰে নীতি গ্ৰহণ কৰা নাই। ৰাজীৱ শদিয়াৰ দৰে দুৰ্ভাগ্যজনক ঘটনা আগতেও কিছু শিল্পীৰ হৈছে। ৰাজীৱ শদিয়াৰ দৰে আন কাৰোবাৰো হ'ব পাৰে। সময়ত সকলোৰে লগতে থকা পাতি এই সম্পৰ্কত সিদ্ধান্ত লোৱা হ'ব। বিজেপি বিধায়ক বিনোদ হাজৰিকাই সংবাদমাধ্যমক কয় যে ৰাজীৱ শদিয়াৰ মৃত্যুৰ সময়ত মুখ্যমন্ত্ৰীগৰাকী বিদেশত আছিল। গতিকে ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ সময়ত শদিয়াৰ বিধায়ক বলীন চেতিয়াই মুখ্যমন্ত্ৰীক বিষয়টো অৱগত কৰিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজীৱ শদিয়াৰ পৰিয়ালক ৫ লাখ টকাৰ আৰ্থিক সাহায্য দিয়াৰ ঘোষণা কৰিছে।

# জাতি-জনগোষ্ঠীৰ অপূৰ্ব সমন্বয়থলী অসম!
# ‘টাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ’ত মুখ্যমন্ত্ৰী

**ই-সংবাদ, ২৭ জানুৱাৰীঃ** সংযুক্ত তাই জনগোষ্ঠীয় সামাজিক সাংস্কৃতিক সংঘৰ উদ্যোগত আৰু সকলো তাই জনগোষ্ঠীৰ পৃষ্ঠপোষকতাত ২৬ জানুৱাৰীত ডিব্ৰুগড় জিলাৰ টেঙাখাতৰ 'লাভী গদাপাণি ক্ষেত্ৰ'ত আয়োজিত তৃতীয় 'তাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ' আৰু প্ৰথম 'আন্তৰাষ্ট্ৰীয় তাই যুৱ মহোৎসৱ' উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। বৰ্ণাঢ্য অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে অতি প্ৰাচীন কালৰে পৰা অসমত বসবাস কৰা থলুৱা জনগোষ্ঠীসমূহৰ সাংস্কৃতিক সংমিশ্ৰণত এক বৃহৎ অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। তাই জনগোষ্ঠীয়ে বৃহত্তৰ অসমীয়া ভাষা-কৃষ্টি-সংস্কৃতি গঢ় লোৱাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। তাই জনগোষ্ঠীৰ বৃহত্তম ঠাল হৈছে তাই আহোমসকল। মহান স্বৰ্গদেউ চাওলুং চুকাফাই পাতনি মেলা আহোম ৰাজত্বই অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ভেটিয়েই শক্তিশালী কৰা নাছিল, সমান্তৰালকৈ থলুৱা আৰু বৈদিক সংস্কৃতিৰ লগত বিনিময় ঘটাই সৃষ্টি কৰিছিল এক বৃহৎ অসমীয়া সংস্কৃতি। এই সংস্কৃতিয়ে পৰৱৰ্তী সময়ত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অৰিহণা যোগাইছিল। মুখ্যমন্ত্ৰীয়ে তাই জনগোষ্ঠীৰ কলা-সংস্কৃতি, শৌৰ্য-বীৰ্য জগত সভালৈ নিয়াৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ প্ৰয়াসৰ কথা ব্যক্ত কৰি কয়-মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত যোৱা চাৰে তিনি বছৰত আমাৰ চৰকাৰে তাই আহোমসকলৰ বৰ্ণিল ইতিহাস, সাংস্কৃতিক পৰম্পৰাক জগত সভালৈ লৈ যোৱাৰ বাবে অভূতপূৰ্ব গুৰুত্ব প্ৰদান কৰিছে। চৰাইদেউ মৈদামৰ বাবে ইউনেস্কোৰ 'বিশ্ব ঐতিহ্য ক্ষেত্ৰ'ৰ স্বীকৃতি, তাই আহোম যাদুঘৰ, টিপামত চ্যু-কা-ফাৰ সুউচ্চ প্ৰতিমূৰ্তিৰ পৰিকল্পনা আদিকে ধৰি আমাৰ জনজীৱনৰে সম্পৃক্ত ৰংঘৰ সৌন্দৰ্যবৰ্ধনৰ কীৰ্তিমান আদি উল্লেখযোগ্য। মুখ্যমন্ত্ৰীয়ে যোৱা বছৰৰ ফেব্ৰুৱাৰীত সমৃদ্ধ সংস্কৃতিৰে পূৰ্ণ এনে এখন শ্যাম গাঁৱত এনিশা কটোৱাৰ কথাও উল্লেখ কৰে। গাঁওখন আছিল গোলাঘাট জিলাৰ সৰুপথাৰ অঞ্চলৰ শতবৰ্ষ গৰকা স্বকীয় বৈশিষ্ট্যৰে ভৰপূৰ ১ নম্বৰ ৰজাপুখুৰী শ্যামগাঁও। গাঁওখনত বাস কৰা লোকসকল তাই খাময়াং জনগোষ্ঠীৰ থেৰাবাদা বৌদ্ধ ধৰ্মালম্বী লোক বুলি উল্লেখ কৰি গাঁৱৰ লোকসকলে ঘৰুৱা কথা-বতৰা অসমীয়াত পাতে যদিও নিজস্ব ভাষা-কৃষ্টি-সংস্কৃতি ধৰি ৰাখি তাই ভাষাৰ শব্দ মিহলি কৰে আৰু সম্বন্ধসমূহক তাই ভাষাৰে সম্বোধন কৰে বুলি উল্লেখ কৰে। ধৰ্মীয়, সাংস্কৃতিক তথা বৰ্ণিল অসমলৈ তাই আহোমসকলৰ কথা ব্যক্ত কৰি জাতীয় জীৱনক ধন্য কৰা তাই আহোমৰ পুৰোধাসকলৰ স্মৃতি তেওঁ ৰোমন্থন কৰে। মুখ্যমন্ত্ৰীয়ে তৃতীয় 'তাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ' আৰু প্ৰথম 'আন্তঃৰাষ্ট্ৰীয় তাই যুৱ মহোৎসৱ'ত চৰকাৰৰ জনগোষ্ঠী আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু সম্প্ৰসাৰণৰ প্ৰতিশ্ৰুতিৰ কথাও উল্লেখ কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# টেঙাগুৰি সমবায় সমিতিৰ ভুৱা অন্ত্যোদয়া কাৰ্ডৰ মাষ্টাৰ মাইণ্ড নিলম্বিত এজেণ্ট ছাহজাহান বাহিনীৰ গুণ্ডাৰাজ

**ই-সংবাদ, লাহৰীঘাট ২৭ জানুৱাৰীঃ** মৰিগাঁও জিলা যোগান বিভাগত সংঘটিত অন্ত্যোদয়া কাৰ্ডৰ ভয়ংকৰ দুৰ্নীতিৰ মাষ্টাৰ মাইণ্ড টেঙাগুৰী সমবায় সমিতিৰ এজেণ্ট ছাহজাহান আলীৰ গুণ্ডাবাহিনীৰ গুণ্ডাৰাজে আজি চূড়ান্ত সীমা অতিক্ৰম কৰে। দুৰ্নীতিৰ অভিযোগত ইতিপূৰ্বে নিলম্বিত সমবায় সমিতিৰ এজেণ্ট ছাহজাহান আলীক দৰিদ্ৰ হিতাধিকাৰীৰ অভিযোগৰ ভিত্তিত লাহৰীঘাট আৰক্ষীয়ে জেল হাজোতলৈ প্ৰেৰণ কৰিছিল যদিও জেলৰ পৰা ওলাই আহি পুনৰ গুণ্ডাৰাজ চলাইছে অভিযোগকাৰীৰ ওপৰত। আজি ছাহজাহানৰ নেতৃত্বত এটা গুণ্ডাবাহিনীয়ে এজন এজেণ্টক ৰাস্তাত আগছি বাইকৰ পৰা নমাই চোচোৰাই আক্ৰমণ কৰি চূড়ান্ত দাদাগিৰি কৰাৰ অভিযোগ উত্থাপিত হৈছে। গুৰুতৰভাৱে আহত এজেণ্টজনক উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰা হৈছে। ইফালে ঘটনা, সন্দৰ্ভত আক্ৰমণৰ বলি হোৱা এজেণ্ট ওৱাইদুল্লাৰ আত্মীয় নাজিমুল ইছলামে লাহৰীঘাট থানাত এক এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা অভিযোগ মতে আজি লাহৰীঘাটৰ সমজিলা কাৰ্যালয়ত টেঙাগুৰি সমবায় সমিতিৰ ২৯ জন এজেণ্টৰ ছাহজাহানৰ সৈতে থকা টকাৰ লেন-দেন সন্দৰ্ভত সমজিলা আয়ুক্তৰে এক আলোচনাত মিলিত হৈ টেঙাগুৰী সমবায় সমিতিৰ কেবাজনো এজেণ্ট বাইকেৰে আহি থকা অৱস্থাত ৰজাগাধোৱাত ছাহজাহানৰ নেতৃত্বত ৰৈ থকা এটা গুণ্ডাবাহিনীয়ে এজেণ্টকেইজনক বাইকেৰে আগছি ধৰে আৰু আইনুল হক নামৰ এজেণ্টজনৰ বাইকৰ পিছত বহি যোৱা এজেণ্ট ওৱাইদুল্লাক বাইকৰ পৰা নমাই চোচৰাই লৈ যায় আৰু বাইকৰ ছাবি ব্যৱহাৰ কৰি শৰীৰৰ বিভিন্ন স্হানত আক্ৰমণ কৰে। ফলত ওৱাইদুল্লা বেয়াকৈ আহত হয়। আহত ওৱাইদুল্লাক লগৰ কেইজনে ততাতৈয়াকৈ স্হানীয় চিকিৎসালয়ত ভৰ্তি কৰে যদিও স্হানীয় চিকিৎসকে উন্নত চিকিৎসাৰ বাবে ওৱাইদুল্লাক নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। অভিযোগ অনুসৰি ভুৱা অন্ত্যোদয়া দুৰ্নীতিৰ অভিযোগত ছাহজাহানৰ সৈতে নিলম্বিত যোগান বিষয়া মতিনুৰ ৰহমানৰ সৈতে সু-সম্পৰ্ক থকাৰ সুবাদতে মতিনুৰ ৰহমানৰ কাৰ্যকালত সমবায় এজেণ্টে গুডামৰ পৰা সুলভ মূল্যৰ চাউল কঢ়িয়াই অনাৰ বাবদ পাবলগা টকা সোমাইছিল ছাহজাহানৰ একাউন্টত। কিন্তু বিভাগীয় নীতি অনুসৰি চাউল কঢ়িওৱাৰ বাবদ পাব লগা টকা প্ৰতিজন এজেণ্টৰ নিজৰ একাউন্টততহে সোমাব লাগে। নীতিবিৰুদ্ধভাৱে নিলম্বিত যোগান বিষয়া মতিনুৰ ৰহমানে ছাহজাহানৰ সৈতে সু-সম্পৰ্ক থকাৰ বাবেই ছাহজাহানক এই সুযোগ প্ৰদান কৰিছিল আৰু চাউল কঢ়িওৱাৰ বাবত অতিৰিক্ত খৰছ দেখুৱাই লুণ্ঠন কৰিছিল লাখ লাখ টকা। ছাহজাহানে বিভিন্ন সময়ত চাউল কঢ়িয়াবৰ বাবে টকাৰ প্ৰয়োজন হৈছে বুলি ২৯ জন এজেণ্টৰ পৰা প্ৰায় ২২ লাখ টকা ধাৰলৈ লৈছিল। উক্ত বৃহৎ পৰিমাণৰ ধন একাউন্টত টকা সোমালেই ঘূৰাই দিব বুলি প্ৰতিশ্ৰুতি দিছিল এজেণ্টসকলক। কিন্তু যোগান বিভাগৰ পৰা ছাহজাহানৰ একাউন্টত টকা সোমোৱাৰ পাছত গোটেই টকা ছাহজাহানে আত্মসাৎ কৰি আজি দিম কালি দিম কৈ এজেণ্টসকলক কৈ আছিল। অৱশেষত এজেণ্টসকলে ছাহজাহানৰ বিৰুদ্ধে লাহৰীঘাট সমজিলা আয়ুক্তক এই সন্দৰ্ভত অভিযোগ দিয়াৰ লগতে আয়ুক্তৰ সন্মুখত লিখিত স্বীকাৰোক্তিত অলপতে স্বাক্ষৰ কৰিছিল। আজি উক্ত বিষয়ত সমজিলা আয়েক্তৰে আলোচনাৰ বাবে এজেণ্টসকল গৈছিল লাহৰীঘাট সমজিলা কাৰ্যালয়লৈ। তাত আলোচনা কৰি ঘূৰি আহোতেই ছাহজাহানৰ নেতৃত্বত ৰৈ থকা ৬-৭ জনীয়া গুণ্ডাবাহিনীটোৱে এজেণ্ট ওৱাইদুল্লাক আক্ৰমণ কৰি গুণ্ডাৰাজ চলাই মুখ বন্ধ কৰিবৰ বাবে চেষ্টা কৰে। এনেক্ষেত্ৰত সমগ্ৰ ঘটনাটোক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে লাহৰীঘাটত। কিন্তু এনে এজন দুৰ্নীতিগ্ৰস্ত এজেণ্টৰ ইমান অতপালিৰ পাছতো কিয় বিভাগে অনুজ্ঞাপত্ৰ সম্পূৰ্ণৰূপে বাতিল কৰা নাই তাক লৈ একাংশ বিষয়ালৈ সন্দেহৰ আঙুলি টোৱাইছে ভুক্তভোগীসকলে।

# ডুমডুমাত বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰাসহ ধৃত এজন

**ই-সংবাদ, ডুমডুমা, ২৭ জানুৱাৰীঃ** দেশৰ প্ৰতিটো প্ৰান্তৰৰ লগতে তিনিচুকীয়া জিলাতো উলহ-মালহেৰে ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ কাৰ্যসূচী চলি থকাৰ সময়তে আৰক্ষী আৰু নিৰাপত্তাৰক্ষী সকল ব্যস্ত থকাৰ সুযোগ লৈ চুবুৰীয়া ৰাজ্য অৰুণাচলৰ পৰা এখন বিলাসী বাহনত কঢ়িয়াই অনা এখন নম্বৰ প্লেটবিহীন বিলাসী গাড়ীৰ পৰা বৃহৎ পৰিমাণৰ অবৈধ তথা অৰুণাচলী সুৰা জব্দ হয়। আৰক্ষীৰ আকস্মিক তালাচীত ধৰা পৰে উক্ত অৰুণাচলী সুৰাভৰ্তি গাড়ীখন। জানিব পৰা মতে, কৈলাশপুৰৰ পৰা মাকুম বাৰেকুৰিলৈ বিক্ৰীৰ বাবে উক্ত অৰুণাচলী সুৰাসমূহ লৈ যোৱা হৈছিল, যি কথা আৰক্ষীৰ ওচৰত স্বীকাৰ কৰিছে ধৃত সুৰা সৰবৰাহকাৰী কৈলাশপুৰৰ যোগেন্দ্ৰ বৰুৱাই। জব্দকৃত গাড়ীখনৰ নম্বৰ হৈছে AS 23 AE 7423 । আবকাৰী, আৰক্ষী আৰু সেনাবাহিনীৰ নাকা চেকিঙৰ সময়ত এই বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰাখিনি জব্দ কৰা হয়। ধৃত যোগেন্দ্ৰ বৰুৱা দীৰ্ঘ দিনৰ পৰাই এনে অবৈধ ব্যৱসায়ৰ সৈতে জড়িত বুলি জানিব পৰা গৈছে।

# দুধনৈত গণৰাজ্য দিৱসৰ পতাকা উন্মোচন টংকেশ্বৰ ৰাভাৰ

**ই-সংবাদ, ধূপধৰা, ২৭ জানুৱাৰীঃ** ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে দুধনৈতো কালি ৭৬ সংখ্যক গণৰাজ্য দিৱস পালন কৰা হয়। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সৌজন্যত আৰু স্থানীয় প্ৰশাসনৰ সহযোগিতাত ৭৬ সংখ্যক গণৰাজ্য দিৱস পালন কৰা হয়। দুধনৈ ৰাজহুৱা খেলপথাৰত কটকটীয়া নিৰাপত্তাৰ মাজত আয়োজন কৰা গণৰাজ্য দিৱসৰ কাৰ্যসূচীত পুৱা প্ৰথমে শ্বহীদ তৰ্পণ কৰে ৰাভা হাছং পৰিষদৰ উপাধ্যক্ষ ৰমাকান্ত ৰাভাই। ইয়াৰ পিছতে পুৱা ৯ বজাত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ টংকেশ্বৰ ৰাভাই। পতাকা উন্মোচনৰ পিছতে মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীয়ে দুধনৈৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ অভিবাদন গ্ৰহণ কৰে। ইয়াৰ পিছতে শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দেশভক্তিমূলক গীত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে।

# অভয়াপুৰী সমজিলাত গণৰাজ্য দিৱসত প্ৰীতি ক্ৰিকেট খেল

**ই-সংবাদ, সৃজনগ্ৰাম ২৭ জানুৱাৰীঃ** অভয়াপুৰী সমজিলা প্ৰশাসনৰ উদ্যোগত অভয়াপুৰী গান্ধী ময়দান চৌহদত কালি গণৰাজ্য দিৱস উলহ-মালহৰে উদযাপন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে শ্বহীদ তৰ্পণ অনুষ্ঠানত ভাগ লয় অভয়াপুৰী সমজিলা আয়ুক্ত জয় বিকাশে ইয়াৰ পিছত অন্যান্য বিষয়াসকলেও এই কাৰ্যসূচীত অংশ লয়। ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে অভয়াপুৰী সমজিলা আয়ুক্ত জয় বিকাশে। মুখ্য অতিথিৰ ভাষণ আৰু আৰক্ষী তথা বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ কুচকাৱাজৰ লগতে বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান সুন্দৰভাৱে অনুষ্ঠিত হয়। ইয়াৰ পিছতে চৰকাৰী চিকিৎসালয়ৰ ৰোগী, হৰিজন, অভয়াপুৰী জিলা কাৰাগাৰৰ কাৰাবন্দীৰ মাজত ফলমূল বিতৰণ কৰা হয়। আবেলি অভয়াপুৰী সমজিলা আয়ুক্ত প্ৰশাসন আৰু কচমচ্ ক্লাবৰ মাজত ক্ৰিকেট খেল অনুষ্ঠিত হয়।

# হায় উন্নয়ন! মাজুলীত জৰাজীৰ্ণ কাঠৰ দলঙেৰে চাইকেলত বান্ধি নিব লগা হ'ল মৃতদেহ

**ই-সংবাদ, মাজুলী, ২৭ জানুৱাৰীঃ** নিৰ্মাণৰ তিনি বছৰতে পচি জৰাজীৰ্ণ হৈ পৰা মাজুলী-লখিমপুৰ সংযোগী লোহিত খাবলু অঞ্চলৰ কাঠৰ দলং খন মেৰামতিৰ বাবে ৰাইজে দীৰ্ঘদিনৰ পৰা জনাই অহা দাবী যেন অমৃত কালৰ চৰকাৰৰ শুনিবলৈ আহৰি নাই। অসমত বিকাশৰ নতুন দিগন্তৰ সূচনাৰ সময়তেই ঠিকাদাৰৰ অনিয়মৰ ফলত কম দিনতে বিধ্বস্ত হৈ পৰা লোহিত খাবলু অঞ্চলৰ কাঠৰ দলং খনে এতিয়া অঞ্চলটোৰ ৩০ খনৰ গাঁৱৰ ৰাইজে নিতৌ জীয়াতু ভোগাইছে। যোৱা দুটা বছৰে ভগ্নপ্ৰায় দলং খনৰ মেৰামতিৰ বাবে ৰাইজে দাবী উত্থাপন কৰি অহাৰ পাছতো বিভাগীয় কতৃপক্ষই বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ দুখ-দুৰ্দশাৰ প্ৰতি আজিকোপতি তিল মানো ভ্ৰুক্ষেপেই নকৰিলে। যাৰ ফলত কালি দেশৰ গণৰাজ্য দিৱসৰ দিনটোতে অঞ্চলটোৰ এগৰাকী লোকৰ মৃতদেহ চাইকেলত বান্ধি জৰাজীৰ্ণ কাঠৰ দলংখনেৰে পাৰ কৰোৱাৰ এক দৃশ্যই এতিয়া বহু প্ৰশ্নৰ অৱতাৰণা কৰিছে। জানিব পৰা মতে লোহিত খাবলো নগৰ গাঁৱৰ জীৱন দাস (৪১) নামৰ এগৰাকী লোকে কালি দিনৰ ভাগত আত্মহত্যা কৰে আৰু লোকজনৰ মৃতদেহ পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ৰ পৰা মৰণোত্তৰ পৰীক্ষা কৰি নিজ গৃহলৈ লোহিত নদীৰ ওপৰত থকা জৰাজীৰ্ণ কাঠৰ দলঙৰ বাবে স্বৰ্গ ৰথ নিব নোৱাৰাত পৰিয়ালৰ লোকে চাইকেলতে বান্ধি মৃতদেহ নিজ গৃহলৈ নিবলৈ বাধ্য হয়। ইফালে একবিংশ শতিকাতো মৃতদেহটো চাইকেলত বান্ধি নিবলগীয়া হোৱাই এতিয়া মাজুলীৰ তথাকথিত উন্নয়নৰ নগ্ন স্বৰূপটো পৰিস্ফুট হোৱা বুলি ৰাইজে মন্তব্য কৰিছে। দুৰ্বল হৈ পৰা দলং খনৰ ওপৰেৰে চাৰিচকীয়া বাহন চলাচল কৰিব নোৱাৰাৰ বাবে মৃত লোক জনক ৰাইজে চাইকেলত বান্ধি নিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। যাৰ পৰিপ্ৰেক্ষিতত কালি জীৱন দাসৰ মৃতদেহ লৈ কাঠৰ দলং খনৰ ওপৰতে ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজে এই সন্দৰ্ভত সাংবাদিকৰ আগত কয় যে-আমি কেৱল উন্নয়নৰ স্বাৰ্থতেই লখিমপুৰ জিলাৰ পৰা মাজুলী জিলাত চামিল হৈছিলো। আমি ব্যৱসায়িক অঞ্চল মাজুলীৰ গড়মূৰলৈ বিভিন্ন কামত দৈনিক আহা-যোৱা কৰিবই লাগে। কিন্তু উক্ত জৰাজীৰ্ণ দলং খনৰ ফলত আমি দৈনিক দুৰ্ভোগৰ সন্মুখীন হৈছো। বহু দাবীৰ পিছত পকী দলং এখন নিৰ্মাণৰ কাম আৰম্ভ হৈছে। গতিকে উক্ত দলংখনৰ নিৰ্মাণ ক্ষিপ্ৰতৰ কৰি ৰাইজক যাতায়তৰ যন্ত্ৰণা মষিমূৰ কৰিবলৈ ৰাইজে আহ্বান জনায়। ইফালে ২০১৭ চনতো উক্ত দলঙৰ দুৰৱস্থাৰ বাবেই একেখন গাঁৱৰে ডিম্পল দাস নামৰ এজন যুৱকক এইদৰেই চাইকেলত বান্ধি মৃতদেহ নিবলগীয়া হৈছিল। সমান্তৰালভাৱে ২০২৩ চনটো একে গাঁৱৰে অন্য এগৰাকী লোকৰ মৃতদেহো উক্ত জৰাজীৰ্ণ দলঙেৰে কান্ধত তুলি নিবলগীয়া হৈছিল। উল্লেখযোগ্য যে বৰ্তমান মাজুলী জিলাৰ অন্তৰ্গত লোহিত খাবলু অঞ্চলৰ ৩০ খন গাঁৱৰ ৰাইজৰ সুবিধা হোৱাকৈ আজিৰ পৰা চাৰিটা বছৰৰ আগেয়ে নিৰ্মাণ কৰা উক্ত কাঠৰ দলং খন নিৰ্মাণৰ কম দিনতে জৰাজীৰ্ণ হৈ পৰাৰ লগতে প্ৰায় ডেৰ বছৰৰ আগেয়ে মেৰামতিও কৰিছিল যদিও এতিয়া বিধ্বস্ত হৈ পৰা দলংখনত যিকোনো মুহূৰ্ততে দুৰ্ঘটনাৰ আশংকাত ভুগিছে স্থানীয় ৰাইজ। এটা সময়ত উক্ত স্থানত এখন বাঁহৰ দলঙেই লখিমপুৰ-মাজুলীৰ মাজত যাতায়তৰ একমাত্ৰ বিকল্প আছিল। তেতিয়া উক্ত বাঁহৰ দলঙেৰে চাইকেলত মৃতদেহ কঢ়িওৱাৰ এক বাতৰিয়ে আলোড়নৰ সৃষ্টি কৰাত বাঁহৰ দলং খনৰ ঠাইত উক্ত স্থানত এখন কাঠৰ দলং নিৰ্মাণ কৰা হৈছিল। কিন্তু নিৰ্মাণ তথা এবাৰ মেৰামতিৰ পিছতো এতিয়া কাঠৰ দলং খন জৰাজীৰ্ণ হৈ পৰাত লোহিত খাবলু অঞ্চলৰ ৰাইজ ক্ষোভিত হৈ পৰিছে। দলংখনৰ ওপৰেৰে এতিয়া চাৰিচকীয়া বাহন চলাচল একপ্ৰকাৰে বন্ধ হৈ পৰাত ১০৮ এম্বুলেন্স সেৱাৰ পৰাও অঞ্চলটোৰ ৰাইজ বঞ্চিত হ'বলগীয়া হৈছে। দলংখনৰ কাঠসমূহ পচি যোৱাৰ লগতে দলংৰ মাজত প্ৰকাণ্ড প্ৰকাণ্ড ফাক হৈ পৰাত এতিয়া খোজ কাঢ়ি যোৱাৰো একপ্ৰকাৰে অসুবিধাৰ সৃষ্টি হৈছে। পূৰ্বে লখিমপুৰ জিলাৰ অন্তৰ্গত হৈ থকা মাজুলীৰ সীমান্তৱৰ্তী লোহিত খাবলু অঞ্চলতোৰ প্ৰায় ৩০ খন গাঁওক পূৰ্বৰ লক্ষীমপুৰৰ সাংসদ, বিধায়ক সকলোৱে কেৱল ভোট বেংক হিচাপেহে ব্যৱহাৰ কৰি আহিছিল। নতুনকৈ মাজুলী জিলাত অন্তৰ্ভুক্ত হোৱা উক্ত অঞ্চলটোৰ শিক্ষা যাতায়ত তথা সৰ্বাংগিন উন্নয়নত এতিয়া মাজুলীৰ বিধায়ক তথা উপায়ুক্তৰ তাৎপৰতা ৰাইজে আশা প্ৰকাশ কৰিছে। ইফালে অঞ্চলটোত নিৰ্মাণ হৈ থকা পকী দলংখনৰ কামো লেহেমীয়া হৈছে বুলি ৰাইজে অভিযোগ উত্থাপিত কৰিছে।

# বৰপেটাত ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন

**ই-সংবাদ, বৰপেটাৰোড, ২৭ জানুৱাৰীঃ** ৰাজ্যৰ সকলো প্ৰান্তৰ লগতে বৰপেটা জিলাৰ বৰপেটা পৌৰসভা খেলপথাৰত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ দপ্তৰৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা। বৰপেটা পৌৰসভা ব'ৰ্ডৰ কাৰ্যালয়ৰ সমীপত অৱস্থিত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাই গাৰ্লোছাই গণৰাজ্য দিৱসৰ আৰম্ভণি কৰে। মন্ত্ৰীগৰাকীৰ সৈতে বৰপেটাৰ জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি অন্যান্য বিষয়া-কৰ্মচাৰীৰ লগতে বহু সংখ্যক ছাত্ৰ-ছাত্ৰী, অভিভাৱক উপস্থিত থাকে। উক্ত সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে সমগ্ৰ ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ বাবে অসম চৰকাৰৰ পদক্ষেপৰ ওপৰত আলোকপাত কৰে। ৰাজ্যখনত গ্ৰহণ কৰা ব্যৱস্থাসমূহ ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ প্ৰধানমন্ত্ৰীৰ সংকল্পৰ সৈতে মিল আছে বুলি মন্ত্ৰী গাৰ্লোছাই মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে বিভিন্ন খণ্ডত দেখুওৱা সাফল্যৰ লগতে বৰপেটা জিলা প্ৰশাসনে জনসাধাৰণৰ মাজলৈ সুশাসন অনাৰ ক্ষেত্ৰত আগবঢ়োৱা অগ্ৰগতিৰ কথাও উল্লেখ কৰে। অসম আৰক্ষীৰ লগতে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লৈ গণৰাজ্য দিৱসৰ পেৰেডো অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত ভালেকেইটা বিভাগে প্ৰতীক পট প্ৰদৰ্শন কৰে। প্ৰতিটো শাখাৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰীক বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত দিনটোৰ বিভিন্ন জৰুৰী বিষয়ৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। আবেলি বৰপেটা পৌৰসভা খেলপথাৰত বৰপেটা জিলা আয়ুক্ত একাদশ আৰু প্ৰেছ ক্লাব আৰু বৰপেটা একাদশৰ মাজত প্ৰীতি ক্ৰিকেট খেলো অনুষ্ঠিত হয়। খেলখনত বৰপেটা প্ৰেছ ক্লাব একাদশ ৭ ৰানত বিজয়ী হয়।

# তিতাবৰত পথ দুৰ্ঘটনাত এজন নিহত, এজন আহত

**ই-সংবাদ, তিতাবৰ, ২৭ জানুৱাৰীঃ** গণৰাজ্য দিৱসৰ দিনটোতে তিতাবৰত নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। উল্লেখ্য যে, যোৰহাট-তিতাবৰ সংযোগী গড়আলি পথৰ বাগান ধলি তিনিআলিত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত নিহত লোকজন নৰেন শইকীয়া বুলি জানিব পৰা গৈছে। নৰেন শইকীয়াৰ ঘৰ মৰিয়নিৰ ডেকা গাঁৱত। এএছ ০৩জি ৫৭৪৯ নম্বৰ এখন স্কুটাৰ দুৰ্ঘটনাত পতিত হয়। আনহাতে দুৰ্ঘটনাত মণ্টু বৰা নামৰ এজন চাইকেল আৰোহীও গুৰুতৰভাৱে আহত হয় বুলিও জানিব পৰা গৈছে। বৰ্তমান মণ্টু বৰা যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। কেনেদৰে দুৰ্ঘটনাটো সংঘটিত হ'ল সেয়া বৰ্তমানলৈকে স্পষ্ট হোৱা নাই যদিও এখন বুলেটে মহতিয়াই নিয়াৰ ফলতে সংঘটিত হোৱা বুলি স্থানীয় একাংশই সন্দেহ প্ৰকাশ কৰিছে।

## গণৰাজ্য দিৱস উপলক্ষে ৰঙিয়াৰ ৰাজপথত উৰিল বিশাল ৰাষ্ট্ৰীয় পতাকা

**ই-সংবাদ, ৰঙিয়া, ২৭ জানুৱাৰীঃ** স্বেচ্ছাসেৱী সংগঠন সাৰথি শান্তি নিবাসৰ উদ্যোগত আৰু পাৰ্বতী টাইলছ আৰু চেনিটাৰী ব্যৱসায়িক প্ৰতিষ্ঠানৰ সহযোগত গণতন্ত্ৰ দিৱস উপলক্ষে ৰঙিয়া নগৰৰ আদৰণি তোৰণত বিশাল আকৃতিৰ ৰাষ্ট্ৰীয় পতাকা উত্তোৱন কৰা হয়। সাৰথি শান্তি নিবাস ন্যাসৰ সঞ্চালক, সমাজকৰ্মী বিপুল কলিতাই আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাবে অংশ লৈ ভাৰতৰ স্বাধীনতা আন্দোলনৰ শ্বহীদ সকল তথা মা ভাৰতীৰ বীৰ বীৰংগনাসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু ৩৬ ফুট দৈৰ্ঘৰ বৃহত্তম ৰাষ্ট্ৰীয় পতাকাখনি উন্মোচন কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া, ৰঙিয়াৰ বিশিষ্ট কবি, লেখক তথা সাহিত্য সংগঠক হেমন্ত কলিতাই। অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক পবিত্ৰ কলিতা, প্ৰতিষ্ঠিত ব্যৱসায়ী তথা সমাজ হিতৈষী কৈলাস জৈন, ন্যাসৰ সদস্য ক্ষীৰোদ কলিতা, সমাজ সম্পৃক্ত ঘনশ্যাম কাকতি প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি। অনুষ্ঠানটিৰ আৰম্ভণিত বিপুল কলিতা আৰু নয়ন ডেকাই ক্ৰমে হেমন্ত কলিতা আৰু পবিন কলিতাক সাৰথি শান্তি নিবাসৰ প্ৰতীক সম্বলিত ফুলাম গামোচাৰে আদৰণি জনায়। সমাজৰ নিংকিন তথা আৰ্তজনৰ প্ৰতি সহায়ৰ লক্ষ্যৰে ৰঙিয়াত প্ৰতিষ্ঠিত সাৰথি শান্তি নিবাসৰ ব্যতিক্ৰমী পদক্ষেপে প্ৰত্যক্ষদৰ্শী ৰাইজক আকৰ্ষিত কৰে।

## খাৰুপেটীয়াৰ বিভিন্ন প্ৰান্তত উলহ মালহৰে ৭৬ সংখ্যক গণৰাজ্য দিৱস পালন

**ই-সংবাদ, খাৰুপেটীয়া, ২৭ জানুৱাৰীঃ** সমগ্ৰ দেশৰ লগতে দৰং জিলাৰ খাৰুপেটীয়া অঞ্চলৰ বিভিন্ন প্ৰান্তত চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, দোকান পোহাৰ আদিত কালি উলহ মালহৰে ৭৬ সংখ্যক গণৰাজ্য দিৱস পালন কৰা হয়। খাৰুপেটীয়া টাউন খেল পথাৰত খাৰুপেটীয়া পৌৰসভাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ পতাকা উন্মোচন কৰে পৌৰসভাৰ পৌৰনেত্ৰী কৃষ্ণা সাহাই। খাৰুপেটীয়া প্ৰেছ ক্লাব, যোগীপাৰা মডাৰ্ন ইছলামিক মাদ্ৰাছা, ওজাগাঁওস্থিত তামিজিয়া মাদ্ৰাছাৰ লগতে বিভিন্ন শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানত উলহ মালহৰে গণৰাজ্য দিৱস উদযাপন কৰা হয়। টাউন খেল পথাৰত খাৰুপেটীয়া পৌৰসভাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত গণৰাজ্য দিৱসত খাৰুপেটীয়া মৰ্নিং ষ্টাৰ ইংলিছ হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেড আৰু নৃত্য প্ৰদৰ্শন কৰে।

### ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৱৰ্তন

# উপেন ৰাভা হাকাচামলৈ ‘জীৱনজোৰা সাহিত্য সাধনা বঁটা’

**ই-সংবাদ, মোৰাঝাৰ, ২৭ জানুৱাৰীঃ** হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৱৰ্তনখনি অহা ২৮ জানুৱাৰীত বিশ্ববিদ্যালয়খনৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ চৌহদত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা অসমৰ মহামহিম ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ সভাপতিত্বত দিনৰ ১১.৩০ৰ পৰা অনুষ্ঠিতব্য অনুষ্ঠানটিত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ ননীগোপাল মহন্ত, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ মানবেন্দ্ৰ দত্ত চৌধুৰীয়ে মূল বক্তৃতা প্ৰদান কৰিব। একেটা অনুষ্ঠানতে অসমীয়া ভাষা-সংস্কৃতিলৈ আগবঢ়োৱা বহুমূলীয়া অৱদানৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক তথা ভাষা-সংস্কৃতিৰ বিশিষ্ট গৱেষক, সু-সাহিত্যিক প্ৰফেছৰ উপেন ৰাভা হাকাচামলৈ ‘জীৱনজোৰা সাধনা বঁটা’ আগবঢ়োৱা হ'ব। এইবাৰৰ দীক্ষান্ত সমাৱৰ্তনখনিত তিনিটা সোণৰ পদকসহ স্নাতকোত্তৰ শ্ৰেণীৰ ৮১জন আৰু স্নাতক শ্ৰেণীৰ ৪৫৯ জন ছাত্ৰ-ছাত্ৰীক দীক্ষান্ত প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। উল্লেখ্য যে ২০২৪ বৰ্ষত দুটা সোণৰ পদকসহ স্নাতকোত্তৰ শ্ৰেণীৰ ১৭৪ জন আৰু স্নাতক শ্ৰেণীৰ ৯৫০ জন ছাত্ৰ-ছাত্ৰীক দীক্ষান্ত প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছিল। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক প্ৰফেছৰ অৰূপ বৰ্মনে সকলোৰে সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।




কানৈ মহাবিদ্যালয়ত ৭৬ সংখ্যক গণৰাজ্য দিৱসত কুৰি গৰাকী সাংবাদিকক সম্বৰ্ধনা , ফটোঃ ই-সংবাদ, ডিব্ৰুগড়

# যোগীজানত ৭৬তম গণৰাজ্য দিৱস উদযাপন

**ই-সংবাদ, বেবেজীয়া, ২৭ জানুৱাৰীঃ** চি পি আই (এম এল)লিবাৰেচন, সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থা আৰু সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ যোগীজান ব্লক সমিতিৰ উদ্যোগত সংবিধান বচাওক, দেশ বচাওক আহ্বানেৰে উলুমগুৰি গাওঁ পঞ্চায়তৰ ১নং মাজগাওঁ পাঞ্জাখানাৰ প্ৰাংগণ গণৰাজ্য দিৱস উদযাপন কৰা হয় । কাৰ্যসূচী অনুসৰি পুৱা চি পি আই (এম এল) লিবাৰেচন দলৰ জ্যেষ্ঠ নেতা প্ৰদীপ বৰদলৈয়ে জাতীয় পতাকা উন্মোচন কৰে । পতাকা উত্তোলনস্থলীত যুৱনেতা মুজাক্কিৰ হুচেইনে ৰাইজক দেশৰ সংবিধানৰ প্ৰস্তাৱনাৰ শপত বাক্য পাঠ কৰোৱাৰ বিপৰীতে প্ৰগতিশীল নাৰী সন্থাৰ নেত্ৰী আয়েফা বেগমে ৰাষ্ট্ৰীয় সংগীত ৰাইজক পৰিবেশন কৰাই। ইয়াৰ পিছতে লক্ষণ বানাই, নুৰজামাল আৰু পুনেশ্বৰী দেৱীৰে গঠিত সভাপতি মণ্ডলীয়ে সঞ্চালনা কৰা সভাখনিত চি পি আই (এম এল) লিবাৰেচন দলৰ প্ৰবীণ নেতা কমৰেড অৰূপ কুমাৰ মহন্তই মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰি উপস্থিত ৰাইজক ৭৬ তম্ গণৰাজ্য দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে । ভাষণ প্ৰসংগত তেওঁ কয় যে--সমগ্ৰ দেশজুৰি আমি দেশৰ সন্মানীয় নাগৰিক সমাজক সংগঠিত কৰি গণৰাজ্য দিৱস উদযাপন কৰিছো । আমাৰ প্ৰিয় মাতৃভূমি আৰু সংবিধান আক্ৰান্ত তথা বিপদাপন্ন স্বাধীনতা সংগ্ৰামৰ বিশ্বাসঘাটক আৰ এছ এছে এক বিকল্প ভাষ্য গঢ়াৰ মাজেৰে স্বাধীনতা আন্দোলনক দুৰ্বল আৰু বদনাম কৰা ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছে । ২০২৪ চনত ৰাম মন্দিৰ নিৰ্মাণেৰে তথাকথিত 'প্ৰকৃত স্বাধীনতা' লাভ কৰাৰ যি মন্তব্য আৰ এছ এছৰ প্ৰধান মোহন ভাগৱতে প্ৰদান কৰিছে এইয়া গেৰুৱা বাহিনীৰ এক উমৈহতীয়া ৰণ নীতিৰ অংশ । এই ৰণ নীতিৰ দ্বাৰা ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস আৰু তাৰ পৰা জন্মলোৱা সংবিধান, সাংবিধানিক দৃষ্টিভংগী, সাংবিধানিক অধিকাৰ তথা ভিত্তিৰ ওপৰত আক্ৰমণ । বিজেপিয়ে মুছলমান আৰু দলিত সকলৰ বিৰুদ্ধে ঘৃণা আৰু বিদ্বেষ বিয়পাই উৎপীড়ন চলাইছে বুলি অভিযোগ তুলি শ্ৰমিক নেতাগৰাকীয়ে লগতে কয় যে--আম্বানী-আদানীৰ লগতে গুজৰাটি বনিয়াৰ হৈ সেৱা আগবঢ়াইছে বিজেপিয়ে । তদুপৰি তেওঁ সংবিধান প্ৰণেতা ড০ ভীমৰাও আম্বেদকাৰক সংবিধান সভাত গৃহমন্ত্ৰী অমৃত শ্বাহে অপমান কৰাক লৈ এতিয়া দেশজুৰি আৱাজ উঠিছে । গতিকে অমৃত শ্বাহে পদত্যাগ কৰিব লাগে আৰু বিজেপিয়ে দেশৰ জনতাৰ ওচৰত ক্ষমা বিচাৰিব লাগে বুলিও দাবী জনাই । সভাত সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ অবিভক্ত নগাঁও জিলা সমিতিৰ সভাপতি ইচৰ আলী, শ্ৰমিক নেতা নাৰায়ন বানায়, মহমদ আলী, তাজমিনা বেগমকে ধৰি কেইবাজনো বক্তাই বক্তব্য প্ৰদান কৰে

## চুক্তিৰ পিছত কোনো মাতৃৰ চকুত চকুলো নাইঃ প্ৰমোদ বড়ো

# ‘বিটিআৰ শান্তি চুক্তি’ৰ পঞ্চম বৰ্ষপূৰ্তি, বিটিআৰত মটৰ চাইকেল ৰেলী

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ জানুৱাৰীঃ** ২০২০ চনৰ ২৭ ফেব্ৰুৱাৰী অৰ্থাৎ আজিৰ দিনটোতে স্বাক্ষৰিত হৈছিল ঐতিহাসিক বিটিআৰ শান্তি চুক্তি। বিটিআৰ শান্তি চুক্তিৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে আজি বিটিআৰৰ ৪০ টা পৰিষদীয় সমষ্টিতে শান্তিৰ বাণীৰে মটৰ চাইকেল ৰেলী বাহিৰ কৰা হয়। সেই মৰ্মে কোকৰাঝাৰ চহৰৰ গ্ৰীণ ফিল্ডৰ পৰা আজি বিটিচি চৰকাৰৰ উদ্যোগত শান্তিৰ বাণীৰে মটৰ চাইকেল ৰেলী বাহিৰ হয়। কোকৰাঝাৰ চহৰৰ গ্ৰীণ ফিল্ডৰ পৰা বাহিৰ হোৱা মটৰ চাইকেল ৰেলীৰ নেতৃত্ব দিয়ে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। আনহাতে মটৰ চাইকেল ৰেলীৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে কোকৰাঝাৰ জিলা আয়ুক্ত মাছাগুণ্ড এম পাৰ্টিনে । বিটিচি চৰকাৰৰ উদ্যোগত উলিওৱা মটৰ চাইকেল ৰেলীত বিধায়ক লৰেন্স ইছলাৰী, শব্দৰাম ৰাভা সহ ইউপিপিএল দলৰ কেইবাগৰাকী নেতা-কৰ্মীকে ধৰি প্ৰায় দুই সহস্ৰাধিক লোকে ৰেলীত অংশগ্ৰহণ কৰে। শান্তিৰ বাণীৰে উলিওৱা মটৰ চাইকেল ৰেলীয়ে সমগ্ৰ কোকৰাঝাৰ চহৰ পৰিভ্ৰমণ কৰাৰ অন্তত পুণৰ গ্ৰীণ ফিল্ডত সমবেত হয় আৰু তাতেই ৰেলীৰ অন্ত পৰে। ইপিনে মটৰ চাইকেল ৰেলীত অংশগ্ৰহণ কৰি প্ৰমোদ বওোৱে কয় যে বড়োলেণ্ড বৰ্তমান যি শান্তি অব্যাহত আছে সেয়া চিৰস্থায়ীভাৱে ধৰি ৰাখিব লাগিব। বিটিআৰ চুক্তিৰ পিছত বড়োলেণ্ড অঞ্চলত কোনো ধৰণৰ হত্যা-হিংসা-গোষ্ঠীদ্বন্দ নাই তথা কোনো মাতৃয়েও চকুপানী টুকিব লগা হোৱা নাই বুলি মন্তব্য কৰে। অঞ্চলটোলৈ শান্তি-নিৰাপত্তা-উন্নয়ন ঘূৰাই অনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু



মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে প্ৰমোদ বড়োৱে। আনহাতে শান্তি চুক্তি দিৱসৰ সতে সংগতি ৰাখি আজি সন্ধিয়া কোকৰাঝাৰৰ বড়োফা সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত বড়োলেণ্ড এছিৰ্ভাৰ বঁটা প্ৰদান কৰা হয়। আনপিনে বিটিআৰ শান্তি চুক্তি দিৱসৰ সতে সংগতি ৰাখি কাইলৈ অৰ্থাৎ ২৮ জানুৱাৰীত কোকৰাঝাৰ চহৰৰ গ্ৰীণফিল্ডত এক বিশাল গণ সমাৱেশৰ আয়োজন কৰা হৈছে। উক্ত বিশাল গণ সমাৱেশত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। উল্লেখ্য যে গণ সমাৱেশত অংশ লোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হৰিণাগুৰীত নৱ নিৰ্মিত বিটিচিৰ কাৰ্য্যবাহী সদস্য, পাৰিষদ সকলৰ বাবে নৱনিৰ্মিত আৱাস উদ্বোধন কৰাৰ লগতে হৰিণাগুৰীতে কোকৰাঝাৰ বিশ্ববিদ্যালয় নিৰ্মানৰ আধাৰশিলা স্থাপন কৰিব।

# মৰিগাঁৱৰ তিনি সত্ৰীয়া কলা-সংস্কৃতিৰ সাধকক ‘সদৌ অসম সত্ৰ মহাসভা’ৰ সম্বৰ্দ্ধনা

**ই সংবাদ, জাগীৰোড, ২৭ জানুৱাৰীঃ** সত্ৰীয়া কলা-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ বিকাশৰ লগতে গুৰুজনাৰ সৃষ্টি আদৰ্শ আৰু কৰ্মৰাজিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে আজি মৰিগাঁও জিলাৰ তিনিজন সত্ৰীয়া কলা-সংস্কৃতিৰ সাধকক অসমৰ ১২০০ সত্ৰ আৰু ৪০০০ নামঘৰৰ উমৈহতীয়া সংগঠন "সদৌ অসম সত্ৰ মহাসভা"ই সম্বৰ্দ্ধনা জনায়। "সদৌ অসম সত্ৰ মহাসভা"ৰ সভাপতি মৰিগাঁও জিলাৰ শ্ৰীশ্ৰী লাইআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ সুনীল কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক, নগাঁও জিলাৰ শ্ৰীশ্ৰীজগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীৰ নেতৃত্বত যোৱা "সদৌ অসম সত্ৰমহাসভা"ৰ এটি প্ৰতিনিধি দলে সত্ৰীয়া কলা-সংস্কৃতিৰ সাধক ক্ৰমে মৰিগাঁও জিলাৰ বৰঙাবাৰীৰ শ্ৰীশ্ৰী দিচিয়াল সত্ৰৰ সত্ৰাধিকাৰ যাদৱ চন্দ্ৰ দেৱ মহন্ত,মায়ঙৰ শ্ৰীশ্ৰী শিলডুবি সত্ৰৰ সত্ৰাধিকাৰ ক্ষীৰোদ গোস্বামী, আৰু আঁহতগুৰিৰ শ্ৰীশ্ৰী ডিফলু সত্ৰৰ সত্ৰাধিকাৰ বিশ্বজিৎ গোস্বামীৰ লগতে ঐতিহাসিক শিলচাঙৰ খলা দেওৰজা প্ৰবীণ দেওৰজাক আজি ঐতিহাসিক শিলচাং খলা দেওৰজাৰ ৰাজদৰবাৰত এখন মানপত্ৰ,চেলং চাদৰ, এটা স্মাৰক আৰু ফুলাম জাপিৰে সম্বৰ্দ্ধনা জনায়। সম্বৰ্দ্ধনা গ্ৰহণ কৰি আটাইকেইগৰাকী সংস্কৃতিৰ সাধকে জন্ম লগ্নৰে পৰা "সদৌ অসম সত্ৰ মহাসভা"ই সত্ৰীয়া কলা-সংস্কৃতিৰ লগতে গুৰুজনাৰ সৃষ্টি, আদৰ্শ আৰু কৰ্মৰাজিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰি অহা পদক্ষেপৰ ভুয়সী প্ৰশংসা কৰাৰ লগতে দিল্লী বিশ্ববিদ্যালয়কে ধৰি ভাৰতৰ বিভিন্ন প্ৰান্তত সত্ৰীয়া কলা-সংস্কৃতি তথা গুৰুজনাৰ সৃষ্টি,আদৰ্শ আৰু কৰ্মৰাজিক বিষয় হিচাবে লৈ আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ লগতে অংকীয়া ভাওনা, বৰগীত, সত্ৰীয়া নৃত্য আদি পৰিৱেশন কৰাৰ মাজেৰে সদৌ অসম সত্ৰ মহাসভাক সমগ্ৰ ভাৰতবৰ্ষত জিলিকাই তুলিবলৈ সক্ষম হোৱাৰ বাবে "সদৌ অসম সত্ৰ মহাসভা"ৰ প্ৰধান সম্পাদক প্ৰান্তিক গোস্বামীকে প্ৰমূখ্য কৰি সংগঠনটোৰ বিষয়ববীয়া তথা সদস্য সকলৰ শলাগ লয় আৰু অসমৰ চুকে কোনে সংগঠনটোৰ সাংগঠনিক প্ৰসাৰতা কামনা কৰে। "সদৌ অসম সত্ৰ মহাসভা"ৰ প্ৰতিনিধি দলটোত অসমৰ বিভিন্ন জিলাৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ আৰু সদৌ অসম সন্মিলিত যুৱ তীৰ্থৰ কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


## ভেৰগাঁৱত বিটিআৰ শান্তি চুক্তিৰ পঞ্চম প্ৰতিষ্ঠা দিৱস উপলক্ষে মটৰ চাইকেল ৰেলী

**ই-সংবাদ, ডিমাকুছি, ২৭ জানুৱাৰীঃ** ২০২০ চনৰ ২৭ জানুৱাৰীত বিটিআৰ শান্তি চুক্তিৰ স্বাক্ষৰ হোৱা হেতুকে আজি ঐতিহাসিক দিনটোত সমগ্ৰ বিটিআৰতে পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে মটৰ চাইকেলৰ সমদল উলিয়ায়। বিটিআৰৰ বিভিন্ন প্ৰান্তৰ লগতে লগতে ওদালগুৰি জিলাৰ ৩২ নং ভেৰগাঁও পৰিষদীয় সমষ্টিতো ৫ শতাধিকৰো অধিক বাইকেৰে শ-শ লোকে বাইক ৰেলীত অংশগ্ৰহণ কৰে। বিটিআৰৰ শাসনাধিষ্ঠিত ইউপিপিএল আৰু বিজেপি দলৰ ভেৰগাঁও মণ্ডলৰ কৰ্মী সকলৰ উদ্যোগত ৰাতিপুৱা দহ বজাত এই বাইক ৰেলী উলিওৱা হয়। বিটিআৰৰ ইএম দাওবাইছা বড়োৰ নেতৃত্বত খাগ্ৰাবাৰী হাইস্কুলৰ খেলপথাৰ প্ৰাংগণৰ পৰা শ-শ দলীয় নেতা-কৰ্মীৰ সৈতে আৰম্ভ কৰা মটৰচাইকেল ৰেলী ভেৰগাঁও, চিকাৰী বাংলা হৈ ডিমাকুছি-শুক্লাইৰে আটাৰীখাটত সমাপ্ত কৰে। ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি ৰিংখাং মুছাহাৰীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰে মটৰচাইকেল ৰেলী। বিটিআৰৰ ইএম দাওবাইছা বড়োৱে মটৰচাইকেল ৰেলীত অংশগ্ৰহণ কৰি কয় যে বিটিআৰ শান্তি চুক্তিৰ জৰিয়তে বিটিআৰত এতিয়া শান্তি শৃংখলা অটুট হৈছে। বিটিআৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ নেতৃত্বত সম্পন্ন হোৱা বিটিআৰ চুক্তিৰ পিছতে বিটিআৰ এলেকাত শান্তি প্ৰতিষ্ঠা হোৱাৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত ঐক্য-সম্প্ৰীতি অধিক মজবুত হোৱাৰ উপৰি উন্নয়ন দ্ৰুতগতিত আৰম্ভ হৈছে বুলিও ভাষণত তেওঁ উল্লেখ কৰে। আজিৰ মটৰ চাইকেল ৰেলীত ইউপিপিএল আৰু বিজেপি দলৰ জিলা আৰু ব্লক পৰ্য্যায়ৰ কেইবাজনো নেতাৰ উপৰিও খৈৰাবাৰী শিক্ষা খণ্ডৰ শিক্ষা বিষয়া ভুমিধৰ বড়ো উপস্থিত থাকে।

## বাঘমাৰা চৰত গণৰাজ্য দিৱস পালন

**ই-সংবাদ, শিমলীতোলা, ২৭ জানুৱাৰীঃ** কালি সমগ্ৰ ভাৰতবৰ্ষতে ৭৬ সংখ্যক গণৰাজ্য দিৱস পালন কৰা হয়। বৰপেটা জিলাৰ চেঙা সমষ্টিৰ ৭২ নং বাঘমাৰা চৰ গাঁও পঞ্চায়তৰ চৰকাৰী-বেচৰকাৰী শিক্ষা অনুষ্ঠানৰ উপৰি বিভিন্ন স্বেচ্ছাসেৱী সংগঠন আৰু ধৰ্মীয় অনুষ্ঠানেও উলহ মালহৰে গণৰাজ্য দিৱস পালন কৰে। এই উপলক্ষে পুৱা ৬ বজাৰ পৰাই প্ৰচণ্ড ঠাণ্ডাৰ মাজত ঘন কুঁৱলী নেওচি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত সৰ্বত্ৰ প্ৰকাৰৰ ৰাইজ ওলাই আহি প্ৰত্যেকটো চৰকাৰী অনুষ্ঠান বিশেষকৈ স্কুল-কলেজ দেওবাৰে বন্ধ থকাৰ পিছত কৰ্মৰত কৰ্মচাৰীসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে গণৰাজ্য দিৱসত অংশ লয়।এই গণৰাজ্য দিৱস পালন কৰি দেশৰ জাতি-ধৰ্ম নিৰ্বিশেষে এখন ভাৰত গঢ়াৰ আহ্বান জনায় গাঁও পঞ্চায়তখনৰ সচেতন ব্যক্তিসকলে।

# সমজিলাৰ সদৰ স্থান বঢ়মপুৰৰ মধ্য স্থলত স্থাপনৰ দাবীত তিনি ঘন্টীয়া অৱস্থান ধৰ্মঘট

**ই-সংবাদ, পুৰণিগুদাম, ২৭ জানুৱাৰীঃ** প্ৰশাসনিক ব্যৱস্থাটোক জনসাধাৰণে ওচৰৰ পৰা পাবৰ বাবে চৰকাৰে যি সমজিলা ঘোষণা কৰিছিল কিন্তু বঢ়মপুৰ সমষ্টিৰ সমজিলাৰ নাম ঘোষণা কৰা নাই যদিও তাৰ বিপৰীতে সমষ্টিৰ কিছু কাম-কাজ কামপুৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ পৰা হোৱা দৃষ্টিগোচৰ হৈছে। তাৰে প্ৰতিবাদত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত বঢ়মপুৰ কেন্দ্ৰীয় সমজিলা নাগৰিক সমন্বয়ৰক্ষী সমিতিৰ সহযোগত সমজিলাৰ সদৰ স্থান সমষ্টিৰ মধ্যস্থলত স্থাপনৰ দাবীত আজি দিনৰ দহ বজাৰ পৰা ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি অনুষ্ঠিত অৱস্থান ধৰ্মঘট কাৰ্যসূচীত উপস্থিত থাকে বঢ়মপুৰ কেন্দ্ৰীয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি ভৰত দাস, যুটীয়া সম্পাদক মৃদুল কলিতা, প্ৰদীপ শইকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নগাঁও জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মা, উপ-সভাপতি চন্দন ফুকন, সাধাৰণ সম্পাদক হেমন্ত দাস, যুটীয়া সম্পাদক দিব্যজিত হাজৰিকা, সাংগঠনিক সম্পাদক ওৱাছিফ আলম, কাৰ্যনিৰ্বাহক সদস্য অজয় জোতি বৰুৱাৰ লগতে পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকা আৰু সাধাৰণ সম্পাদক মাহমদুৰ ৰহমান লগতে চামগুৰি উচ্চতৰ মাধ্যমিকৰ প্ৰাক্তন অধ্যক্ষ দুৰ্লভ মহন্ত, জ্যেষ্ঠ চিকিৎসক ডাঃ ধীৰেন বৰকাকতি, চামগুৰি শাখা সাহিত্য সভাৰ সভাপতি অতুল নাথ, কলং কলা কেন্দ্ৰৰ সম্পাদক চিত্তৰঞ্জন বৰা, পুৰণিগুদামৰ জ্যেষ্ঠ নাগৰিক প্ৰবীন বৈৰাগী, মাণিক চন্দ্ৰ গায়ন, দেবজিত বৰা, তিলক গায়ন, জগমোহন শৰ্মা, জ্যোতিময় গোস্বামী, নিৰ্মল ভূঞা, অলক বৰা, দিলীপ গায়ন, হৰেন গোস্বামী আদিকে ধৰি কেইবাজনো অঞ্চলৰ জ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰে। লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতিৰ অৰ্ধ শতাধিক সতীৰ্থৰ উপৰিও অঞ্চলৰ প্ৰায় শতাধিক জ্যেষ্ঠ লোকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অন্তত চামগুৰি ৰাজহ চক্ৰ বিষয়াগৰাকীৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখনি স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়।

# যোৰহাটত ৭৬ সংখ্যক গণৰাজ্য দিৱস পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৭ জানুৱাৰীঃ** দেশৰ ৭৬ সংখ্যক গণৰাজ্য দিৱস যোৰহাট জিলাত ক্ৰীড়া সন্থাৰ খেলপথাৰত পালন কৰা হয়। ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী বিমল বৰাই জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ লগতে স্বাধীনতা সংগ্ৰামৰ নেতৃবৃন্দ, মুক্তিযুঁজাৰুসকল আৰু স্বাধীনতা সংগ্ৰামৰ শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। স্বাধীন ভাৰতৰ সংবিধান প্ৰণেতা ডঃ ভীমৰাও ৰামজী আম্বেদকাৰ আৰু সংবিধান সভাৰ লগত জড়িত দেশৰ মহান নেতাসকলকো শ্ৰদ্ধাৰে স্মৰণ কৰে। ৰাজ্যৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনক দেশৰ ভিতৰত অন্যতম সমৃদ্ধিশালী ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈ কাম কৰি আছে বুলি কয়। ৰাজ্যখনৰ আন জিলাৰ লগতে যোৰহাট জিলাতো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনিসমূহ ৰূপায়ণ কৰি থকা হৈছে। মন্ত্ৰীগৰাকীয়ে বৰ্তমান চৰকাৰৰ কাৰ্যকালত জিলাখনৰ বিভিন্ন বিভাগৰ কাম-কাজৰ অগ্ৰগতি তথা উন্নয়নৰ খতিয়ান উল্লেখ কৰি বিশ্বৰ বৃহত্তম গণৰাজ্যৰ নাগৰিক হিচাপে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি সমাজ-দেশৰ উন্নয়নৰ বাবে অৰিহণা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। যোৰহাট জিলা আয়ুক্ত জয় শিৰানীয়ে জিলাখনৰ বিভাগসমূহৰ সমন্বয়ৰ জৰিয়তে ৰাইজৰ সেৱাত ব্ৰতী হোৱাত লোৱা ভূমিকাক মন্ত্ৰীগৰাকীয়ে আদৰণি জনোৱাৰ লগতে জিলাখনত এনে প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। মুখ্য অতিথি মন্ত্ৰী বিমল বৰাই কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনী, কেন্দ্ৰীয় উদ্যোগিক সুৰক্ষা বাহিনী, অসম আৰক্ষী, গৃহৰক্ষী, অসামৰিক প্ৰতিৰক্ষা বিভাগ, এন,চি,চি, স্কাউট গাইড আদিৰ কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। জিলাখনৰ বিভিন্ন বিভাগে প্ৰদৰ্শন কৰা প্ৰতীক পদত জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰথম স্থান, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে দ্বিতীয় স্থান, জিলা কৃষি বিভাগে তৃতীয় স্থান লাভ কৰে। যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, জিলা আয়ুক্ত জয় শিৰানী, আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ, মুক্তিযোদ্ধাৰ পৰিয়াল, জিলাখনৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে বিভাগীয় মুৰব্বী-বিষয়া, জিলা-প্ৰশাসন, আৰক্ষী প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে কেইবাশতাধিক লোক উপস্থিত থাকে। তদুপৰি, যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট), পুলিবৰ আৰক্ষী থানা, বেংক, ডাকঘৰ, অঙ্গনৱাড়ীৰ পৰা সমূহ শিক্ষানুষ্ঠান, কাজিৰঙা বিশ্ববিদ্যালয়, দিল্লী পাব্লিক স্কুল, পুথিভঁৰাল, সংঘ, সংস্থা, মহিলা সমিতি, মইনা পাৰিজাত, কলা-কৃষ্টি কেন্দ্ৰসমূহৰ লগতে বাসগৃহসমূহতো গণৰাজ্য দিৱসত পতাকা উন্মোচন কৰে। জিলা প্ৰশাসনৰ লগতে ভালেকেইটা অনুষ্ঠানে চিকিৎসালয়সমূহত থকা ৰোগী, বৃদ্ধাশ্ৰম, অনাথ আশ্ৰমসমূহত থকা আৱাসী সকলক ফল-মূল, খাদ্যৰ টোপোলা প্ৰদানৰ লগতে ভালেকেইটা অনুষ্ঠানে প্ৰীতি খেল-ধেমালি অনুষ্ঠিত কৰে। কেন্দ্ৰীয়-ৰাজ্য চৰকাৰৰ কাৰ্যালয়ৰ লগতে অন্যান্য উদ্যোগ-প্ৰতিষ্ঠানসমূহতো ত্ৰিৰংগ পতাকা উন্মোচন কৰে।

# খুমটাইৰ যোগীবাৰীত গণৰাজ্য দিৱস উদযাপন

**ই-সংবাদ, খুমটাই, ২৭ জানুৱাৰীঃ** কালি সমগ্ৰ দেশতে ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যখনৰ খুমটাই সমষ্টিতো বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত খুমটাই সমষ্টি ভিত্তিত গণৰাজ্য দিৱস উদযাপন কৰা হয়। বিধায়ক গৰাকীয়ে সমষ্টিৰ ৰাইজৰ উপস্থিতিত যোগীবাৰী গ্ৰাম্য পৰ্যটন ক্ষেত্ৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। এই গণৰাজ্য দিৱসত খুমটাইত ৰাজ্যৰ ভিতৰত সৰ্ববৃহত ৰাষ্ট্ৰীয় পতাকা প্ৰদৰ্শন কৰা হয়। খুমটাইৰ যোগিবাৰী গ্ৰাম্য পৰ্যটন ক্ষেত্ৰত গণৰাজ্য দিৱস হিচাপে প্ৰদৰ্শিত দুখনকৈ বৃহৎ পতাকাই দৃষ্টি আকৰ্ষণ কৰিছে সকলোকে। বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত ব্যতিক্ৰমীভাৱে আয়োজন হোৱা গণৰাজ্য দিৱসে আকৰ্ষিত কৰে সকলোকে। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি খুমটাই যুৱক-যুৱতীসকলৰ জৰিয়তে দেশপ্ৰেমমূলক গীত আৰু নৃত্যৰ সমহাৰে উপস্থিত ব্যক্তিসকলক আহ্লাদিত কৰে। খুমটাই বিধায়কৰ এনে ব্যতিক্ৰমী প্ৰচেষ্টাক সমষ্টিবাসী ৰাইজে একে মুখে প্ৰশংসা কৰে।

# বাক্সাত এচিআৰডিৰ উদ্যোগত বিশেষ স্বাস্থ্য শিবিৰ সম্পন্ন

**ই-সংবাদ, মুছলপুৰ, ২৭ জানুৱাৰীঃ** বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত ভূটানখুটিত দেওবাৰে অসমৰ এটি আগশাৰীৰ বেচৰকাৰী সংস্থা এচিআৰডিৰ উদ্যোগত আৰু এছ বি আই ফাউণ্ডেছনৰ অৰ্থ সাহায্যত বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। গাঁৱৰ সৰ্বসাধাৰণ লোকসকলক প্ৰাথমিক পৰ্যায়ৰ সকলোধৰণৰ স্বাস্থ্য সম্বন্ধীয় সা-সুবিধা প্ৰদান কৰাটো মূল লক্ষ্য হিচাপে লৈ আৰম্ভ কৰা বিশেষ স্বাস্থ্য শিবিৰে বাক্সা জিলাৰ প্ৰায় ২০ খনকৈ গাঁও সামৰি লৈছে। আছাম চেন্টাৰ ফ'ৰ ৰুৰেল ডেভেলপমেণ্ট চমুকৈ এচিআৰডি নামৰ সংস্থাটোৱে বাক্সা জিলাৰ অন্তৰ্গত গাঁওসমূহলৈ এটি টীমৰ সহায়ত গৈ গাঁৱৰ সৰ্বসাধাৰণ লোকসকলৰ বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিভিন্ন ধৰণৰ ৰোগৰ ঔষধ বিতৰণ কৰিছে বুলি অৱগত কৰে এছ বি আই সঞ্জীৱনী নামেৰে নামাকৰণ কৰা প্ৰকল্পটোৰ বাক্সা জিলা প্ৰকল্প বিষয়া কল্যাণ ডেকাই। তেওঁ লগতে জানিবলৈ দিয়া অনুসৰি বৰ্তমানলৈকে জিলাখনৰ অন্তৰ্গত ভূটানখুটি, সুৱণখাটা, দিহিৰা, দুৰ্গাপুৰ, সুবনশ্ৰী, ধনশ্ৰীপুৰ, দিহিৰা আৰ এফ, মধুপুৰ, এ-ব্লক, বি-ব্লক, চি-ব্লক, ডুমুনী, অৰনিবিল, সোণাপুৰ, অহোপা, ডেকাডোং, ভোগপাৰা, নাহৰবাৰী, নাৰায়ণপুৰ, পলাশগুৰিকে ধৰি কেবাখনো গাঁৱত স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰি আহিছে। উল্লেখ্য যে আজি সাৰথি হস্পিটেল নলবাৰীৰ সহযোগত অনুষ্ঠিত বিশেষ স্বাস্থ্য শিবিৰত বহু কেইগৰাকী বিশেষজ্ঞ চিকিৎসকে উপস্থিত থাকি ৰোগীসকলৰ স্বাস্থ্য-পৰীক্ষা কৰাৰ উপৰি পৰামৰ্শ প্ৰদান কৰে। লগতে স্বাস্থ্য পৰীক্ষা কৰা দুই শতাধিক ৰোগীক বিনামূলীয়া ঔষধো বিতৰণ কৰা হয়।

# তামুলপুৰত এন আৰ ডি এছ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**ই-সংবাদ, তামুলপুৰ, ২৭ জানুৱাৰীঃ** ইংৰাজী নৱবৰ্ষৰ আৰম্ভণিতে তামুলপুৰৰ বাবে এটি সুখবৰ। তামুলপুৰ পুৰাণ চ'কত গণতন্ত্ৰ দিৱসৰ দিনাই পুৱা ১১:৩০ বজাত শুভাৰম্ভ কৰা এন আৰ ডি এছ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে তামুলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মোছাহাৰীয়ে। প্ৰাক্তন বিধায়কগৰাকীয়ে কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটোৱে তামুলপুৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহুদিনীয়া অভাৱ পূৰণ কৰিব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে বন্তি প্ৰজ্বালন কৰে তামুলপুৰ উলুবাৰী আঞ্চলিক হাইস্কুলৰ সহঃ শিক্ষক মহেশ বৈশ্যই। উদ্বোধনী অনুষ্ঠানত এন আৰ ডি এছৰ ধমধমাৰ সঞ্চালক যতীন বড়ো, সাংস্কৃতিক কৰ্মী অভিজিত দাস, অৱসৰপ্ৰাপ্ত শিক্ষক জ্যোতিষ দাস, যুৱ সমাজকৰ্মী মুকুন্দ বৈশ্য, প্ৰশিক্ষকদ্বয় দীপনা সৰকাৰ আৰু অনামিকা বৈশ্য, ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীসকল উপস্থিত থাকে। প্ৰশিক্ষক দীপনা সৰকাৰে জনোৱা মতে আগ্ৰহী শিকাৰুসকলে নামভৰ্তিৰ বাবে ৭০০২৬২০৩৫৩ অথবা ৬০০২৬০৯৭৩২ নম্বৰত শীঘ্ৰে যোগাযোগ কৰিব পাৰিব।

# বিটিআৰ চুক্তিৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে তামুলপুৰত ইউপিপিএলৰ বাইক ৰেলী

**ই-সংবাদ, তামুলপুৰ, ২৭ জানুৱাৰীঃ** বিটিআৰ চুক্তিৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে আজি সমগ্ৰ বিটিআৰ অঞ্চলৰ লগতে তামুলপুৰ জিলাতো ইউপিপিএল দলে শান্তিৰ সমদল বাইক ৰেলী উলিয়ায়। তামুলপুৰৰ দৰঙাজুলি ব্লক ইউপিপিএলৰ উদ্যোগত আজি কদালপাৰাৰ লক্ষ্মী আৰু মাইনাও মন্দিৰ প্ৰাংগণৰ পৰা পাটকিজুলীলৈ প্ৰায় ২০ কিলোমিটাৰ শান্তিৰ সমদল বাইক ৰেলী উলিয়ায়। দৰঙাজুলী ব্লক ইউপিপিএলৰ সভাপতি ৰাফেল দৈমাৰীয়ে আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট সমাজকৰ্মী ধীৰেন ৰাভা আৰু কাতিৰাম ৰাভাই শান্তিৰ প্ৰতিক পাৰ চৰাই উৰুৱায়। বাইক ৰেলীৰ পূৰ্বে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে বিটিআৰ শান্তি চুক্তিৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰা বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে চুক্তি চাক্ষৰকাৰী সকলোকে শান্তিৰ জয়যাত্ৰাত আগুৱাই যোৱাৰ ক্ষেত্ৰত বিটিআৰৰ পথ প্ৰশস্ত কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। এইক্ষেত্ৰত অনাগত দিনত বিটিআৰত বসবাস কৰা সকলো জাতি জনগোষ্ঠীৰ লোকক আগন্তুক দিনত শান্তি সম্প্ৰীতিৰে বিটিআৰ অঞ্চলটো আগুৱাই লৈ যাব বুলিও বিধায়ক গৰাকীয়ে আশা প্ৰকাশ কৰে। দৰঙাজুলি ইউপিপিএলৰ সমন্বয়ক নেৰখাং খাখলাৰীয়ে পতাকা জোকাৰি শুভাৰম্ভ কৰা বাইক ৰেলীটোত দলটোৰ সহস্ৰাধিক সমৰ্থকে অংশগ্ৰহণ কৰে। বাইক ৰেলীৰ অন্তত বিটিআৰ শান্তিচুক্তি উপলক্ষে দলটোৰ নেতা কৰ্মীসকলে পাটকিজুলীত এখন সাধাৰণ সভা অনুষ্ঠিত কৰি বিগত পাঁচটা বৰ্ষত বিটিআৰ অঞ্চলত শান্তি প্ৰতিস্থা কৰাৰ ক্ষেত্ৰত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ লগতে অঞ্চলটোত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ লোকক ধন্যবাদ জ্ঞাপন কৰে। আজিৰ এই কাৰ্যসূচীত তামুলপুৰ জিলা ইউপিপিএলৰ অ'বিছি চেলৰ সভাপতি বীৰেণ দাস, ইউপিপিএল নেতা অঞ্জন বড়ো, মনোজ গয়াৰী, ভোগেশ্বৰ ৰাভা, ৰকেট ৰাভা, নৰেন বড়োসহ দলটোৰ কেইবাগৰাকীও নেতা কৰ্মী উপস্থিত থাকে। ইপিনে, জিলাখনৰ গয়বাৰী, নাগ্ৰীজুলি, শুক্লাই চেৰফাং আৰু গোৰেশ্বৰ ব্লকটো ইউপিপিএল দলে শান্তি সমদল বাইক ৰেলী উলিয়ায়। তামুলপুৰ জিলাৰ প্ৰতিটো ব্লকত ইউপিপিএল দলে উলিওৱা শান্তিৰ সমদল বাইক ৰেলীত কেইবা সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে।

# জিলা প্ৰশাসনৰ উদ্যোগত তামুলপুৰত গণৰাজ্য দিৱস পালন

**ই-সংবাদ, তামুলপুৰ, ২৭ জানুৱাৰীঃ** সমগ্ৰ দেশতে কালি ৭৬ সংখ্যক গণৰাজ্য দিৱস পালন কৰা হয়। তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগতো তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱস আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। ছহিদ তৰ্পণৰ পাছত পতাকা উত্তোলন কৰে তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱতীয়ে। পতাকা উত্তোলন কৰি আয়ুক্তগৰাকীয়ে জিলাখনৰ উন্নয়নৰ কথা দোহাৰি সুদীৰ্ঘ ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতেই ৯খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি এছ এছ বি, আৰক্ষী, এনচিচি, আৰ্মীৰ বেণ্ডসহ ৩৩৯গৰাকীৰ মাৰ্চপাৰ্চৰ অভিবাদন গ্ৰহণ কৰে জিলা আয়ুক্তগৰাকীয়ে। আজিৰ অনুষ্ঠানত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগে তেওঁলোকৰ বিভাগৰ লগত সংগতি ৰাখি একোটাকৈ প্ৰতীক পট প্ৰদৰ্শন কৰে। বিশেষকৈ হস্তী-মানুহৰ সংঘাত, মাদকদ্ৰব্য সেৱনৰ ফলত পথ দুৰ্ঘটনা, জনস্বাস্থ্য কাৰিকৰী, হস্তত‍াঁত বস্ত্ৰশিল্প আদি বিভাগে তেওঁলোকৰ প্ৰতীক পটসমূহ আগবঢ়ায়। সমান্তৰালভাৱে তামুলপুৰত প্ৰথমবাৰৰ বাবে গণৰাজ্য দিৱসৰ কাৰ্যসূচীত গুৱাহাটী ফ্ৰন্টিয়াৰ এছ এছ বিৰ ফালৰ পৰা কেন্দ্ৰীয়ভাৱে ডগ শ্ব' প্ৰদৰ্শন কৰা হয়। লগতে ভাৰতীয় সেনাবাহিনীৰ পাইপ বেণ্ড আৰু অত্যাধুনিক আৰ্মছ এণ্ড এমিউনেছন প্ৰদৰ্শন আদি কেতবোৰ আটকধুনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইপিনে, জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, স্বেচ্ছাসেৱী সংস্থা, শিল্পী, কলা-কুশলীৰ দ্বাৰা দেশভক্তিমূলক গীত, নৃত্য প্ৰদৰ্শন, যোগাভ্যাস প্ৰদৰ্শন আদি কৰা হয়। উক্ত অনুষ্ঠানটোত জিলাখনত বিভিন্ন শিতানত অগ্ৰগতি তথা সুচাৰুৰূপে দায়িত্ব আৰু কৰ্তব্য পালন কৰা কেবাগৰাকীও লোকৰ লগতে বহুকেইগৰাকী সমাজকৰ্মীক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে বঁটা বিতৰণো কৰা হয়। এই কাৰ্যসূচীত তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱতী, আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ এমচিএলএ হেমন্ত কুমাৰ ৰাভাসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বালাজানত চুৰি সামগ্ৰী উদ্ধাৰ

**ই-সংবাদ, গোলকগঞ্জ, ২৭ জানুৱাৰীঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত দুমৰদহ চতুৰ্থ খণ্ড গাঁৱত কালি দুপৰীয়া আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ কৰে। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত বালাজান আৰক্ষীয়ে অতৰ্কিতে গাঁওখনৰ কছৰ আলীৰ পুত্ৰ জমিৰ হুছেইনৰ ঘৰত অভিযান চলায়। ঘৰখনত তালাচী চলাই ঘৰৰ পিছফালে লুকুৱাই ৰখা বিছ কুইন্টলৰো অধিক লোৰ কয়েল উদ্ধাৰ কৰে। উদ্ধাৰকৃত সামগ্ৰীখিনিৰ আনুমানিক বজাৰ মূল্য প্ৰায় ডেৰ লক্ষ টকা। ইপিনে, আৰক্ষীৰ অভিযানৰ উমান পাই আৰক্ষী উপস্থিত হোৱাৰ পূৰ্বেই ঘৰৰ গৰাকী জমিৰ হুছেইন পলায়ন কৰে। আৰক্ষীয়ে লোৰ কয়েল (ৰোড )সমূহ জব্দ কৰি আৰক্ষী চকী লৈ আনে। লোৰ কয়েলসমূহ কোনো স্থানৰ পৰা চুৰি কৰি আনি জমিৰে জমা কৰা বুলি আৰক্ষী সন্দেহ প্ৰকাশ কৰিছে। কালি আৰক্ষীৰ অভিযানৰ উমান পাই পলায়ন কৰা জমিৰ পুনৰ ঘৰলৈ ঘূৰি আহে যদিও আৰক্ষীয়ে আটক নকৰা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।

# ককাদেউতাকৰ গ্ৰন্থ 'মুকলি চিঠি' উন্মোচন নাতিৰ

**ই-সংবাদ, শুৱালকুছি, ২৭ জানুৱাৰীঃ** কামৰূপ জিলাৰ বংশৰ নিবাসী বিশিষ্ট সমাজ কৰ্মী, ক্ৰীড়া সংগঠক, শিক্ষাবিদ, সমাজ ৰত্ন কনক দাসৰ উদ্যোগত তেওঁৰ বাসগৃহত হাজো ৰাজহ চক্ৰ ভিত্তিত এক বৃহৎ আৰু 'ব্যতিক্ৰমী আড্ডা' অনুষ্ঠান ২৬ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত নিজ হাজো, ৰামদিয়া, বৰ্ণি, কোঁৱৰপুৰ, মনাহকুছি, দমদমা, পাঁচগাঁও, চেঁচামুখ, কুলহাটী, পছৰীয়া, দদৰা, আজ্ঞাঠুৰী, দলিবাৰী, শুৱালকুছি, দধি, ৰৌমাৰী আদি বিভিন্ন গাঁৱৰ শিক্ষা, সমাজসেৱা, ক্ৰীড়া, সাহিত্য, ৰাজনীতি, সংবাদসেৱাৰ লগত জড়িত ডেৰ শতাধিক বিশিষ্ট ব্যক্তি 'ব্যতিক্ৰমী আড্ডা' অনুষ্ঠানটোত উপস্থিত থাকে। বিশেষ অতিথি হিচাপে অসম চৰকাৰৰ প্ৰাক্তন আয়ুক্ত সচিব থানেশ্বৰ মালাকৰ, বিশিষ্ট সাহিত্যিক মইনা গোস্বামী, প্ৰাক্তন প্ৰাথমিক শিক্ষা সঞ্চালক ড° বসন্ত কুমাৰ দাস, প্ৰাক্তন বন বিষয়া মোহন চন্দ্ৰ মালাকাৰ, গুৱাহাটী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° দীনেশ চন্দ্ৰ কাকতি, বিজেপি অসম প্ৰদেশৰ অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, অসম বাৰ্তাজীৱি সংঘৰ সভাপতি মধুসূদন মেধি, কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰুণী চৰন কলিতা, দাপোণৰ সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থ, পুব বংশৰ সমন্বয় সমিতিৰ সভাপতি দিবাকৰ কলিতাৰ লগতে অঞ্চলটোৰ বহু কেইগৰাকী সমাজ সংগঠক, শিক্ষাবিদ উপস্থিত থাকে। প্ৰাক্তন বেংক বিষয়া ৰবীন পাঠকে আঁত ধৰা আড্ডা অনুষ্ঠানটোত প্ৰতি গৰাকী অভ্যাগতক এখনি ফুলাম গামোচা আৰু কিতাপৰ টোপোলাৰে আদৰণি জনোৱা হয়। সমাজ-সংস্কৃতি, শিক্ষা-ক্ৰীড়া আদি প্ৰায় দিশতে মনোগ্ৰাহী 'ব্যতিক্ৰমী আড্ডা' অনুষ্ঠানটোত শুৱালকুছিৰ অশীতিপৰ দীনেশ চন্দ্ৰ বৈশ্যই মহামানৱ মহাত্মা গান্ধীৰ শুৱালকুছি ভ্ৰমণৰ স্মৃতি স্মৰণ কৰে। প্ৰাক্তন আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে নিজৰ কৰ্ম জীৱনত ঘটা বিভিন্ন ঘটনা স্মৰণ কৰাৰ লগতে বৰ্তমানৰ যান্ত্ৰিক যুগত এনেদৰে প্ৰীতি আড্ডাৰ দৰে সম্পূৰ্ণ অভিনৱ অনুষ্ঠিত কৰা বাবে উদ্যোগতাক ধন্যবাদ জ্ঞাপন কৰে। সাহিত্যিক মইনা গোস্বামী, সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাস, ৰঞ্জিত টাকু, ড° বসন্ত কুমাৰ দাস, শিক্ষক সনাতন বৈশ্য, সাহিত্যিক বাবুল দাস, সমাজসেৱক হৰগোবিন্দ নাথ আদিয়ে সমাজ, শিক্ষা, ক্ৰীড়া, ৰাজনীতিকে সামৰি বিভিন্ন দিশত ৰসাল আলোচনা আগবঢ়ায়। ইয়াৰ পূৰ্বে সমাজৰত্ন কনক দাসৰ দ্বাৰা ৰচিত শেহতীয়া গ্ৰন্থ 'মুকলি চিঠি' উন্মোচন কৰে শিক্ষাবিদ গৰাকীৰ নাতি-নাতিনী ক্ৰমে তনবি প্ৰৱাল ভৰালী, শ্ৰুতি এইচ কাশ্যপ আৰু শিশু আহান কাশ্যপে। সমাজৰ বিভিন্ন স্তৰৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি বহু মূল্যৱান পৰামৰ্শৰে দহখন মুকলি চিঠি সন্নিবিষ্ট কৰি প্ৰকাশ কৰা পুঁথিখনৰ ব্যতিক্ৰমী উন্মোচনী কাৰ্যসূচীকো সকলোৱে প্ৰশংসা কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# অসম কৃষি বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৰাষ্ট্ৰীয় একতা শিবিৰৰ সফল সামৰণি

**ই-সংবাদ, যোৰহাট, ২৭ জানুৱাৰীঃ** অসম কৃষি বিশ্ববিদ্যালয়ত সপ্তাহ জোৰা কাৰ্যসূচীৰে অনুষ্ঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৰাষ্ট্ৰীয় একতা শিবিৰ(এন আই চি)ৰ আজি সামৰণি পৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ মূল চৌহদৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত আয়োজিত শিবিৰৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ শংকৰ দাসে অংশগ্ৰহণ কৰে। সকলোকে আত্মিকভাৱে ভাৰতীয় হ'বলৈ এনে শিবিৰে উদ্ধুদ্ধ কৰে বুলি উল্লেখ কৰি ভাষণত কয় যে বিনা সংগঠনৰ জৰিয়তে ৰাষ্ট্ৰ আগনাবাঢ়ে, সেয়ে ভাৰতীয় হিচাপে সামাজিক সামঞ্জস্য ৰক্ষা কৰি বিবিধতাৰ মাজত একতাৰ লগতে পৰিৱেশ, পৰিৱেশন তথা সাংস্কৃতিক দৃষ্টিৰে আগবাঢ়িব লাগিব। আমাৰ সংস্কৃতি বিশ্বক জোৰা লগোৱা সংস্কৃতি বুলি উল্লেখ কৰি প্ৰতিযোগিতাৰ পৰিবৰ্তে সমভাৱ ৰাখি ভাৰত আগবাঢ়িব বুলি উল্লেখ কৰে। শিবিৰৰ সাংগঠনিক সম্পাদক তথা ছাত্ৰ কল্যাণ সঞ্চালক ডঃ বিনয় কুমাৰ মেধিয়ে বক্তব্য আগবঢ়োৱা অনুষ্ঠানটোত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সৌমিত্ৰ পূজাৰীয়ে সমদৃষ্টি আৰু সমভাৱেৰে সৈতে নৱপ্ৰজন্মৰ চিন্তাধাৰা আগুৱাই যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ব্ৰেইন ড্ৰেইন বৰ্তমান সময়ত এক চিন্তাৰ কাৰণ বুলি প্ৰকাশ কৰি ধনী-দুখীয়া, উচ্চ-নীচ, ধৰ্ম, সম্প্ৰদায়, শৈক্ষিক স্থিতি আদিৰ উৰ্ধত আগবাঢ়ি লাগিব বুলি উল্লেখ কৰে। অনুষ্ঠানত ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনৰ এন এছ এছৰ আঞ্চলিক সঞ্চালকালয়ৰ সঞ্চালক জংজিলংয়ে অংশগ্ৰহণ কৰি এনে শিবিৰৰ ফলপ্ৰসূতাৰ ওপৰত আলোকপাত কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ বিদ্যুৎ চন্দন ডেকাই সঞ্চালকৰ বক্তব্যত সুদীৰ্ঘ ২৬ বছৰৰ পাছত অসমত হোৱা সৰ্বভাৰতীয় পৰ্যায়ৰ এই শিবিৰে বিশ্ববিদ্যালয়ৰ পৰিয়ালক গৌৰৱান্বিত কৰা বুলি উল্লেখ কৰি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সম্পৰ্কত নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত শিবিৰ উপলক্ষে প্ৰকাশিত স্মৰণিকা উন্মোচন কৰাৰ লগতে প্ৰতিযোগিতাত স্থান প্ৰাপ্ত সকলক পুৰস্কাৰ প্ৰদান কৰা হয়। ৰংগোলী প্ৰতিযোগিতাত অন্ধ্ৰ প্ৰদেশ দলে প্ৰথম, অসম দলে দ্বিতীয় আৰু হাৰিয়ানা দলে তৃতীয় স্থান লাভ কৰে। পেইন্টিং প্ৰতিযোগিতাত ঝাড়খণ্ডৰ শচীন কুমাৰে প্ৰথম, অসমৰ প্ৰাণজিৎ শইকীয়াই দ্বিতীয় আৰু হাৰিয়ানাৰ আৰতীয়ে তৃতীয় স্থান লাভ কৰে। বক্তৃতা প্ৰতিযোগিতাত অৰুণাচল প্ৰদেশৰ জাংলিন লাহৰাই প্ৰথম, হাৰিয়ানা কৃষলয় কুমাৰ ঝাই দ্বিতীয় আৰু তামিলনাডুৰ নন্দিনী প্ৰিয়দৰ্শিনীয়ে তৃতীয় স্থান লাভ কৰে।

# ১০০ সংখ্যক 'গল্পকথাৰ দিনবোৰ সুঁৱৰি' শীৰ্ষক বিশেষ অনুষ্ঠান




**ই-সংবাদ, গুৱাহাটী, ২৭ জানুৱাৰীঃ** অসমীয়া ভাষা-সাহিত্য, সংস্কৃতি আৰু সমাজসেৱাত উৎসৰ্গিত চৰকাৰী পঞ্জীয়নভুক্ত স্বেচ্ছাসেৱী অনুষ্ঠান 'স্পন্দন... শব্দৰ পৰা হৃদয়লৈ'ৰ উদ্যোগত আৰু 'সুৰৰ দেউল'ৰ সহযোগত ২৬ জানুৱাৰী দেওবাৰে উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত '১০০ সংখ্যক গল্পকথাৰ দিনবোৰ সুঁৱৰি' শীৰ্ষক এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। বিশিষ্ট কবি, লেখক অতনু ভট্টাচাৰ্য আৰু বিশিষ্ট শাস্ত্ৰীয় সংগীত শিল্পী মিতালি দে'ৰ গল্পকথন আৰু সংগীতৰ যুগলবন্দীৰ অনুষ্ঠান 'গল্পকথা'ৰ ১০০ টা মঞ্চানুষ্ঠান সম্পূৰ্ণ হোৱা উপলক্ষে এই বিশেষ গল্পকথাৰ অনুষ্ঠান আয়োজন কৰা হয়। বিবেকানন্দ কেন্দ্ৰৰ পৰম্পৰা অনুসৰি মিনতি বৰ্মনৰ শান্তিপাঠেৰে অনুষ্ঠান আৰম্ভ হয়। 'কটন কলেজ'ৰ স্ৰষ্টা বিশিষ্ট সাহিত্যিক, প্ৰকাশক নবীন বৰুৱাই বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰা অনুষ্ঠানত সহকাৰী সম্পাদক হিমাংশু ভাগৱতীয়ে আদৰণি ভাষণ প্ৰদান কৰি স্পন্দনৰ এই আয়োজনৰ বিষয়ে সবিশেষ অৱগত কৰে। শিল্পীদ্বয়ে 'গল্পকথা' পৰিৱেশন কৰাৰ মাজে মাজে বিশিষ্ট লেখক আলোচক, লেখক ডঃ বিভাস চৌধুৰী, অনুবাদক ডঃ ভূষণ চন্দ্ৰ পাঠক, গল্পকাৰ নীলোৎপল বৰুৱা, ডঃ নমিতা বৈশ্য, ডাঃ নয়নজ্যোতি শৰ্মাই নিজৰ প্ৰিয় গল্পৰ বিষয়ে কয়। ঔপন্যাসিক লীনা শৰ্মাই 'গল্পকথা'লৈ শুভেচ্ছামূলক ভাষণ দিয়ে। 'স্পন্দন... শব্দৰ পৰা হৃদয়লৈ'ৰ সভাপতি ময়ূৰী দত্তই আঁত ধৰা অনুষ্ঠানটিত অৰ্ণৱ শইকীয়া আৰু কল্যাণ কলিতাই 'গল্পকথা' সম্পৰ্কত নিজৰ অনুভৱ ব্যক্ত কৰে। উল্লেখ্য যে কালি 'গল্পকথা'ৰ ১০২ সংখ্যক মঞ্চানুষ্ঠান আছিল। 'স্পন্দন... শব্দৰ পৰা হৃদয়লৈ'ৰ পৰা দুয়োগৰাকী শিল্পীকে অংগবস্ত্ৰ আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। দুই শতাধিক দৰ্শক-শ্ৰোতাৰ উপস্থিতিয়ে অন্যান্য মাত্ৰা প্ৰদান কৰা অনুষ্ঠানৰটোৰ শেষত শলাগৰ শৰাই আগবঢ়ায় 'স্পন্দন... শব্দৰ পৰা হৃদয়লৈ'ৰ সম্পাদক দেৱব্ৰত বৰাই।




# গোলকগঞ্জত ড্ৰাগছসহ আটক ১

**ই-সংবাদ, গোলকগঞ্জ, ২৭ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত মটেৰঝাৰত যোৱা নিশা ৯ বজাত আৰক্ষীয়ে অভিযান চলাই বাইকত অহা এজন সৰবৰাহকাৰীক নিষিদ্ধ ড্ৰাগসহ আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ আৰক্ষী এক ভিতৰুৱা স্থানত খাপ পিটি আছিল। লালকুৰাৰ পৰা AS-17 D-8503 নম্বৰৰ ছুপাৰ স্পেলেণ্ডাৰ বাইকেৰে এজন যুৱক আহি গদাধৰ নদী নাৱেৰে পাৰ হৈ পুনৰ বাইকত মটেৰঝাৰ বজাৰ অভিমুখে আহি আছিল। সেই সময়তে অভিযানকাৰী আৰক্ষীৰ দলটোৱে যুৱকজনক আটক কৰে। আটকাধীন যুৱকজন গৌৰীপুৰ থানাৰ লালকুৰাৰ জব্বাৰ আলীৰ পুত্ৰ ছফিকুল হক। যুৱকজনৰ পৰা আৰক্ষীয়ে ছয়টাকৈ সন্দেহজনক ব্ৰাউন ছুগাৰ ভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰে। নিষিদ্ধ ড্ৰাগবোৰ আলমগঞ্জৰ এজনৰ পৰা লৈ অহা বুলি যুৱকজনে আৰক্ষীৰ সন্মুখত স্বীকাৰোক্তি দিয়ে। দীৰ্ঘদিনৰ পৰা যুৱকজন ড্ৰাগছৰ অবৈধ বেহাৰ লগত জড়িত বুলি অভিযোগ উত্থাপিত হৈ আহিছিল।

# আগমনিত গো-মাংস কঢ়িওৱা বাহন জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ২৭ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত সিন্দুৰাই প্ৰথম খণ্ড গাঁৱত যোৱা নিশা এক বজাত স্থানীয় ৰাইজে এখন বিলাসীবাহনত সন্দেহজনক গো-মাংস উদ্ধাৰ কৰাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। গণৰাজ্য দিৱসৰ বাবে অসম-পশ্চিমবংগ সীমান্তত আৰক্ষী প্ৰশাসনে কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰে। কালি গণৰাজ্য দিৱস পালনৰ পিছতে নিৰাপত্তা ব্যৱস্থা কিছু পৰিমাণে শিথিল হয়। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি নিশা AS-01 BM-2086 নম্বৰৰ এখন ইণ্ডিগ' বাহন খেৰবাৰী হৈ গোপনে অসমত প্ৰৱেশ কৰে। জিকে ৰোডেৰে আহি আৰক্ষীৰ ভয়ত আগমনি চাৰিআলি নাপাওতেই সিন্দুৰাই গাঁৱৰ ভিতৰুৱা বিকল্প পথেৰে গৌৰীপুৰ অভিমুখে যাত্ৰা কৰে। প্ৰথম খণ্ড গাঁৱত নিজকে ছাত্ৰ সংগঠনৰ বুলি পৰিচয় দিয়া স্থানীয় একাংশ যুৱকে বাটভেটি বাহনখন আটক কৰি আক্ৰমণ কৰে। ছেগ বুজি বাহন এৰি সৰবৰাহকাৰী পলায়ন কৰে।

# ‘লাইট, কেমেৰা-এক্সন, অসম’ৰ উদ্যোগত প্ৰেৰণা বঁটা প্ৰদান

**ই-সংবাদ, শিৱসাগৰ, ২৭ জানুৱাৰীঃ** অসমৰ অন্যতম সাংস্কৃতিক গোষ্ঠী লাইট কেমেৰা এক্সন অসমৰ উদ্যোগত কালি শিৱসাগৰৰ কে পি এম হলত গৌৰৱ বঁটা আৰু প্ৰেৰণা বঁটা ২০২৪-২৫ প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। "শিৱসাগৰ গৌৰৱ বঁটা" বিশিষ্ট নাট্যকাৰ, পৰিচালক ৰূপক ভূঞাক প্ৰদান কৰা হয়। বিগত ৪০ বছৰে নাট্য তথা সাংস্কৃতিক জগতখনলৈ সেৱা আগবঢ়োই আহিছে ৰূপক ভূঞাই। উক্ত অনুষ্ঠানতে জোনবাই, লেফেফা খ্যাত গৌতম দত্ত ফুকনক শ্ৰেষ্ঠ অভিনেতাৰ প্ৰেৰণা বঁটা প্ৰদান কৰা হয়। তদুপৰি অসমৰ বিভিন্ন জিলাৰ অৰ্ধ শতাধিক নতুন প্ৰতিভা সম্পন্ন কলা কুশলীক প্ৰেৰণা বঁটা ২০২৪-২৫ প্ৰদান কৰা হয়। অনুষ্ঠানটিৰ আৰম্ভণিতে পতাকা উন্মোচন কৰে লাইট কেমেৰা এক্সনৰ সভাপতি হিমাংশু নেওগে। বন্তি প্ৰজ্বলন কৰে সহঃসম্পাদক পাপু আহমেদে। অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ,নিবন্ধকাৰ ড° সাব্যসাচী মহন্তই। তেখেতে লাইট কেমেৰা এক্সন অসমৰ এই পদক্ষেপক ভয়ূসী প্ৰশংশা কৰে, উক্ত অনুষ্ঠানতেই শিৱসাগৰ বাণিজ্যি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তৰ উপস্থিতিত শিৱসাগৰ গৌৰৱ বটাঁ প্ৰদান কৰে। চলিত বছৰৰ পৰা আৰম্ভ হোৱা এই বঁটা প্ৰত্যেক বছৰৰ ২৬ জানুৱাৰীত প্ৰদান কৰা হ'ব বুলিও সঞ্চালক আক্ৰাম হুছেইনে জানিবলৈ দিয়ে। সাংস্কৃতিক ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই অহা আৰু নতুনকৈ এই ক্ষেত্ৰখনত নিষ্ঠাৰে কাম কৰা সকলক এই অনুষ্ঠানে উৎসাহিত কৰিব বুলি আশা কৰা হৈছে।

# চামগুৰিত কুখ্যাত ৩ গৰু চোৰক আটক

**ই-সংবাদ, পুৰণিগুদাম, ২৭ জানুৱাৰীঃ**-নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে দুদিন পূৰ্বে চামগুৰিৰ সোণাৰিবালি অঞ্চলৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চোৰাং গৰুসহ এখন গাড়ী জব্দ কৰাৰ লগতে তিনিজন লোকক আটক কৰাৰ পিছত যোৱা নিশা একে স্থানৰ পৰা তিনিজন কুখ্যাত গৰু চোৰক আটক কৰাৰ লগতে এখন বিলাসী গাড়ীসহ এখন বাইক জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ নেতৃত্বত এটা আৰক্ষী দলে যোৱা নিশা চামগুৰিৰ সোণাৰিবালি অঞ্চলৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত এক গোপন খবৰৰ ভিত্তিত গৰু চোৰৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে এ-এছ- ০২- এ-জে ৬০৫৬ নম্বৰৰ এখন বিলাসী গাড়ী আৰু এ-এছ-০২- এ- জে ৯৯৩৬ নম্বৰৰ এখন বাইক জব্দ কৰাৰ লগতে বৰমাবিল অঞ্চলৰ ইব্ৰাহীম আলী (৩৬) কনুৱামাৰি অঞ্চলৰ আব্দুল কৰিম (৩৫) আৰু বাবুল হুছেইন (২১) নামৰ তিনিজন কুখ্যাত গৰু চোৰক আটক কৰে।আৰক্ষীয়ে যোৱা নিশা আটক কৰা তিনিজন গৰু চোৰক আজি আৰক্ষীয়ে নগাঁও আদালতত হাজিৰ কৰাই জেল হাজোতলৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।উল্লেখ্য যে, নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত দিনক-দিনে গৰু চোৰৰ উপদ্ৰৱ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। নিশাৰ লগতে দিন দুপৰতে গৃহস্থৰ পশুধন চুৰি কৰি ৰাইজক অতিষ্ঠ কৰি তুলিছে।চামগুৰি আৰক্ষী থানাৰ অধীনৰ বিভিন্ন অঞ্চলত চৰকাৰীকৰণ গাঁওৰক্ষী বাহিনী আছে যদিও উক্ত গাঁওৰক্ষী বাহিনীৰ নীৰৱ ভূমিকাৰ কাৰণেই অঞ্চল সমূহত সঘনাই গৰু চুৰি ঘটনা সংঘটিত হৈ আহিছে বুলি স্থানীয় সচেতন মহলে মতপ্ৰকাশ কৰিছে। চামগুৰিৰ বিভিন্ন অঞ্চলত সঘনাই সংঘটিত হোৱা গৰু চুৰি কাণ্ড ৰোধৰ ক্ষেত্ৰত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব বুলি স্থানীয় সচেতন মহলে মতপ্ৰকাশ কৰিছে।

# লাহৰীঘাট চাঞ্চল্য , মহাবিদ্যালয়ৰ ছাত্ৰৰূপী দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ

**ই-সংবাদ, লাহৰীঘাট, ২৭ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ চাইবাৰ অপৰাধীৰ ৰম্যভূমি লাহৰীঘাটত ইজনৰ পাছত সিজনকৈ মহাবিদ্যালয়ৰ ছাত্ৰৰূপী দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ হ'বলৈ ধৰা ঘটনাই সমগ্ৰ জিলাখনতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে চলিত মাহটোতে এনে এজন মেধাৱী ছাত্ৰৰূপী দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ হোৱাৰ পাছত লাহৰীঘাটত মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখাৰ) সমীৰণ বৈশ্যৰ নেতৃত্বত চলোৱা অভিযানত কালি পুনৰ মহাবিদ্যালয়ৰ এগৰাকী মেধাৱী ছাত্ৰৰূপী দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ হয়। গ্ৰেপ্তাৰ হোৱা মেধাৱী ছাত্ৰজন হৈছে লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বোৱালগুৰি গাঁৱৰ আফতাৰ হুছেইন। বোৱালগুৰি গাঁৱৰ আৰমুজ আলীৰ পুত্ৰ তথা দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী আফতাৰ হুছেইন নগাঁৱৰ কণপাই বৰদলৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ দ্বিতীয় ষান্মাষিকৰ ছাত্ৰ। উল্লেখ্য যে ছাত্ৰৰূপী দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী আফতাৰ হুছেইনে নিজৰ ফটো দি নিজকে দিল্লীৰ কেৰল বাগৰ সঞ্জীৱ কুমাৰ সজাই ভুৱা আধাৰ কাৰ্ড আৰু পেন কাৰ্ড জমা দি এ বি এফ এল (আদিত্য বিৰলা ফাইনেন্স লিঃ) কোম্পানীৰ পৰা ৯ লাখকৈ টকা উলিয়াই আনে। ইফালে এই সন্দৰ্ভত আফতাৰ হুছেইন ওৰফে সঞ্জীৱ কুমাৰৰ নামত জিলাখনৰ মৈৰাবাৰী আৰক্ষী থানাত ১৭৮/২৪ নম্বৰত এটি গোচৰ ৰুজু হৈ আছিল। আৰক্ষীয়ে ছাত্ৰৰূপী চাইবাৰ অপৰাধীটোক গ্ৰেপ্তাৰৰ বাবে অভিযান অব্যাহত ৰাখিছিল যদিও আৰক্ষীৰ চকুত ধূলি দি পলাতক অৱস্থাত আছিল। অৱশেষত কালি নিশা জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখাৰ) সমীৰণ বৈশ্যৰ নেতৃত্বত চলা অভিযানত এক গোপন খবৰৰ ভিত্তিত অভিযানকাৰী আৰক্ষীৰ দলে দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী আফতাৰ হুছেইন ওৰফে সঞ্জীৱ কুমাৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। পাছত মৰিগাঁও আৰক্ষীয়ে ধৃত ছাত্ৰৰূপী চাইবাৰ অপৰাধীটোক মৰিগাঁও আদালতত হাজিৰ কৰাই অধিক তদন্তৰ বাবে নিজৰ জিম্মাৎ লৈ জেৰা অব্যাহত ৰাখিছে। ইফালে সহজ ধনৰ লালসাত মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ চাইবাৰ অপৰাধৰ দৰে জটিল পথত ভৰি দি নিজৰ নিজৰ ভৱিষ্যত ধ্বংস দিশে গতি কৰিবলৈ ধৰাত নিজ নিজ সন্তানৰ প্ৰতি নজৰ দিবলৈ জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই প্ৰতিগৰাকী অভিভাৱক-অভিভাৱিকাক আহ্বান জনাইছে।

# চতিয়াত দুই পক্ষৰ মাজত কাজিয়াত প্ৰাণ গ'ল এজনৰ

**ই-সংবাদ, চতিয়া, ২৭ জানুৱাৰীঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ কটৰআটি গাঁওত সংঘটিত হৈছে এক নিকৃষ্ট ঘটনা। তিনি পুত্ৰৰ লগতে আত্মীয়ৰ প্ৰহাৰত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন অৱস্থাত মৃত্যু হৈছে আজিজুৰ ৰহমান নামৰ এজন ব্যক্তিৰ। মৃত আজিজুৰ ৰহমানৰ ভাতৃ আব্দুল হকে চতিয়া আৰক্ষী থানাত দাখিল কৰা এজাহাৰ অনুসৰি কেইদিনমান পূৰ্বে তেওঁৰ জ্যেষ্ঠ ভাতৃ আজিজুৰ ৰহমানক তেওঁৰেই পুত্ৰ দিলদাৰ হুছেইন, চাবিল হুছেইন আৰু আইনুল আলীয়ে কেইজনমান আত্মীয়ৰ লগ লাগি আজিজুৰ ৰহমানৰ লগত ঘৰুৱা কথাত কেন্দ্ৰ কৰি কাজিয়াত লিপ্ত হয় আৰু পৰৱৰ্তী সময়ত আজিজুৰ ৰহমানক প্ৰহাৰ কৰি গুৰুতৰভাৱে আহত কৰি বস্তাত ভৰাই পথৰ দাতিত পেলাই থয়। কিন্তু গাঁওখনৰ একাংশ লোকে এই ঘটনা প্ৰত্যক্ষ কৰি হুলস্থুলৰ সৃষ্টি কৰাত পিছত পিতৃক বিশ্বনাথ চাৰিআলি আৰু পৰৱৰ্তী সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাই যদিও শনিবাৰে চিকিৎসালধীন অৱস্থাতে আজিজুৰ ৰহমানৰ মৃত্যু হয়। ইতিমধ্যে আজিজুৰ ৰহমানৰ মৃতদেহটো চতিয়াৰ কটৰআটি গাঁৱলৈ লৈ অহাৰ পিছত এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয়। ইতিমধ্যে মৃত আজিজুৰ ৰহমানৰ ভাতৃৰ এজাহাৰ দাখিলৰ পিছতেই চতিয়া আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও তিনি পুত্ৰ সহিতে আন অভিযুক্তসকল বৰ্তমানো পলাতক অৱস্থাত আছে।

# ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ নতুন সমিতি গঠন

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ অন্যতম সামাজিক অনুষ্ঠান চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ ত্ৰি-বাৰ্ষিক সাধাৰণ সভাখনি যোৱা ২৫ জানুৱাৰীত স্থানীয় ডিব্ৰুগড় ঈদগাহ ময়দানৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানৰ সভাপতি ডাঃ আহমেদ উল্লা খানৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ২০২৪-২৭ বৰ্ষৰ বাবে নতুন সমিতি গঠন কৰা হয়। সমিতিখনৰ সভাপতি- চেহিৰ আহমদ, উপ-সভাপতিদ্বয়- আব্দুল খালেক, ৰফিক আহমেদ, সম্পাদক- এম হাছিম আলী, সহযোগী সম্পাদকত্ৰয়- আব্দুল চাজিদ, নৌছাদ আলী আহমেদ, ইমৰাণ হুছেইন, কোষাধ্যক্ষ- চৈয়দ নুৰুজ্জামান,কাৰ্যকৰী সদস্যসকল- চুৰেয়া নুৰ বেগম খান, ৰহিমুল হুছেইন, খেলিলুৰ ৰহমান বৰবৰা, মুহিবুল হুছেইন, চৌকত আলী আৰু কমৰুজ জামান। উক্ত সভাত অনুষ্ঠানটিৰ জ্যেষ্ঠ সদস্য ফিৰোজ খান, ডাঃ ৰেইজা বৰা, মুহিবুল আহমেদে অনুষ্ঠানটিৰ সুদীৰ্ঘ ২৫ বছৰীয়া কাৰ্যকালৰ মধুৰ স্মৃতি ৰোমন্থন কৰে।

# বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত খেল মহাৰণৰ পূৰ্ণ প্ৰস্তুতি আৰম্ভ

**ই-সংবাদ, বৰপেটাৰোড, ২৭ জানুৱাৰীঃ** খেল মহৰাণ ২.০ৰ মণ্ডল পৰ্যায়ৰ মসৃণ পৰিচালনাৰ বাবে বৰপেটা জিলা প্ৰশাসনে প্ৰস্তুতি আৰম্ভ কৰিছে। আজি বৰপেটাৰ জিলা আয়ুক্তৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাখনত বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, এডিচি (ক্ৰীড়া), জিলা ক্ৰীড়া বিষয়া, শাৰীৰিক প্ৰশিক্ষক আৰু অন্যান্য বিভাগৰ প্ৰতিনিধিসকল উপস্থিত থাকে। অহা ৩, ৪ আৰু ৫ ফেব্ৰুৱাৰীত ১,০৪০ জন অংশগ্ৰহণকাৰীৰ উপস্থিতিৰে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। ইফালে, ৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া সামৰণি অনুষ্ঠানত জিলাখনৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰিব। অতিৰিক্ত আৰক্ষী অধীক্ষকে খেলসমূহ পৰিচালনাৰ বাবে পৰ্যাপ্ত নিৰাপত্তা প্ৰদানৰ বাবে সহায়ৰ আশ্বাস দিয়ে। একে সময়তে স্বাস্থ্য বিভাগে অংশগ্ৰহণকাৰীসকলৰ বাবে এম্বুলেন্স আৰু প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰাৰ আশ্বাস দিছে। এই খেলসমূহৰ প্ৰাৰম্ভিক ৰাউণ্ডত জিলাখনৰ প্ৰতিটো অঞ্চলৰ পৰা ২৫ হাজাৰৰো অধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিছে।

# মৰিগাঁৱত মুকলি ৰেপিড দবা সম্পন্ন

**ই-সংবাদ, লাহৰীঘাট, ২৭ জানুৱাৰীঃ** গণৰাজ্য দিৱস উপলক্ষে মৰিগাঁও জিলা দবা সন্থাই আয়োজন কৰা প্ৰাইজমানি এদিনীয়া মুকলি ৰেপিড দবা প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ী সন্মান লাভ কৰে দবা খেলুৱৈ ঈশান্ত প্ৰতীম ডেকাই। লাহৰীঘাটৰ কুশতলিৰ ঈশান্তই প্ৰতিযোগিতাৰ ৭ খন খেলৰ ৬ খনত জয়ী হয় আৰু এখনত ড্ৰ' কৰি প্ৰতিযোগিতাখনৰ শীৰ্ষ স্থানত থাকে। আনহাতে পোন প্ৰথমবাৰৰ বাবে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা জাগীৰোডৰ বিবেক ধৰে দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে প্ৰতিযোগিতাৰ তৃতীয়, চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰে ক্ৰমে মৰিগাঁৱৰ পীয়ুষ প্ৰীতম মচৰঙ, মায়ঙৰ অনিল ভট্টাচাৰ্য আৰু গৌতম মেধিয়ে। মহিলা শাখাত প্ৰাপ্তিবৰ্ণ ঠাকুৰীয়া, ঋত্বিকা পাটৰ আৰু তৰালী দেৱীয়ে প্ৰথম , দ্বিতীয় আৰু তৃতীয়, ছোৱালীৰ ৯ বছৰ আৰু ১১ বছৰ অনুৰ্দ্ধৰ শাখাত প্ৰাচী শৰ্মা আৰু কমলাক্ষী কলিতা শ্ৰেষ্ঠ হয়। আনহাতে ল'ৰাৰ ৯ বছৰ, ১১ বছৰ আৰু ১৩ বছৰ অনুৰ্দ্ধ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ক্ৰমে ধ্ৰুৱম শৰ্মা, কাব্যজ্যোতি কোঁৱৰ আৰু প্ৰীতম ছেত্ৰীয়ে।




মাজুলী জিলা প্ৰশাসন একাদশ আৰু সাংবাদিক একাদশৰ মাজত অনুষ্ঠিত প্ৰীতি ক্ৰিকেটত সাংবাদিক পৰাণজ্যোতি বৰাই ব্যক্তিগত ৫৫ ৰান সংগ্ৰহ কৰাত বিশেষ পুৰস্কাৰ লাভ কৰা মুহূৰ্তত

## তিনিবাৰ ফাইনেলত প্ৰৱেশ কৰিও খিতাপ জয়ত ব্যৰ্থ ঝভেৰেভ

# অষ্ট্ৰেলিয়ান অ'পেনৰ পুৰুষৰ ছিংগলছত চেম্পিয়ন জনিক চিনাৰ

**মেলবৰ্'ণ, ২৭ জানুৱাৰীঃ** পুনৰ খিতাপ দখলৰ স্বপ্ন ভংগ হ'ল টেনিছ তাৰকা আলেকজেণ্ডাৰ ঝভেৰেভৰ। বিশ্বৰ শীৰ্ষ টেনিছ তাৰকা জনিক চিনাৰৰ দুৰ্দান্ত প্ৰদৰ্শনত পৰাজয় স্বীকাৰ কৰে ঝভেৰেভে। শনিবাৰে অষ্ট্ৰেলিয়ান অ'পেনৰ পুৰুষৰ ছিংগলছত ঝভেৰেভক ৬-৩, ৭-৬(৪), ৬-৩ স্ক'ৰত ষ্ট্ৰেইট ছেটত পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰৰ খিতাপ দখল কৰে জনিক চিনাৰে। উল্লেখ্য যে, এয়া হৈছে তেওঁৰ কেৰিয়াৰৰ তৃতীয়টো গ্ৰেণ্ড শ্লেম জয়। মেচ আৰম্ভ হোৱাৰ পৰাই চিনাৰে অতি উত্তম ফৰ্ম দেখুৱায়। খেলৰ মাজত ঝভেৰেভে প্ৰত্যাৱৰ্তন ঘটাই যদিও শেষত ইটালীৰ তাৰকাগৰাকীয়ে একেৰাহে তিনিখন খেলত জয়লাভ কৰি প্ৰথম ছেটটো ৬-৩ স্ক'ৰত দখল কৰে। উল্লেখ্য যে, ছেমিফাইনেলত ন'ভাক জ'কভিচৰ আঘাতৰ বাবে ৰাক অভাৰ লাভ কৰি ঝভেৰেভে ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে ফাইনেলত চিনাৰৰ উৎকৃষ্ট ফৰ্মৰ সন্মুখত ধৰাশায়ী হয় ঝভেৰেভ। ইফালে, তিনিখন গ্ৰেণ্ড শ্লেম ফাইনেলত প্ৰৱেশ কৰাৰ পিছতো ঝভেৰেভে এতিয়াও পূৰ্ণ কৰিব পৰা নাই খিতাপ জয়ৰ সপোন। ইয়াৰ বিপৰীতে, পুনৰ এবাৰ গ্ৰেণ্ড শ্লেম দখল কৰি নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰে চিনাৰে। ইটালীৰ তাৰকাগৰাকীয়ে একেৰাহে দ্বিতীয়বাৰৰ বাবে অষ্ট্ৰেলিয়ান অ'পেনৰ খিতাপ লাভ কৰি পুনৰবাৰ নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰে।

# বহৰিত বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা

**ই-সংবাদ, বহৰি, ২৭ জানুৱাৰীঃ** দুভৰিৰ যাদুকৰী ছন্দত সৃষ্ট ফুটবলো এক অনন্য শিল্প, যিয়ে হৃদয় কৰি তোলে উদ্বেলিত, মন্ত্ৰমুগ্ধ। তাৰেই অনুপ্ৰেৰণাত বৃহত্তৰ বহৰি অঞ্চলৰ এদল নবীন-প্ৰবীন ফুটবলাৰৰ আশাসুধীয়া প্ৰচেষ্টাত ১৯৭৪ চনত জন্ম লাভ কৰা বহৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ তত্বাৱধানত বহৰি হাইস্কুল মিনি ষ্টেডিয়ামত অনুষ্ঠিত হব ৭০ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা। এসময়ত গুৱাহাটী নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা বৰদলৈ ট্ৰফী ফুটবলে অসমৰ ৰাইজক উদ্বেলিত কৰি তুলিছিল। অসমৰ ৰাইজেও এই প্ৰতিযোগিতাৰ খেল সমূহ প্ৰত্যক্ষ কৰাৰ বাবে অধিক অপেক্ষাৰে বাট চাই আছিল। গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা অসমৰ ৰাইজক উদ্বেলিত কৰা বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা এইবাৰ অনুষ্ঠিত হব বৰপেটা জিলাৰ বহৰিত। গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত, বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত আৰু বহৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ তত্বাৱধানত অনুষ্ঠিত হ'বলগা বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাখনৰ ২৯ জানুৱাৰীত বহৰি হাইস্কুল মিনি ষ্টেডিয়ামত শুভ উদ্বোধন কৰা হ'ব বুলি এক প্ৰেছ মেলত প্ৰকাশ কৰে খেল পৰিচালনা সমিতিৰ সভাপতি নজমূল ভূঞাই। ভূঞাই প্ৰকাশ কৰা অনুসৰি প্ৰতিযোগিতাত বৰপেটা জিলাৰ ৮ টা ফুটবল দলে অংশগ্ৰহণ কৰিব। বৰদলৈ ট্ৰফীৰ পূৰ্বৰ সোণালী সুনাম ঘূৰাই অনাৰ লক্ষ্যৰে বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা এই বৰ্ষৰ পৰা অসমৰ প্ৰত্যেক জিলাত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে গুৱাহাটী ক্ৰীড়া সন্থাই। সেই অনুসৰি এইবাৰ প্ৰথম বৰ্ষত বৰপেটা জিলাই লাভ কৰিছে বৰদলৈ ট্ৰফী অনুষ্ঠিত কৰাৰ দায়িত্ব। বৰপেটা জিলা ক্ৰীড়া সন্থাই খেলসমূহ অনুষ্ঠিত কৰাৰ বাবে বহৰি ক্ৰীড়া সন্থাক দায়িত্ব অৰ্পন কৰিছে। বৰপেটা জিলাৰ ৮টা দলে অংশগ্ৰহণ কৰিবলগা লীগ পৰ্যায়ৰ খেল সমূহ বহৰি হাইস্কুল মিনি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। পোন্ধৰ দিন ধৰি চলিব লগা প্ৰতিখন খেলত ৰাইজৰ উপস্থিতি কামনা কৰিছে বহৰি আঞ্চলিক ক্ৰীড়া সন্থাই। খেল সমূহত কোনো প্ৰবেশ মূল্য নাথাকিব বুলি জানিবলৈ দিয়ে আয়োজকে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনভৰি